# ডিব্ৰুয়ান

১৯৯৬-৯৭বর্ষ



সম্পাদকদ্বয়

দ্বীপেন সন্দিকৈ
ৰাহুল দেৱ সোনোৱাল

DIBRU COLLEGE LIBRARY
Accession No. ..................
Date ..................

# ডিব্ৰুৱান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

১৮ তম্ সংখ্যা

১৯৯৬-৯৭

174

# DIBRUAN

THE ANNUAL JOURNAL OF

**DIBRU COLLEGE**

VOL-XVIII 1996 - 97

Editor : Dipen Handipue
Rahul Dev Sonowal

DIBRU COLLEGE LIBRARY DIBRUGARH

## সম্পাদনা সমিতি


উপদেষ্টা ঃ

অধ্যাপিকা— শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই

অধ্যাপক — শ্ৰীযুত ৰীৰেণ বৰুৱা

অধ্যাপক — শ্ৰীযুত মহেশ কুমাৰ জৈন

অধ্যাপক — শ্ৰীযুত শশী কুমাৰ শইকীয়া

সম্পাদকদ্বয় ঃ শ্ৰীদীপেন সন্দিকৈ

শ্ৰীৰাহুল দেৱ সোনোৱাল

বেটুপাত অংকন ঃ তৰা প্ৰসাদ দিহিঙীয়া

সদস্য ঃ পাপৰি চেতিয়া

তৰাপ্ৰসাদ দিহিঙীয়া

প্ৰকাশক : ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

মুদ্ৰক ঃ উপলা প্ৰেছ, গান্ধী নগৰ

ডিব্ৰুগড়—৭৮৬০০১




## উ চ র্গা

আমাৰ মাজৰ পৰা আঁতৰি যোৱা

জ্ঞাত/ অজ্ঞাত সকলোৰে

প্ৰতি প্ৰৱিত্ৰ স্মৃতিত ॥



শ্ৰী এম, এন, গগৈ

ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়

# অশ্ৰু অঞ্জলি

*নিয়তিৰ নিষ্ঠুৰ আহবানত আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই যোৱা মহাবিদ্যালয়ৰ ছাত্ৰ ৰন্টু গগৈ, ননকান্ত সোণোৱাল আৰু আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী চহীৰাম কোঁৱৰলৈ আমাৰ অশ্ৰু অঞ্জলি যাঁচিলো।*

'পোহৰ বিছাৰি হাবাযুৰি খাই  
বলিয়া নোহোৱা হলে  
জানো জন্ম হ'ল হলহেঁতেন  
মিলটন আৰু টমাচ এডিচন  
কালিদাস নাইবা জগদীস চন্দ্ৰ  
ৰবীন্দ্ৰ নাথ আৰু মহাত্মা বুদ্ধ।  
জ্ঞান সাগৰৰ ইকুল-সিকূল  
কদাপি নোৱাৰি মাণিব  
পোহৰৰ সৈতে মিতিৰালি পাতি  
আগুৱাই যাবই লাগিব'।

লুইত পৰীয় ডেকা — হেমন্ত শইকীয়া
নবাগত সকলক সোঁৱৰি — " কৃষ্ণ চুতিয়া
বিদ্ৰোহ — " গিৰিন্দ্ৰ কুমাৰ লাহন
উপলব্ধি, স্কেচ — " দীপেন সন্দিকৈ
সোণালী দিনৰ আশাৰে — " "জ্যোতি বৰগোঁহাই
মোৰ দেশ — " "মামনি টায়ে
আবাহন — " দেৱজিৎ দিহিঙ্গিয়া
প্ৰাচীৰ, মাতৃ — "মতীঅংকিতা শইকীয়া
ইপ্সিত প্ৰত্যাশাৰ সন্ধানত — " "পাপৰী চেতিয়া
মোৰ সীমাবদ্ধতা — " জয়ন্ত টায়ে
এনিশা — শ্ৰীসীমান্ত দাস
আইৰ বেদনা — "মতী জীনুমণী ভূঞা
কবিতাৰ চন্দ — শ্ৰীৰমানন্দ পেগু
বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন
India Insurance Market, A Journey From Past to Present — Dr. Mahesh kr. Jain
Women In Joint Families In India — Ranadeep Bhuyan




# সম্পাদকীয়............

**আজিৰ শিক্ষা ঃ** *শিক্ষা উন্নতিৰ চৰম শিখৰলৈ উঠি যোৱাৰ জখলা মাত্ৰই নহয় শিক্ষা হৈছে মন, চিন্তা, বিবেক, বুদ্ধি আৰু অনুভূতিক পৰিচালিত কৰাৰ সৰ্বোত্তম মাধ্যম। আকৌ শিক্ষা মানে নুন্যতম আখৰ কেইটা লিখিব জনাজনেই প্ৰকৃত শিক্ষিত নহয়। প্ৰতিজন মানুহেই শিক্ষিত হিচাবে চিনাকি দিবলৈ হলে নিজৰ ব্যক্তিত্ব, নিজৰ স্থিতি সৰ্ম্পকে সজাগ হব লাগিব। শিক্ষাৰ উন্নতিৰ লগত যদিও সমাজৰ প্ৰতিটো দিশ জড়িত হৈ আছে তথাপিও শিক্ষাৰ জগত খন বৰ্ত্তি আছে, মূলতঃ হ'ল ছাত্ৰ আৰু শিক্ষকক কেন্দ্ৰকৰি । কিন্তু আজি যেন ছাত্ৰ আৰু শিক্ষকৰ মাজত কিবা ফাট মেলিছে। এইয়া সমগ্ৰ অসমৰ শিক্ষা জগতত দেখা দিয়া এটি জলন্ত সমস্যা। আজি ছাত্ৰৰ আগ্ৰহ ৰূপান্তৰিত হৈছে হতাশাত আৰু শিক্ষকৰ আন্তৰিকতা ৰূপান্তৰিত হৈছে যান্ত্ৰিকতাত। শিক্ষা জগতৰ এই খেলি মেলিৰ বাবে বহুতে দোষাৰোপ কৰে বৰ্তমানৰ শিক্ষা পদ্ধতিক। বহুতে আকৌ দোষাৰোপ কৰিব বিছাৰে আজিৰ অসমৰ অশান্ত অৱস্থাক। কিন্তু ইয়াৰ সমাধান কত ? ইয়াৰ সমাধানৰ বাবে লাগে এটি মুক্ত আলোচনা য'ত থাকিব ছাত্ৰ, শিক্ষক, অভিভাৱক আৰু শিক্ষাবিদ সকল। কেৱল ছাত্ৰ আৰু শিক্ষক সকলে ইয়াৰ সমাধান নিশ্চয় কৰিব নোৱাৰে।*

**আলোচনী খনৰ বিষয়ে ঃ** *মহাবিদ্যালয়ৰ আলোচনী খন সবাঙ্গ সুন্দৰ কৰি তুলিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা স্বত্তেও সেয়া হৈ নুঠিল যেন লাগে। ইয়াৰ প্ৰধান কাৰণ হৈছে আলোচনী সম্পাদকে পদত্যাগ কৰা বাবে, আমি অতি কম সময়ৰ ভিতৰতে প্ৰকাশ কৰিব লগা হয়। সময় কম হোৱাৰ বাবে আশানুৰূপ ভাৱে প্ৰৱন্ধ পাতি যোগাৰ কৰিব নোৱাৰাটোও অন্যতম কাৰণ। তৎস্বতেও আলোচনী খন সময়মতে প্ৰকাশৰ ক্ষেত্ৰত আমাৰ ফালৰ পৰা কোনো কৃপণালি কৰা নাই।*

**শলাগ নলৈ নোৱাৰো ঃ** *আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত আৰু প্ৰৱন্ধ পাতি চাই দিয়াৰ পৰা সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা প্ৰতিভা সেন বাইদেউ, প্ৰৱক্তা শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউ, আৰু শ্ৰীযুত বীৰেণ বৰুৱা চাৰৰ ওচৰত আমি বিশেষ ভাৱে ঋনী। শ্ৰীযুত শশী শইকীয়া চাৰ আৰু শ্ৰীযুত মহেশ জৈন চাৰেও এই ক্ষেত্ৰত নানা উপদেশ দি আমাক সহায় কৰিছে। আটাই কেইজনৰে ওচৰত আমি দুয়ো আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।*

*আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা উৎসাহ, প্ৰেৰণা আৰু সহযোগীতাৰ বাবে বন্ধুসকল ক্ৰমে চিন্ত, তৰা প্ৰসাদ, অনুপম, দ্বিান্ত, ত্ৰৈলোক্য আৰু ভাইটী-ভন্টী সকল - গগণ, জুৰি, ৰজী আৰু প্ৰিয়মলৈ কৃতজ্ঞতা আৰু মৰম যাঁচিলো।*

*বেটুপাতৰ শিল্পী তৰা প্ৰসাদ দিহিঙ্গীয়ালৈ আমাৰ কৃতজ্ঞতা জনালোঁ।*

উপলা প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মী সকলে আলোচনী খন যথা সময়ত প্ৰকাশ কৰাত সহায় কৰা বাবে তেখেত সকললৈও আমাৰ আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভূল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি আমাৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

বিনীত,

শ্ৰী দ্বীপেন সন্দিকৈ

শ্ৰী ৰাহুল দেৱ সোনোৱাল

(ভাৰপ্ৰাপ্ত আলোচনী সম্পাদকদ্বয়)





# সাম্প্ৰতিক যুৱ মানসিকতা

শ্ৰীনৰোত্তম চবৰ
স্নাতক ২য় বৰ্ষ (কলা)

এখন দেশৰ ভৱিষ্যত যুৱ শক্তিৰ ওপৰতেই নিৰ্ভৰশীল। যুৱ সমাজেই দেশ আৰু প্ৰগতিৰ পথলৈ আগুৱাই নিয়াৰ অগ্ৰনী সেনানী। গতিকে যুৱ সমাজ দৃঢ়, কৰ্মঠ আৰু সবল মানসিকতাৰ গৰাকী হোৱাটো দেশৰ স্বাৰ্থতেই প্ৰয়োজনীয়। কিন্তু দুৰ্ভাগ্য দেশৰ লাইখুটা স্বৰূপ যুৱ সমাজৰ সাম্প্ৰতিক মানসিকতা এক চিন্তাৰ বিষয় হৈ পৰিছে। যুৱ উশৃংখলতাৰ বৰ্তমান এক আলোচ্য বিষয় হৈ পৰিছে। একবিংশ শতিকালৈ অগ্ৰসৰ হোৱাৰ প্ৰাক্‌মূহুৰ্ত্তত দেশৰ প্ৰগতিত প্ৰতিবন্ধকতা স্বৰূপ হৈ উঠা যুব উশৃংখলতা ক্ষেত্ৰত নিবনুৱা সমস্যা,দূষিত পৰিৱেশ আৰু তথা কথিত আভিজাত্যই প্ৰধান কাৰণ হিচাবে দেখা দিয়ে।

বৰ্তমান দেশত মহামাৰীৰূপে দেখা দিয়া ভয়ংকৰ নিবনুৱা সমস্যা যুৱ উশৃংখলতাৰ প্ৰধান কাৰণ। দুচকুত অযুত স্বপ্নলৈ শিক্ষা সমাপ্ত কৰাৰ পাছত ধনবল, বাহুবল বা ৰাজনৈতিক ক্ষমতাৰ অভাৱত উপাৰ্জনৰ কোনো পথ উলিয়াব নোৱাৰি বিফলতাৰ সন্মুখীন হোৱা এচাম যুৱকৰ মানসিকতা  বিদ্ৰোহ আৰু ব্যৰ্থতাই আৱৰি ধৰিছে। ফলশ্ৰুতিত একাংশ যুৱক বিদ্ৰোহী হৈ উঠিছে আৰু এচাম যুৱকে হতাশা, ব্যৰ্থতাক পাহৰাৰ ব্যৰ্থ প্ৰয়াস হিচাবে ৰাগিয়াল দ্ৰব্যৰ আশ্ৰয় লৈছে। পৰিৱেশ আৰু পৰিস্থিতিৰ হেঁচাত যুৱ সমাজৰ সৰহ সংখ্যকেই ভাবিবলৈ বাধ্য হৈছে যে, ধনবল, বাহুবল বা ৰাজনৈতিক ক্ষমতাৰ অবিহনে সাধনা, যোগ্যতা, সততা, আদৰ্শ ইত্যাদি ডাষ্টবিনত পৰি থকা আৱজৰ্নাৰ দৰে। যুৱ সমাজৰ এনে হতাশা আৰু ব্যথতাই যুৱশক্তিৰ লগতে বৌদ্ধিক সাংস্কৃতিক দিশো দুৰ্বল কৰিছে।

সমাজৰ দূষিত পৰিৱেশত অন্ধ অনুকৰণ, বিজতৰীয়া ভাৱধাৰা আৰু সহজ লভ্য ধন ঘটাৰ মানসিকতাত আমাৰ যুৱ সমাজ ব্ৰতী হোৱাত যুৱ শক্তিৰ অৱক্ষয়ৰ লগতে দেশৰ ইতিহাস, ভাষা সংস্কৃতিৰ ঐতিহ্য পৰম্পৰা আদিও ক্ৰমাৎ পাহৰনিৰ গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। অধ্যয়ন বিমুখীতাত শিষ্টাচাৰ হীনতা, কৰ্ত্তব্যবোধৰ অভাৱ আৰু দাযিত্বহীনতা সাম্প্ৰতিক যুৱ মানসিকতাৰ বৈশিষ্ট্য স্বৰূপ হৈ পৰিছে। যুৱ মানসিকতাৰ এই নৈতিক স্খলন পৰিতাপৰ কথাই নহয়। আমাৰ দেশৰ বাবে অত্যন্ত লজ্জাজনক আৰু ক্ষতিকাৰকো।

আধুনিকতাৰ মুখা পিন্ধি তথাকথিত প্ৰগতি বাদীৰ নামত আভিজাত্যৰ পৰিচয় দিবলৈ বিচৰাটো যুৱ উচ্ছংখলতাৰ লগতে সমাজিক অৱক্ষয়ৰো অন্যতম কাৰণ। শিক্ষা দীক্ষাৰে এক বিলাসবহুল উপাজৰ্নৰ পথ উলিয়াই নাইবা ক্ষমতাশালী ব্যক্তিৰ অনুগ্ৰহত অসৎ পথেৰে বৃহৎ ধন উৰ্পাজন কৰি অৱসৰ বিনোদনৰ নামত বিজতৰীয়া ৰুচিবোধেৰে সময় অতিবাহিত কৰাটো সাম্প্ৰতিক এচাম যুৱকৰ আভিজাত্য হৈ পৰিছে। কোনো ধৰনৰ গঠনমূলক চিন্তা-চৰ্চা বা সামাজিক দাযিত্ব পালনত এইচাম যুৱসমাজ মুঠেই আগ্ৰহী নহয়। ৰঙীন চশমাৰে সমগ্ৰ পৃথিৱীখনকেৰঙীন

যেন দেখা এইচাম যুৱকৰ দৃষ্টিত নিজস্ব ভাষা সংস্কৃতিৰ ঐতিহ্য পৰম্পৰাৰ বৰ্তমান বৈজ্ঞানিক যুগত কোনো মূল্য নাই। অন্যহাতেদি এই শ্ৰেনী যুৱকৰ জীৱন-ধাৰণ পদ্ধতিয়ে সহজ-সৰল এচাম যুৱককো প্ৰভাৱান্বিত কৰাত যুৱ সমাজৰ মাজত কৰ্তব্যনিষ্ঠা আৰু স্বাৱলম্বিতাৰ অভাৱ হৈছে। কম সময়ত বৃহৎ উপাৰ্জনৰ মানসিকতাৰ গঢ় লোৱাত আমাৰ যুৱ-সমাজ শ্ৰমবিমুখ হৈ পৰিছে। যুৱ সমাজৰ মাজত সততা, কৰ্তব্যনিষ্ঠা, আদৰ্শ, সামাজিক সাংস্কৃতিক দায়িত্ব আদিৰ বৰ দুখ লগাকৈ অভাৱ হৈছে। যুৱ শক্তি পংগু হৈ পৰিছে।

এনেদৰে বিভিন্ন কাৰণৰ সমষ্টিগত ফলশ্ৰুতিত সাম্প্ৰতিক যুৱ মানসিকতাত উচ্ছৃংখলতাই ক্ৰিয়া কৰিছে আৰু যুৱ-শক্তি ধ্বংসৰ পথলৈ গতি কৰিছে। যুৱ শক্তিৰ এই অধ:পতনৰ লগে লগে আমাৰ দেশ আৰু জাতিৰ ভৱিষ্যতো অন্ধকাৰ ডাৱৰে আগুৰি ধৰিছে। যুৱ শক্তিক সঠিক দিশত আগবঢ়াই নিয়াৰ চুড়ান্ত সময় আহি পৰিছে। এই ক্ষেত্ৰত সময়োচিত আৰু বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰাৰ লগতে যুৱ নেতৃত্বই নিজকে কথা আৰু কামৰ বিপৰীত মুখী গতিধাৰাৰ পৰা মুক্ত কৰি সমাজত আস্থাভাজন কৰি তুলিব লাগিব। অন্যথাই দেশ আৰু জাতিৰ ভৱিষ্যতে অন্ধকাৰ আৰু অনিশ্চয়তাই আৱৰি ধৰিব। আমাৰ আশা, যুৱ-ছাত্ৰ সকলৰ লগতে প্ৰতিজন নাগৰিকেই এই ক্ষেত্ৰত সচেতন হৈ দেশ আৰু জাতিৰ স্বাৰ্থতেই সাম্প্ৰতিক যুৱ মানসিকতাক শুদ্ধ পথলৈ অগ্ৰসৰ হোৱাত সঠিক কৰ্মসূচী নিৰূপনত অৰিহনা যোগাব। আন্তৰিকতা আৰু ধৈৰ্য্যসহকাৰে কৰ্তব্যবোধ আৰু দেশপ্ৰেমেৰে উদ্বুদ্ধ হৈ আমাৰ যুৱ শক্তিয়ে এখন নিকা সমাজ, এখন সুস্থ সবল দেশৰ গঠন প্ৰক্ৰিয়াত নিজকে জড়িত কৰিব।

❑❑

**মহৎলোকৰ বাণী**

*এইদৰে স্বাধীনতা আহিল*
*এই মানুহৰ তেজেৰে চকুৰ পানীৰে*
*আৰু*
*আমি আজি সেই স্বাধীনতা কলুষিত কৰিলো*
*আমাৰে দুৰ্নীতিৰে আমাৰে নৈতিক অধঃ পতনেৰে*

— জ্যোতি প্ৰসাদ আগৰৱালা।



# সাম্প্ৰতিক সময়ত হোটেল উদ্যোগত নিয়োগৰ সম্ভাৱনীয়তা

*শ্ৰী শশীকান্ত শইকীয়া*
*প্ৰবক্তা, ডিব্ৰু মহাবিদ্যালয়*

আজিৰ গোলকীকৰণ অৰ্থনীতিৰ যুগত পৰ্য্যটন ও হোটেল উদ্যোগ বৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে। বিদেশী পৰ্য্যটকৰ আগমণৰ ক্ৰমবৰ্দ্ধিত হাৰে হোটেল উদ্যোগৰ ভবিষ্যত উজ্বল কৰি তুলিছে। অতীতৰে পৰা আমাৰ দেশলৈ বিদেশী পযটকৰ আগমণ ঘটিছিল আৰু ১৯৯৬ চনত এই হাৰ বৃদ্ধি ২.৫ মিলিয়ন হয় আৰু এই শতিকাৰ শেষত ৬ মিলিয়নলৈ বৃদ্ধি পাব পাৰে বুলি অনুমান কৰা হৈছে। ক্ৰম বৰ্দ্ধিত এই পৰ্য্যতক সকলক চোৱা চিতাৰ বাবে আমাৰ দেশৰে একাংশ লোক নিয়োজিত হবলগা হয়। বৰ্ত্তমান এনে কৰ্মত মুঠ মানৱ শক্তিৰ শতকৰা ৫ ভাগ নিয়োজিত হৈ আহিছে আৰু এই শতিকাৰ শেষলৈ এই সংখ্যা দগুনলৈ বৃদ্ধি পাব। পৰ্য্যটক সকলক উন্নত মানৰ সেৱা আগবঢ়াবলৈ হ'লৈ এক বৃহৎ সংখ্যক ব্যৱস্থাপক, পৰিদৰ্শক, কেটাৰিং, কুকাৰি, কনফেস্কনাৰি ইত্যাদি কাৰ্য্যত সহায় কৰিব পৰা যুৱক যুৱতীৰ প্ৰয়োজন হয়। গতিকে আমাৰ দেশৰ যুৱক যুৱতী সকলে তেনেধৰনৰ বিষয়ত শিক্ষা আহৰণ কৰিব পাৰে। সাধাৰণতে তেনে ধৰণৰ সেৱাত (চাকৰি) 'গ্লেমাৰ' আৰু 'প্ৰেচটিজ' বেছি।

আমাৰ দেশত বৰ্ত্তমান চৰকাৰী আৰু বেচৰকাৰী খণ্ডত স্বীকৃতিপ্ৰাপ্ত প্ৰায় ৫০০ ৰো অধিক হোটেল আছে এই হোটেল সমূহত পৰ্য্যটক সকলৰ সুবিধাৰ বাবে ৫০,০০০ টা কোঠা আছে। এই সংখ্যা ২০০০ চনত প্ৰায় দুগুন হব বুলি ধৰা হৈছে। সেয়ে ৬ মিলিয়ন বিদেশী পৰ্য্যটকক চোৱা চিতাৰ বাবে প্ৰশিক্ষন প্ৰাপ্ত শিক্ষিত লোকৰ প্ৰয়োজন হ'ব। গতিকে এই সুবিধা আমাৰ দেশৰে যুৱক যুৱতী সকলে গ্ৰহণ কৰাতো উত্তম হ'ব।

এনে সুবিধা গ্ৰহণৰ ফলত নিবনুৱা সমস্যা বহুখিনি লাঘব কৰিব পৰা যাব। এনে উদ্যোগত নিয়োজিত ব্যক্তিয়ে প্ৰত্যক্ষ ভাবে পৃথিবীৰ বিভিন্ন দেশৰ বিখ্যাত লোকৰ সংস্পৰ্শলৈ আহিব পাৰে আৰু সান্নিধ্য লাভৰ সুযোগ থাকে। ইয়াৰ ফলত ব্যক্তিজনে নিজৰ ব্যক্তিত্ব বিকাশৰ বাবে সুবিধা পায়। যি সকল লোক কঠোৰ পৰিশ্ৰমী, নিয়মানুবৰ্ত্তী আৰু মৃদুভাষী তেনে লোক সকল এনে উদ্যোগৰ বাবে অতি উত্তম বুলি বিবেচনা কৰা হয়।

পৰ্য্যতন ও হোটেল উদ্যোগৰ সম্প্ৰসাৰণৰ লগে লগে দেশী বিদেশী পৰ্য্যতক সকলৰ বাবে আহাৰ যোগোৱা কাম, ৰন্ধা কাৰ্য্য সু-স্বাদু মিঠাই তৈয়াৰ কৰা, ঘৰবাৰীৰ কাম, আৰু সন্মুখৰ অফিচ আদি চোৱা চিতাৰ কাম উদ্ভৱ হোৱা দেখা গৈছে। অন্যহাতেদি হোটেল উদ্যোগৰ লগত ওতঃ প্ৰোতঃ ভাবে জড়িত থকা Transport Management বৰ্ত্তমান সময়ত বৰ গুৰুত্বপূৰ্ণ বিভাগ । এই বিভাগতো কৰ্মসংস্থানৰ সুবিধা থাকে।

*যোগ্যতা :*

পৰ্য্যটন ও হোটেল উদ্যোগত কৰ্মসংস্থানৰ সুবিধা পাবলৈ হলে, "Hotel Management and Catering Technology" ৰ ডিপ্লমা বা চাৰ্টিফিকেট হোল্ডাৰ হ'ব লাগিব। এনে ধৰণৰ ডিপ্লমা বা চাৰ্টিফিকেট দেশৰ বিভিন্ন ঠাইত থকা Hotel Management Institute সমূহৰ পৰা নিৰ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছতেই আহৰণ কৰিব

পাৰে। বৰ্ত্তমান আমাৰ দেশত ১৮ খন Hotel Management Institute আছে। সেই সমূহ .......

১) আহমেদাবাদ, (২) বাংগালোৰ (৩) ভূপাল, (৪) ভুবনেশ্বৰ (৫) চেন্নাই (৬) কলিকতা (৭) চণ্ডিগড় (৮) দিল্লী, ৯) গোৱা ১০) গুৰুদাসপুৰ (১১) গোৱলিয়ৰ (১২) হাইদৰাবাদ (১৩) জয়পুৰ (১৪) লক্ষ্ণৌ (১৫) মুম্বাই (১৬) শ্ৰীনগৰ (১৭) থিৰুৱন্তপুৰম ১৮) গুৱাহাটী (অসম) ত অৱস্থিত। এই প্ৰতিস্থান সমূহত নামভৰ্ত্তিৰ বাবে বৃহৎ বৃহৎ হোটেল সমূহেও আগভাগ লয়। পাঠ্যক্ৰম শেষ কৰাৰ পাছতেই এই হোটেল সমূহে নিয়োগৰ সুবিধা আগবঢ়োৱা দেখা যায়। সেয়ে এনে শিক্ষাৰে শিক্ষিত ব্যক্তিয়ে নিবনুৱা সংখ্যা হ্ৰাসত সহায় কৰে।

*শিক্ষাগত অহতা :*

স্বীকৃতি প্ৰাপ্ত প্ৰতিস্থান সমূহত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থী গৰাকী অতি কমেও ১০+২ স্তৰ বা সমপৰ্য্যায়ৰ পৰীক্ষাত যি কোনো বিভাগত ইংৰাজী বাধ্যতামূলক বিষয় লৈ উৰ্ত্তীন হব লগিব। যি সকল প্ৰাৰ্থীয়ে ১০+২ পৰীক্ষা দি ফলাফলৰ বাবে অপেক্ষা কৰি আছে। সেই প্ৰাৰ্থীয়ে ও আবেদন কৰিব পাৰে কিন্তু নামভৰ্ত্তিৰ সময়ত উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ সংৰক্ষিত আসনৰ আইন মতে SC/ST আৰু OBC/MOBC প্ৰাৰ্থীৰ বাবে আসন সংৰক্ষন কৰা থাকে। JEE ৰ বাবে প্ৰতি বছৰে জানুৱাৰী মাহত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্য্যায়ৰ বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশিত হয়। JEE ৰ প্ৰশ্ন সমূহ সংক্ষিপ্ত আকাৰৰ হয় আৰু এই সমূহ Reasoning and logical Deductions,Numerical Ability and Scientific Aptitude, General Knowledge আৰু English languageৰ হয়।

*আত্মসংস্থাপন :*

মজুৰীকৃত নিয়োগৰ বাহিৰেও এই উদ্যোগে বিভিন্ন ধৰণৰ আত্ম সংস্থাপনৰ সুবিধাও প্ৰদান কৰে। Bakery and Confectionary, Cookary, Canning and Food Preservation আদি শিক্ষাৰে শিক্ষিত ব্যক্তিয়ে নিজস্ব ভাবে ব্যৱসায় চলাই যাব পাৰে। অন্যহাতেদি নগৰ মহানগৰ সমূহত অনুষ্ঠিত হোৱা বিভিন্ন ধৰণৰ বিবাহ পাৰ্টি, পূজা আদিত সু-স্বাদু আহাৰ প্ৰস্তত কৰি কম সময়ৰ ভিতৰতে মন পচন্দ আয় কৰিব পাৰে। নিপুণ আৰু অভিজ্ঞ সকলে 'Hotel Consultancy Service' আৰম্ভ কৰিব পাৰে। এই ক্ষেত্ৰত হোটেল নিৰ্মানৰ কলা কৌশল, পৰিচালনা, আৰু উন্নয়ন সাধনৰ বাবে নিদিষ্ট Fees ৰ বিনিময়ত পৰামৰ্শ প্ৰদান কৰি মোটা অংকৰ ধন উপাৰ্জন কৰাৰ সুবিধা থাকে।

❑❑





# স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা

*শ্ৰী চিন্টু সোণোৱাল*
*স্নাতক দ্বিতীয় বাৰ্ষিক*
*(বিজ্ঞান)*

বৰ্তমান আমাৰ দেশৰ শিক্ষানীতি বৃটিছ সকলে প্ৰণয়ন কৰা শিক্ষানীতিৰ ওপৰত প্ৰতিষ্ঠিত। বৃটিছসকলে তেওঁলোকৰ শোষণ কাৰ্য্য চলাই থকাৰ উদ্দেশ্যে তেওঁলোকৰ অনুগত এক শ্ৰেণী আমোলা সৃষ্টি কৰিবৰ বাবেহে শিক্ষানীতি প্ৰণয়ণ কৰিছিল ব্যাপক জন সাধাৰণক শিক্ষিত কৰা মনোভাব তেওঁলোকৰ কোনো কালেই নাছিল। বৃটিছসকলে তৈয়াৰ কৰা এই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন স্বাধীনোত্তৰ ভাৰতত তেনেই নগণ্য কিছু পৰিমানগত পৰিবৰ্তনৰ বাদে মূল ব্যৱস্থাৰ কোনো পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই।

স্বাধীনতা লাভৰ সময়ত আমাৰ দেশৰ শিক্ষিতৰ হাৰ আছিল ১৬ শতাংশ কিন্তু ৩৮ বছৰৰ পাছত ই হলগৈ ৩৬ শতাংশ। বিশ্ববেংকৰ এক সমীক্ষামতে সাক্ষৰতাৰ হাৰ এনে গতিত চলি থাকিলে ২০০০ খৃষ্টাব্দলৈকে বিশ্বৰ ভিতৰত ভাৰততে নিৰক্ষৰ লোকৰ সংখ্যা সৰ্বাধিক হব। এই সময়লৈকে ১৫-১৯ বছৰ বয়সৰ নিৰক্ষৰৰ হাৰ বিশ্বৰ নিৰক্ষৰ জনসংখ্যা ৫৪.৮ শতাংশ হবগৈ। ("Challenge of Education",Aug 1985)।

স্বাধীনতা লাভৰ সময়ত আমাৰ দেশৰ শিক্ষানীতিৰ সম্পৰ্কে বহুতো চিন্তা ভাৱনাই ঠাই ললে। ইয়াৰ ফলস্বৰূপে ১৯৪৮ চনত প্ৰাথমিক শিক্ষাত গান্ধীজীৰ বুনিয়াদী শিক্ষা প্ৰৱৰ্তন আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণনৰ নেতৃত্বত বিশ্ববিদ্যালয় আয়োগ গঠন হয়। বুনিয়াদি শিক্ষা প্ৰৱৰ্তন কৰাৰ পাছত আমোলা সকলৰ হাতত পৰি এই শিক্ষাই এনে বিকৃত ৰূপধাৰণ কৰিলে যে শেষত সেই সময়ৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী কে, এল শ্ৰী মানিয়ে ঘোষণা কৰিব লগা হল যে Basic education fails। গতিকে প্ৰাথমিক শিক্ষাত পুনৰ গতানুগতিক ব্যৱস্থাই বাহাল থাকিল। আনফালে ১৯৪৯ চনত বিশ্বাবিদ্যালয় শিক্ষা আয়োগে প্ৰতিবেদন দাখিল কৰিলে। এই আয়োগৰ প্ৰতিবেদন মতেই বিশ্ববিদ্যালয়ৰ শিক্ষা নিয়ন্ত্ৰন আৰু পৰিচালনাৰ বাবে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ (U.G.C.) প্ৰতিষ্ঠা কৰা হল; কিন্তু আয়োগৰ অনুমোদন মতে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগক স্বায়ত্ব শাসনৰ অধিকাৰ নিদি তাক কেন্দ্ৰীয় শিক্ষা মন্ত্ৰনালয়ৰ নিয়ন্ত্ৰনত ৰখা হ'ল। এই দৰেই স্বাধীন ভাৰততো বৃটিছ সকলৰ দৰেই উচ্চ শিক্ষানুষ্ঠানৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণৰ পৰম্পৰা চলি থাকিল। উচ্চ শিক্ষাৰ প্ৰসাৰৰ বাবে আয়োগে জাতীয় আয়ৰ ১০ শতাংশ শিক্ষাত খৰছ কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু চৰকাৰে প্ৰথম পৰিকল্পনাত মাত্ৰ ৭.৬ শতাংশহে নিৰ্দ্ধাৰণ কৰিলে।

দেশত পুঁজিবাদী ধাৰাৰে পৰিচালিত উন্নয়ণ প্ৰক্ৰিয়াত উচ্চ শিক্ষাৰে শিক্ষিত জনশক্তিৰ লগতে উৎপাদন বঢ়াবলৈ দেশৰ বিভিন্ন সেৱা কাৰ্য্যৰ বাবে কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা প্ৰৱতন মানসেৰে ১৯৫২ চনত মুদালিয়াৰ আয়োগ গঠন হল। ১৯৫৩ চনত এই আয়োগে প্ৰতিবেদন দাখিল কৰে। এই আয়োগৰ পৰামৰ্শমতে দেশত বহু সংখ্যক কাৰিকৰী আৰু বহুমুখী শিক্ষাৰ অনুষ্ঠান খোলা হল। কিন্তু চৰকাৰৰ প্ৰয়োগ নীতি আৰু

জনশিক্ষাৰ প্ৰতি অৱহেলাৰ কাৰণেই এই আয়োগৰ পৰামৰ্শৰ ভিত্তিত গঢ়ি উঠা বহুতো-কাৰিকৰী আৰু বহুমুখী বিদ্যালয় বন্ধ হৈ যাব লগা হল।

ৰাধাকৃষ্ণণ আৰু মুদালিয়াৰ আয়োগৰ প্ৰতিবেদনৰ সাৰমৰ্ম হল যে দুয়োটা আয়োগেই দ্ৰুত পুঁজিবাদী উন্নয়ণৰ স্বাৰ্থত শিক্ষা ব্যৱস্থা পুনৰ গঠন আৰু পৰিবৰ্দ্ধন কৰাৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব দিছে। পুঁজিবাদী বিদেশৰ স্বাৰ্থপূৰণ কৰিব পৰাকৈ শিক্ষাই যাতে পুষ্টি লাভ কৰে তাৰবাবে শিক্ষা শিতানত যথেষ্ট পুঁজি খটুৱাবলৈ আয়োগে পৰামৰ্শ দিছে। কিন্তু পুঁজিবাদীৰ সংকট যিমানে বাঢ়িছে, সিমানেই শাসক শ্ৰেণীয়ে শিক্ষাৰ খৰচৰ হাৰ কমাই আনিছে।

১৯৬৪ চনত কোঠাৰী আয়োগ গঠিত হল। এই আয়োগে আমাৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে পুনৰ গঠন কৰি জনশিক্ষাৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়ে। এই আয়োগৰ প্ৰতিবেদনে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষালাভৰ প্ৰতি থকা জনসাধাৰণৰ ধাউতিৰ কথাকে প্ৰতিফলিত কৰিছিল। শিক্ষাত অধিক ব্যয় নিদ্ধাৰণ কৰিবলৈ পৰামৰ্শ দিছিল। চৰকাৰে এই আয়োগৰ সকলো পৰামৰ্শ মানি নললে। মাথোন ইয়াৰ ত্ৰিভাষা সূত্ৰ, বিশ্ববিদ্যালয় সমূহৰ নিয়ন্ত্ৰণ আদি বিষয়ক শাসক শ্ৰেণীৰ স্বাৰ্থৰ অনুকুল পৰামৰ্শাৱলী হে গ্ৰহণ কৰিলে। উচ্চ শিক্ষানুষ্ঠান সমূহ নিয়ন্ত্ৰণৰ বাবে চৰকাৰে গজেন্দ্ৰ গদকৰ আয়োগ গঠন কৰিলে আৰু এই আয়োগৰ পৰামৰ্শ ভিত্তিত চৰকাৰে উপাচাৰ্য্য নিৰ্বাচন, বিশ্ববিদ্যালয়ৰ কৰ্ট গঠন প্ৰণালীৰ যোগেদি বিশ্ববিদ্যালয়ৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ কটকটীয়া কৰিলে। কোঠাৰী আয়োগে শিক্ষাত অধিক পুঁজি বিনিয়োগ কৰিবলৈ কোৱা সত্বেও চৰকাৰে ৬ষ্ঠ পৰিকল্পনাত প্ৰথম পৰিকল্পনাৰ ৭.৬ শতাংশৰ বিপৰীতে ২.৬ শতাংশহে বিনিয়োগ কৰিলে। ই শাসক সকলৰ শিক্ষা সংকোচনৰ নীতিৰহে পৰিচয় ডাঙি ধৰে।

ইয়াৰ উপৰিও স্বাধীনতাৰ পাচত স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত জাতীয় শিক্ষা আৰু গবেষণা পৰিষদৰ (NCERT) তত্বাৱধানত নগৰ অঞ্চলত পৰীক্ষাগাৰ আদি উন্নত ব্যৱস্থাৰে সৈনিক স্কুল, কেন্দ্ৰীয় বিদ্যালয় আদিত এক পাঠ্যক্ৰম আনহাতে ব্যাপক জনসাধাৰণৰ লৰা-ছোৱালীৰ বাবে ৰাজ্যিক শিক্ষা পৰিষদৰ তত্বাৱধানত অন্য এক পাঠ্যক্ৰমৰ ব্যৱস্থা ৰখা হৈছে। এই দুই পাঠ্যক্ৰমৰ মাজত আকাশ পাতাল পাৰ্থক্য পৰিলক্ষিত হয়। ইয়াৰ দ্বাৰাই বৈষম্যপুৰ্ণ দুবিধ পাঠ্যক্ৰমৰ দ্বাৰা ছাত্ৰ অৱস্থাৰে পৰা দেশত দুটা শ্ৰেণী গঢ়ি তোলাৰ প্ৰয়াস চৰকাৰে কৰি আহিছে।

ইন্দিৰা গান্ধীৰ আমোলত ১৯৮৪ চনত আকৌ এটা নতুন শিক্ষানীতিৰ খচৰা প্ৰস্তুত কৰা হয়। চৰম ঔদ্যোগিক বিকাশ সাধনৰ বাবে আৰ্ন্তজাতিক বিশ্ববেংকৰ পৰা ভাৰতে বিপুল পৰিমাণৰ ঋণ লব লগা হয়। বিদেশী পুঁজিৰ ওপৰত নিৰ্ভৰ কৰা উন্নত প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ সাধনৰ কাৰণে শিক্ষাৰ আঁচনি সেই খচৰাত প্ৰস্তুত কৰা হয়। ইয়াৰ দ্বাৰাই ব্যাপক জন শিক্ষাৰ প্ৰসাৰৰ নীতি বিসৰ্জন দি উন্নত প্ৰযুক্তিবিদ্যাৰ ৰপ্তানিমুখী শিল্পৰ উৎপাদন বৃদ্ধিৰ বাবে দক্ষ কাৰিকৰ সৃষ্টিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তাৰেই অংগৰূপে কম্পিউটাৰ শিক্ষা (Computer Literacy) আঁচনি যুগুত হয়। ইন্দিৰা গান্ধীৰ উত্তৰাধিকাৰী ৰাজীৱ গান্ধীৰ Challenge of Education এই খচৰাৰে নামান্তৰ মাথোন। আৰু ই ১৯৮৬ চনৰ ৮ মে'ত সংসদত শিক্ষানীতি বিধেয়ক ৰূপে চুড়ান্ত ৰূপ লয়।

ভাৰতবৰ্ষক একাবিংশ শতিকালৈ আগুৱাই নিয়াৰ উদ্দেশ্যে প্ৰণোদিত ৰাজীৱগান্ধীৰ এই শিক্ষানীতি বৰ্তমান প্ৰচলিত শিক্ষানীতিতকৈ একাঠি চৰা। এই নতুন শিক্ষানীতিৰ বাবে এই বাৰৰ বাজেটত তুলনা মূলক ভাবে



অধিক পুঁজিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে বুজন অংশ ব্যয় কৰা হব কেন্দ্ৰৰ দ্বাৰা পৰিচালিত আঢ্যৱন্ত শ্ৰেণীৰ বাবে প্ৰতিখন জিলাতে একোখনকৈ নিৰ্মান কৰিবলগীয়া নবোদয় স্কুলত। ৰাইজৰদ্বাৰা নতুনকৈ স্কুল কলেজ প্ৰতিষ্ঠা কৰাৰ সপক্ষে এই শিক্ষানীতি নহয়। গতিকে শিক্ষা সম্প্ৰসাৰণৰ পৰিৱৰ্তে শিক্ষা সংকোচন নীতিহে প্ৰয়োগ হব। ব্যাপক জন শিক্ষাৰ প্ৰসাৰ, ১৯৯০ চনৰ ভিতৰত দেশৰ নিৰক্ষৰতা সম্পূৰ্ণ দূৰীকৰণ আদি ৰাইজৰ ভাললগা আঁচনি নতুন শিক্ষানীতিত আছে। অথচ প্ৰয়োগৰ ক্ষেত্ৰত পুঁজিৰ বিনিয়োগৰ হাৰ আগতকৈ কমাইছে। প্ৰাথামিক আৰু মাধ্যমিক শিক্ষাৰ প্ৰসাৰৰ দায়িত্ব লবলৈ ব্যক্তিগত খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান সমূহক আহবান জনোৱা হৈছে। চাকৰীৰ লগত ডিগ্ৰীৰ সম্পৰ্ক ছিন্ন কৰা, দুৰশিক্ষণ (Correspondence Course), পৰীক্ষা পদ্ধতি বিলোপ বা মুকলি বিশ্ববিদ্যালয়ৰ দ্বাৰা শিক্ষা দিয়াৰ আঁচনি প্ৰকৃততে চৰকাৰৰ শিক্ষাৰ দায়িত্ব হাত সৰাৰ আৰু আনুষ্ঠানিক নিবিড় শিক্ষাৰ সা-সুবিধা বোৰ সংকোচন কৰাৰ এটা ফন্দি মাত্ৰ। নতুন শিক্ষানীতিত সকলোৰে বাবে উমৈহতীয়া পাঠ্যক্ৰমৰ কথা থাকিলেও ই কাৰ্য্যকৰী হব নোৱাৰে। কাৰণ নবোদয় স্কুল বিলাকত যিমান পুঁজি বিনিয়োগ কৰা হব, আনত নহয়।

নতুন শিক্ষানীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আঁসোৱহটো হল শিক্ষানীতি প্ৰণয়নৰ ক্ষেত্ৰত শিক্ষকৰ কোনো ভূমিকা নাই। অথচ শিক্ষক সকলেই শিক্ষানীতি ৰূপায়ণৰ জৰিয়তে শিক্ষা ব্যৱস্থাটো জীয়াই ৰাখে। ফলত শিক্ষক সকলে প্ৰায় যান্ত্ৰিক ভূমিকা লব লগা হৈছে।

সমাজৰ গৰিষ্ঠ সংখ্যক প্ৰয়োজনীয়তাৰ লগত সংগতিহীন যি শিক্ষা ব্যৱস্থা নতুন শিক্ষানীতিয়ে আগবঢ়াইছে, ইয়াৰ ফলত সাংস্কৃতিক, সামাজিক মূল্যবোধ ধাৰণা নহয়, লগতে জাতীয় জীৱনৰ লগত জীন নোযোৱা ঠেকছিগা অপ-সংস্কৃতিৰ পয়োভৰ আৰু বাঢ়িব। ইয়াৰ বিপৰীতে আমাৰ সমাজ ব্যৱস্থাত জন সাধাৰণৰ জীৱন নিৰ্ব্বাহৰ পথ নিৰ্দ্দেশক, শ্ৰমৰ মৰ্য্যাদা দিয়া, উৎপাদন পদ্ধতিৰ সতে ঘনিষ্ঠ সম্পৰ্ক থকা বিজ্ঞান সন্মত শিক্ষানীতি চূড়ান্ত কৰাটোহে প্ৰয়োজন।

❑❑



# ৰেগিং

*মিচ্ ৰশ্মিৰেখা চেতিয়া*
*দ্বাদশ শ্ৰেণী (কলাশাখা)*

ৰেগিং শব্দটিৰ অৰ্থ কি এই বিষয়ে মোৰ সম্যক জ্ঞান নাথাকিলেও বিভিন্ন কাকতে পত্ৰে তথা বিভিন্ন বাৰ্তালোচনীৰ দ্বাৰাই বুজিব পৰিছো যে বিদ্যালয় বা মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক পুৰণি ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে চিনাকী হোৱা পৰ্বত যি আচৰণ কৰে সংক্ষেপে তাকেই ৰেগিং বুলি অভিহিত কৰা হয়।

কিন্তু বৰ্তমান "ৰেগিং" শব্দটোৱে চিনাকী পৰ্বক বুজোৱাৰ পৰিৱৰ্তে অন্য অৰ্থহে সূচায়। তেওঁলোকৰ সৃষ্টিত ৰেগিংৰ অৰ্থ হৈছে শাৰীৰিক তথা মানসিক ভাৱে নৱাগত সকলক কৰা উৎপীড়ন। ৰেগিং এতিয়া চিনাকী পৰ্ব হৈ থকা নাই, ক্ৰমান্বয়ে ই প্ৰতিশোধ পৰ্বলৈ ৰূপান্তৰিত হৈছে। ৰেগিংৰ নামত পুৰণিসকলে নবাগতসকলক মানসিক বা শাৰীৰিকভাৱে কৰা পাশৱিক নিৰ্য্যাতনত নবাগত জন চিৰদিনলৈ পঙ্গু হোৱাৰ বহুতো জলন্ত উদাহৰণ আছে

বৰ্তমান যুবসমাজত ৰেগিংৰ প্ৰাদুৰ্ভাৱ ইমানেই বৃদ্ধি পাইছে যে ক্ৰমে ক্ৰমে ই এইডছৰ দৰেই ভয়াবহ হৈ পৰিছে। সাধাৰণতে মহা বিদ্যালয়ৰ পৰ্য্যায়ত পুৰণি আৰু নতুন এই দুয়ো পক্ষৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰেগিংৰ সৃষ্টি হয়। বৰ্তমান শিক্ষানুষ্ঠান সমূহত বহুলভাৱে প্ৰচলিত, প্ৰসাৰিত, আৰু এচাম ছাত্ৰ-ছাত্ৰীৰ মাজত বিশেষভাৱে সমাদৃত ৰেগিং মহাবিদ্যালয়ৰ পৰিসীমা অতিক্ৰম কৰি বিশ্ববিদ্যালয় তথা অন্যান্য নিম্ন বিদ্যালয় সমূহতো প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। এতিয়া প্ৰশ্ন হয় ৰেগিং প্ৰচলন হোৱাৰ কাৰণনো কি? নাইবা ৰেগিংৰ পৰা কি লাভ লোকচান বা উপকাৰ অপকাৰ আছে? মুঠৰ ওপৰত কবলৈ গলে ৰেগিংৰ পৰা কিবা লাভা লাভতকৈ লোকচান বা অপকাৰেই বেছি।

প্ৰকৃতাৰ্থত ৰেগিং বোলা কথাষাৰ সচাঁ অৰ্থত ব্যৱহাৰ হোৱাহেঁতেন কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবেই নহয় সামাজিক দিশতো উন্নতি হলহেঁতেন। যিহেতু জেষ্ঠসকলে বা পুৰণি চাম ছাত্ৰ-ছাত্ৰীৰ লগত চিনাকী হবলৈ নিজেই আগবাঢ়ি অহাটো খুবেই প্ৰশংসনীয়, যদিহে সেই চিনাকী কেৱল হাঁহি ধেমালিৰ মাজেৰে হয়। জ্ঞানৰ পবিত্ৰ মন্দিৰত বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকল মিলিত হয় মাথো জ্ঞানৰ মুকুতা বুটলাৰ উদ্দেশ্যেৰেই। গতিকে সকলোৰে মাজত একতা থকাটো একান্তই প্ৰয়োজন। কিন্তু আজিৰ ছাত্ৰ-ছাত্ৰীয়ে নৱাগত সকলক যি অমানবীয় অত্যাচাৰ কৰিছে, সি যেন আমাৰ এই পবিত্ৰ মন্দিৰটিক কলুষিতহে কৰি পেলাইছে। মই জনাত অতীতত যি ক্ৰিয়া কৰ্ম আছিল বৰ্তমান তাৰ ওলোটাহে হৈছে। অতীতত মহাবিদ্যালয় সমূহ সীমিত আছিল, বাবে বিভিন্ন প্ৰান্তৰ বিভিন্নজনৰ সংমিশ্ৰণৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। উক্ত শিক্ষানুষ্ঠানসমূহত বিভিন্ন প্ৰান্তৰপৰা অহা নতুন ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে নামভৰ্তি কৰে, নতুন ছাত্ৰ-ছাত্ৰীক ওপৰ শ্ৰেণীৰ পুৰণি ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম চিনাকী হোৱা পৰ্ব আৰম্ভ কৰোতে বিভিন্ন কথা সোধপোচ কৰি, শালীনতা ৰক্ষা কৰি কৌতুক ৰগৰ আদি কৰে, তেতিয়া তাত আচৰণবিধি



সম্পূৰ্ণকৈ মানি চলিহে ৰেগিং কৰিছিল। নিজ নিজ প্ৰতিভা থাকিলে গান গাবলৈ; কবিতা আবৃত্তি; কৌতুকাভিনয় আদি কৰিবলৈ অনুৰোধ কৰিছিল আৰু নবাগতসকলেও যথাযথভাৱে তেনে কৰিবলৈ নিজকে প্ৰস্তুত কৰি তুলিছিল। তাত কোনো অপ্ৰীতিকৰ ঘটনা হোৱাৰ সম্ভাৱনা নাছিল। পুৰণা আৰু নতুন ছাত্ৰ-ছাত্ৰীৰ মাজত ভাব বিনিময় হৈছিল আৰু মিলা-প্ৰীতিৰ বান্ধোন; বন্ধুত্ব ভাতৃত্বভাৱ পৰস্পৰৰ মাজত বিৰাজমান হৈছিল।

কিন্তু বৰ্তমান ৰেগিংৰ কৰ্ম্মকাণ্ড, অমানবীয় কাৰ্য্যকলাপ অশ্লীলভাৱে চলিবলৈ ধৰিছে। ই ছাত্ৰ-ছাত্ৰীক ধ্বংসৰ মুখলৈ ঠেলি নি ভয়ানক ৰূপ ধাৰণ কৰিছে। মুঠৰ ওপৰত বৰ্তমান ৰেগিংৰ যি অপ্ৰিয় কাৰ্যকলাপ অশ্লীলভাৱে চলিবলৈ ধৰিছে ইয়াক কোনেও সমৰ্থন নকৰে। ৰেগিংৰ কু-প্ৰভাববোৰ যদি নিৰাময় কৰিব পৰা নাযায় তেন্তে এই ৰেগিং বোলা বস্তুটো সমাজৰ ব্যাধিৰূপে পৰিগণিত হৈ সমাজক চিৰদিনলৈ ৰুগাক্ৰান্ত কৰি ৰাখিব। ফলস্বৰূপে শিক্ষানুষ্ঠান তথা শিক্ষাৰ মান হব কমি যাব।

ৰেগিংৰ এনে সুদুৰ প্ৰসাৰী ফলে সমাজৰ সকলো শ্ৰেণীৰ চিন্তাশীল ব্যক্তিকেই উদ্বিগ্ন কৰি তুলিছে। সেয়েহে ৰেগিং নিৰাময়ৰ ক্ষেত্ৰত প্ৰথমেই আগভাগ লব লাগিব আমাৰ ছাত্ৰসমাজেই। যিহেতু শিক্ষানুষ্ঠান আৰু শিক্ষাৰ্থীসকলৰ মাজতেই ৰেগিং সাঙুৰ খাই আছে। অন্যহাতে ৰেগিং নিৰাময়ৰ ক্ষেত্ৰত চৰকাৰ আৰু প্ৰশাসনিক বিভাগেও বাস্তৱ ভূমিকা গ্ৰহণ কৰা উচিত। সেয়েহে ৰেগিং নিৰাময়ৰ সম্পৰ্কত শিক্ষানুষ্ঠান, শিক্ষা প্ৰণালী, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, সমাজ সচেতন ব্যক্তি আদি সকলোৰে প্ৰচেষ্টা নিতান্তই অপৰিহাৰ্য্য। এই ক্ষেত্ৰত শিক্ষা লাভ কৰিবলৈ ওলাই অহা প্ৰতিজন ছাত্ৰ ছাত্ৰীয়েই অন্তঃ কৰণেৰে উপলব্ধি কৰাৰ দৰ্কাৰ যে **"সুন্দৰৰ আৰাধনাই জীৱনৰ খেল।"** গতিকে সুন্দৰৰ আৰাধনাত হিংসাৰ মনোবৃত্তি নাথাকে।

শেহান্তৰত ইয়াকেই কবপাৰি যে সদালাপ, সদাচাৰ, সৎচিন্তা আদি সজগুণ নিজে আৰ্জি লোৱা আৰু আনকো তাৰ অনুগামী হবলৈ উদগনি দিয়া উচিত। মহৎলোকৰ বাণী হল "আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়।"

Corenlius Nepos ৰ মতে –

"Everyone's manners make his fortune"

মুঠৰ ওপৰত নতুন প্ৰজন্মই মানবীয় প্ৰমূল্য বোধৰ চানেকী প্ৰদৰ্শন কৰিব পাৰিলে ৰেগিং স্বাভাৱিকতে নিৰাময় হব বুলি মত প্ৰকাশ কৰিব পৰা যায়।

❑❑



# সচেতন সতীৰ্থৰ বাবে

*শ্ৰীৰণদীপ ভূঞা*
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

নানা ৰকমৰ বৈচিত্ৰতাৰ মাজত এক আচৰিত ভাবে বান্ধ খাই থকা আমাৰ সমাজ খনলৈ লক্ষ্য কৰিলে আমি দেখিম যে আমাৰ দেশৰ ৭৫% ভাগ লোক কৃষক। সেয়ে ভাৰতবৰ্ষক কৃষি প্ৰধান দেশ বুলি কোৱা হয়। কৃষকৰ ওপৰত চলা শোষণৰবাবে প্ৰায় ৭০-৭৫ কোটি কৃষকৰ ভিতৰত ৬০ কোটিয়েই গৰীৱ, ভূমিহীন, দুখীয়া। গ্ৰামাঞ্চলৰ এই বিশাল গৰীৱ সমাজক শোষণ কৰি আছে প্ৰথমতঃ এমুঠিমান ডাঙৰ ডাঙৰ মাটিৰ মালিক জমিদাৰ, সুদখোৰ মহাজন, কলা-বেপাৰী, দুৰ্নীতি পৰায়ণ চৰকাৰী আমোলা আৰু সিহঁতৰ দালাল বোৰে।

এই সাম্যন্তবাদী (Feudal) শক্তিবোৰ বেছি ভাগেই সৌ সিদিনালৈকে আছিল সৰু-ডাঙৰ বিভিন্ন ৰজা মহাৰজা আৰু তেওঁলোকৰেই ডা-ডাঙৰীয়া। গ্ৰামাঞ্চলৰ বেছিভাগ মাটি এওঁলোকেই দখল কৰি ৰাখিছে। ভাবিলে আচৰিত লাগে এওঁলোকৰ একো একোজনৰ মাটিৰ পৰিমাণ ৪০০-৫০০ বিঘাৰ পৰা আৰম্ভ কৰি ৩০,০০০-৪০,০০০ বিঘা পৰ্য্যন্ত। এই সামন্ত প্ৰভুবোৰে কোনো ধৰণৰ গণতন্ত্ৰ, আইন ইত্যাদি নামানে; এওঁলোকে যি ক'ব সেয়েই আইন। গাওঁ অঞ্চলৰ চৰকাৰী অফিচাৰ, পুলিচ আৰু ৰাজনৈতিক দলৰ নেতাবোৰে এওঁলোকৰ কথামতেই কাম কৰে। বিভিন্ন ধৰণৰ ধৰ্মীয় তথা সামাজিক অনুষ্ঠানৰ লগত এওঁলোক ওতঃপ্ৰোত ভাবে জড়িত। মাটিৰ মালিকানাৰ উপৰিও এই সামন্তবাদী প্ৰভুবোৰে মহাজনী ব্যৱসায়, বেপাৰ-বানিজ্য, গ্ৰামাঞ্চলৰ পৰিবহন, দুই এটা শিল্প উদ্যোগৰ মালিকানাৰ যোগেদিও মুনাফাৰ পাহাৰ সাজি নগৰাঞ্চলৰ ডাঙৰ ডাঙৰ পুঁজিপতি, আমোলাবোৰৰ দৰেই এক অবিশ্বাস্য বিলাস-বহুল জীৱন-যাপন কৰে। 'লালুপ্ৰসাদ যাদৱ' 'কল্যান সিং', 'দেৱীলাল', 'নৰসিংহ ৰাও', 'চন্দ্ৰশেখৰ', ইত্যাদি ৰাজনৈতিক নেতাসকল এওঁলোকৰেই সৰ্বভাৰতীয় প্ৰতিনিধি।

অসমৰ গ্ৰামাঞ্চলৰ বিভিন্ন তথ্য পাতি বিশ্লেষণ কৰিলে দেখা যাব যে, অসমতো উৎপাদন ব্যৱস্থা হিছাপে ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে সামন্তবাদ নিশ্চিতভাবেই আছে। কেবল সামন্তবাদী শোষণৰ ৰূপ আৰু মাত্ৰাহে কিছু ভিন্ন। সামন্তবাদী উৎপাদনৰ প্ৰধান বৈশিষ্ট্যটো হ'ল উৎপাদনকাৰীয়ে প্ৰধান কৈ নিজৰ ব্যৱহাৰ বা ভোগ (Consumption) ৰ বাবেই উৎপাদন কৰে, বজাৰত বিক্ৰীৰ বাবে নকৰে।

তথ্য পাতিৰে প্ৰমাণ কৰিব পাৰি যে বনাঞ্চলকে ধৰি অসমৰ বেছি ভাগ মাটি গ্ৰামাঞ্চলৰ অল্প সংখ্যক সৰু ডাঙৰ জমিদাৰ মহাজন, দেশী-বিদেশী চাহবাগানৰ মালিক, সত্ৰ-দেৱালয় ইত্যাদি আৰু লগতে অসম চৰকাৰৰ মালিকানাধীন। উল্লেখযোগ্য যে অসম চৰকাৰেই হ'ল অসমৰ আটাইতকৈ ডাঙৰ জমিদাৰ। নহ'লেনো ১৯৪৭ চনৰো বহু আগৰে পৰাই উথাপিত হৈ অহা আমূল ভূমি-সংস্কাৰৰ দাবীটো স্বাধীনতাৰ '৫০' বছৰ পাৰ হৈ যোৱাৰ পিছতো আজিও ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে অসমতো কাৰ্য্যকৰী নোহোৱাকৈ থাকিব পাৰেনে?



ভাৰতীয় সমাজখনৰ সামগ্ৰিক প্ৰগতিৰ ক্ষেত্ৰত আটাইতকৈ বেছি প্ৰতিবন্ধকতাৰ সৃষ্টিকাৰী, প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ আটাইতকৈ শক্তিশালী দুৰ্গস্বৰূপ, বিদেশী সমাজবাদী শক্তিৰ মূল অভ্যন্তৰীণ সামাজিক ভিত্তি, এই সামন্তবাদী শোষক শ্ৰেণীটোৱেই হ'ল ভাৰতীয় জনগণৰ তথা অসমৰ জনগণৰ মূল শত্ৰু।

আমাৰ দেশত যিবোৰ বৃহৎ কল-কাৰখানা, শিল্প-উদ্যোগ, বেংক, বিত্তীয় অনুষ্ঠান ইত্যাদি আছে সেইবোৰৰ বেছি সংখ্যকৰে মালিকানা আৰু নিয়ন্ত্ৰণ আছে আমেৰিকা, ইংলেণ্ড, জাৰ্মান, জাপান, ৰাছিয়া, ফ্ৰান্স, ইটালী ইত্যাদি বিদেশী ৰাষ্ট্ৰৰ পুঁজিপতিসকলৰ হাতত। এই বিদেশী পুঁজি পতিসকলে ভাৰতৰ দৰে পিছপৰা আৰু সিহঁতৰ ওপৰত নিৰ্ভৰশীল বিভিন্ন দেশৰ জন গণকো বিভিন্ন উপায়েৰে শোষণ-শাসন কৰি আছে।

এই শোষণ প্ৰক্ৰিয়া ইহঁতে আগৰ দিনৰ দৰে প্ৰত্যক্ষভাবে নকৰে। সম্পূৰ্ণ নতুন কায়দাৰে জনসাধাৰণে সহজে বুজিব নোৱাৰা পৰোক্ষ পদ্ধতি, যেনে - বিদেশী ঋণ, সাহায্য, প্ৰত্যক্ষ বিনিয়োগ, পাৰ্টনাৰশ্বিপ, কাৰিকৰী সহযোগিতা, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰামৰ্শ, অস্ত্ৰ-শস্ত্ৰৰ যোগান, সামৰিক উপদেষ্টা নিয়োগ, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু সাংস্কৃতিক ক্ষেত্ৰৰ নিয়ন্ত্ৰণ ইত্যাদিৰ মাৰফৎ এই বিদেশী ঔপনিবেশিক শোষণকাৰীহঁতে আজি ভাৰতবৰ্ষৰ অৰ্থনীতিৰ প্ৰতিদাল শিৰা-উপশিৰা নিয়ন্ত্ৰণ কৰি আছে। এই বিদেশী পুঁজিপতি শোষণকাৰীহঁতক কোৱা হয় সাম্ৰাজ্যবাদী শক্তি। ভাৰতৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি থকা বিশ্বৰ কেইটামান অতি বৃহৎ কোম্পানী হ'ল - Exxon, General Motors, British Petroleum, Unilever, IBM, Gulf OIL, Philips, Hoechst, ENI, BENZ, Bayer, Nestle, ICI, British AmericanTobacco, Hitachi, Goodyear Tyre & Rubber, General Electric, JVG, Siemen's Mitsubishi, Deupont ইত্যাদি। গোটেই বিশ্বৰ অৰ্থনীতি আৰু ৰাজনীতি প্ৰধানকৈ এওঁলোকৰেই নিয়ণত। এই অতি বৃহৎ কোম্পানীবোৰৰ মালিকসকলেই তেওঁলোকৰ স্বাৰ্থত গঢ়ি তুলিছে বিশ্ববেংক, IMF, ADB আদি কেতবোৰ সুদখোৰ শোষণকাৰী বিত্তীয় সংস্থা। আনকি সামাজিক সাম্ৰাজ্যবাদী ৰাছিয়াইও ভাৰতৰ শাসক শ্ৰেণীটোৰ লগত হাত মিলাই আমাৰ দেশৰ, প্ৰধানকৈ ৰাজহুৱা খণ্ডৰ শিল্প-উদ্যোগসমূহৰ বেছি ভাগ তীখা, খাৰুৱাতেল, কয়লা তথা সামৰিক ক্ষেত্ৰত নিজৰ নিয়ন্ত্ৰণ কায়েম কৰি ভাৰতৰ জনগণক নিৰ্মমভাবে শোষণ কৰি আহিছে।

তৃতীয়তে আমাৰ দেশত টাটা-বিৰলা, আম্বানী, গোৱেঙ্কা, বাজাজ, ইত্যাদি কিছুসংখ্যক ডাঙৰ 'দেশী' পুঁজিপতি আছে যিবোৰে জনগণৰ তেজ শুহি বৃহৎ বৃহৎ কল-কাৰখানাৰ ব্যক্তিগত মালিক হ'ব পাৰিছে। এই টাটা-বিৰলাহঁতৰ জন্মৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে বৃটিছেই ইহঁতক তুলি তালি ডাঙৰ-দীঘল কৰিছিল। বৃটিছৰ দৰে আন সাম্ৰাজ্যবাদী দেশ যেনে-আমেৰিকা, জাৰ্মানী, ৰাছিয়া, ইটালী, জাপান, ফ্ৰান্স ইত্যাদিৰ শোষক পুঁজিপতি শ্ৰেণীটোৱেই ইহঁতক বৰ্ত্তমানো প্ৰতিদিন লালন-পালন কৰি আছে। বিদেশী পুঁজিবাদৰ হৈয়েই ইহঁতে সদায় উকালতি কৰি আহিছে।

বিদেশৰ পৰা অহা পুঁজিপতি, চহৰাঞ্চলৰ ডাঙৰ ডাঙৰ পুঁজিপতি আৰু গ্ৰামাঞ্চলৰ ডাঙৰ ডাঙৰ জমিদাৰ মহাজন এই তিনিওটা শোষক শ্ৰেণীৰ সামাজিক স্বাৰ্থ বৰ্ত্তমান যুগত একেই। এই তিনিওটা শোষক শ্ৰেণীৰ অশুভ

জোঁট টোৱেই আজি ভাৰতবৰ্ষৰ কোটি কোটি জনগণক শোষণ নিপীড়ণ কৰি আছে। এওঁলোকৰ শোষণৰ বলি হৈছে কোটি কোটি কৃষক, শ্ৰমিক, মধ্যবিত্ত, সাধাৰণ ৰাইজ আৰু লগতে থলুৱা ব্যৱসায়ী, সৰু সৰু শিল্পপতি সকল।

১৯৪৭ চনত বগা চাহাবৰ পৰা আনুষ্ঠানিক ক্ষমতা আহিল সাম্ৰাজ্যবাদৰ দালাল (Comprador) ক'লা চাহাবৰ হাতলৈ। স্বাধীনতাৰ নামত প্ৰত্যক্ষ সাম্ৰাজ্যবাদী শোষণ শাসনৰ ঠাইত প্ৰতিষ্ঠিত হ'ল সাম্ৰাজ্যবাদৰ পৰোক্ষ শাসন। ভাৰতবৰ্ষ ৰূপান্তৰিত হ'ল কেইবাটাও সাম্ৰাজ্যবাদী শক্তিৰ নিয়ন্ত্ৰণত থকা এখন অৰ্দ্ধ-উপনিৱেশলৈ (Semi colony)। অৰ্থাৎ ৰাজনৈতিকভাবে দেখাত ভাৰত স্বাধীন হ'ল কিন্তু অৰ্থনৈতিক আৰু কুটনৈতিক ক্ষেত্ৰ... আমাৰ দেশখন আগৰ দৰেই ঔপনিৱেশিক শোষণৰ জালত বান্ধ খায়েই থাকিল। ভাৰতৰ প্ৰতিজন সাধাৰণ মানুহৰ জীৱণ ৰাতিপুৱাৰ পৰা গধূলিলৈকে এতিয়াও এই বিদেশী ৰাষ্ট্ৰৰ কোম্পানীবোৰেই নিযন্ত্ৰণ কৰি আছে। এই কোম্পানীবোৰ আৰু তেওঁলোকৰ দালাল বোৰৰ প্ৰৰোণাত সৃষ্টি হোৱা GATT, Dunkel, পেটেন্ট আদি চুক্তি বোৰৰ ফলত আমাৰ অসম তথা ভাৰত দিনে দিনে দুখীয়া হৈ যাব লাগিছে। ইয়াৰে এটা সৰু উদাহৰণ দিওঁ 'DIGENE' টেবলেট কেইটা আমাৰ প্ৰায় সকলোৰে চিনাকি। আজি ছয়মাহ মান আগতে তাৰ দাম আছিল একোটাত দহ পইচা, বৰ্ত্তমান তেত্ৰিশ পইছা আৰু ২০০৫ চনত হবগৈ তিনিটকা, ত্ৰিশ পইচা। Steptone নামৰ টোপনিযোৱা ওষধ এটাৰ দাম যোৱা মাহত (JAN 98) আছিল তেৰ টকা পঞ্চাশ পইচা আৰু এই মাহৰ শেষত (FEB 98) হৈছে পোন্ধৰটকা দহ পইচা। GATT চুক্তিৰ পিছত সমগ্ৰভাৰতৰ লগতে অসমতো মধ্যবিত্তৰ সন্তান সকলৰ মাজত সৃষ্টিহোৱা এক নতুন সংস্কৃতি হৈছে 'Greetings Card' ৰ সংস্কৃতিক। 'ARCHIES', 'Coca Cola,' 'KIT-KAT' আদি সংস্কৃতি আমাৰ মধ্যবিত্ত সন্তান সকলৰ মাজত সুমোৱাই দিছে দূৰদৰ্শন আদি মাধ্য... বোৰে। ফলত আজি সমাজৰ বেছিভাগ যুবক-যুৱতীয়ে দহ টকাৰ গাখীৰ নাখায় খাব 'Kit-Kat', Coca Cola আদি। চল্লিশ-পঞ্চাশ টকা খৰচকৰি কোনেও নৱবৰ্ষৰ শুভেচ্ছাস্বৰূপে 'কিতাপ' উপহাৰ নিদিয়ে দিয়ে 'ARCHIES' ৰ কাৰ্ড, যিটো বস্তু একো কামত নাহে। ফলত লাভ হয় আমেৰিকাৰ কোম্পানীৰ। ফলত দেখাযায় যে আ... মূল্যবোধ আৰু চিন্তধাৰাত্ত বৈদেশীক কোম্পানীবোৰৰ ইচ্ছানুসাৰে চলিত। পুৱা শুই উঠিয়েই আমি অসমৰ মানুহবোৰেও জুই জ্বলাবলৈ ব্যৱহাৰ কৰা দিয়াচলাই বাকচবোৰ Wimco নামৰ চুইডেনৰ এটা কোম্পানীৰ, দাঁত মাজিবলৈ ব্যৱহাৰ কৰা Colgate, Forhans, Close-up, Binaca, Cibaca আদিৰ মালিক ক্ৰমে আমেৰিকা, ইংলেণ্ড, আৰু চুইজাৰলেণ্ডৰ। ষ্টোভত ব্যৱহাৰ কৰা কেৰাচিন বা গেচ চিলিণ্ডাৰৰ মালিক OIL, IOC, ONGC ক এতিয়াও নিয়ন্ত্ৰণ কৰে বৃটেইন আৰু ৰাছিয়াই। বৰ্তমান আমেৰিকাও সোমাইছে। চাহ অসমতে উৎপন্ন হয়, অসমৰ মানুহেই উৎপন্ন কৰে। কিন্তু বিড়ম্বনা এয়ে যে বৃটিছক খেদাৰ পঞ্চাছ বছৰ পাছতো অসমৰ চাহৰ ৮৫% ভাগ... মালিকানা আৰু নিয়ন্ত্ৰণ সুদুৰ লণ্ডনৰ মেক্লিন, মেগৰ, লিপ্টন, ব্ৰুকবণ্ড গুডৰিক, ইত্যাদি বৃটিছ কোম্পানীৰ হাত... বৰ্তমান উইলিয়ামছন এণ্ড মেগৰ কোম্পানীৰ ৫০% অংশ টাটাক বিক্ৰি কৰিছে। 'Amul' দেখাত ভাৰতীয় যদিও ইয়াৰ ৫০% অংশ ইংলণ্ডৰ। এইটো এটা মাছৰ তেলেৰে মাছ ভজা প্ৰক্ৰিয়া। সেইদৰে Horlicks, Lactogen, Milk Maid, Everyday, Ferex, Cerelac ইত্যাদি গাখীৰ আৰু বেবী ফুদৰ কোম্পানীবোৰৰ মালিক চুইজাৰলেণ্ড,



আমেৰিকা আৰু ইংলেণ্ড। আনকি Thin Arrowroot, Milk Bikis, Snax, Nice আদি অতি সাধাৰণ বিস্কুটবোৰো বৃটিছ- ফ্ৰান্সৰ মালিকানাধীন Britannia Industries Ltd. নামৰ কোম্পানীটোৱে সম্পূৰ্ণ ভাৰতীয় কেঁচা সামগ্ৰী, ভাৰতীয় শ্ৰমিকৰ সহায়ত ভাৰততে তৈয়াৰী কৰি ভাৰতৰে বজাৰত বিক্ৰী কৰে। ফলত প্ৰতিদিন কোটি কোটি টকা অসমৰ পৰা ভাৰতৰ পৰা, গৈ আছে সুদুৰ লণ্ডন আৰু পেৰিচলৈ।

কাপোৰত দিয়া নীল, হাত-ভৰি কাটিলে ব্যৱহাৰ কৰা Dettol, Burnol ইত্যাদিকে ধৰি বজাৰত পোৱা ৯৯% ঔষধৰ পৰা প্ৰতিদিনে উচ্চ হাৰত (৩০০% - ৪০০০% পৰ্যন্ত) লাভ লুটি নি আছে Hoechst, Pfizer, আদি জাৰ্মান, চুইজাৰলেণ্ড ইংলেণ্ড, আমেৰিকাৰ লুন্ঠনকাৰী বহুজাতিক কোম্পানীয়ে। 'ভূতৰ ওপৰত দানৱ' ৰূপী Gatt আৰু Dunkel; চুক্তিৰ পিছত এই বোৰৰ লুণ্ঠনৰ পৰিমাণ দিনক দিনে বাঢ়িহে গৈছে। উদাহৰণ স্বৰূপে এই চুক্তিত স্বাক্ষৰ কৰাৰ আগতে কানাডা আৰু চুইজাৰলেণ্ডৰ জোতা কোম্পানী BATA ৰ Power জোতাৰ দাম আছিত চাৰিশ টকা আৰু বৰ্তমান সাতশ টকা। আমি ভাবো TATA গাড়ীৰ মালিক টাটা; আচলতে নহয়। এই কোম্পানীটো TATAৰ নামত হে আছে। নিয়ন্ত্ৰণ কৰে ইংলেণ্ড আমেৰিকা আৰু জাৰ্মানীয়ে। অসমৰ বজাৰত পোৱা বেছিভাগ চিগাৰেটৰ মালিক ITC (Indian Tobacco Co) নামৰ কোম্পানী এটা। নামটোহে Indian, মালিক হ'ল ইংলণ্ড আৰু আমেৰিকা (৫০: ৫০শ্বেয়াৰত)।

লিষ্টখন বঢ়াই গ'লে শেষেই নহ'ব, কৈ থাকিলে ওৰকে নপৰে। মুঠতে আলপিনটোৰ পৰা এৰু'প্লেনলৈকে ভাৰতৰ প্ৰায় সকলোবোৰ শিল্প সামগ্ৰী কল-কাৰখানাৰ নিয়ন্ত্ৰণ স্বাধীনতাৰ স্বৰ্ণজয়ন্তীবৰ্ষতো বিদেশী সাম্ৰাজ্যবাদী কোম্পানীৰ হাততেই আছে। মনত ৰাখিব 'Made in India' লিখা থাকিলেই ভাৰতীয় মালিকানাধীন নুবুজায় বা ভাৰতত তৈয়াৰ কৰাও নুসুচায়। 'Made in India' লিখি থোৱা ভাৰতৰ বা অসমৰ বজাৰত পোৱা বেচি ভাগ শিল্পজাত সামগ্ৰীৰ মূল অংশবোৰ বা বিভিন্ন সৰু সুৰা অংশবোৰো (Parts) বিদেশত তৈয়াৰ কৰি ভাৰতলৈ আনি কেৱল লগ লগোৱা (Assamble) হয় আৰু কৰ -কাটলৰ পৰা ৰেহাই পাবলৈ 'Made in India' বুলি লেবেল লগাই জনসাধাৰণৰ চকুত ধূলি মাৰি ভাৰতীয় বুলি বজাৰত বিক্ৰী কৰা হয়। এই কথা আমাৰ ডাঙৰ ডাঙৰ তথাকথিত অৰ্থনীতিবিদ বা বুদ্ধিজীৱীসকলেও নাজানে বা জানিবলৈ ইচ্ছা নকৰে। জনাসকলেও নিজৰ সংকীৰ্ণ স্বাৰ্থত নজনাৰ ভাও ধৰে।

আপুনি কল্পনা কৰকচোন প্ৰতিদিন অকল অসমৰ ইমুৰৰ পৰা সিমূৰলৈ থকা সৰু ডাঙৰ সকলোবোৰ দোকানত পুৱাৰ পৰা ৰাতিলৈকে কিমান বস্তু বিক্ৰী হৈ আছে। আৰু গোটেই ভাৰতত হিছাপ কৰিলে? কল্পনা কৰকচোন এদিনত কিমান বিক্ৰী হয়! এমাহত?? এবছৰত??? বৃটিছ অহাৰপৰা আজি কোপতি ২০০-৩০০ বছৰত কিমান বিদেশী কোম্পানীৰ বস্তু আমি কিনিছো!! আমাৰ পৰা কিমান লাভ বিদেশী কোম্পানীয়ে বিদেশলৈ নিয়েই আছে! আমি দুখীয়া নহৈ কোন দুখীয়া হ'ব? পশ্চিমীয়া দেশবোৰ কেনেকৈ ধনী হৈছে গম পালেনে?

বিদেশী সাম্ৰাজ্যবাদী শক্তিৰ ওপৰত আমি ইমানেই নিৰ্লজ্জৰ দৰে নিৰ্ভৰশীল যে অসমৰ গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ,নগাওঁ, যোৰহাট কোকৰাঝাৰ ইত্যাদি চহৰৰ ৰাস্তা-ঘাট নলা-নৰ্দমা নিৰ্মাণৰ লগতে গ্ৰামাঞ্চলৰ

পানীযোগান আঁচনিৰ বাবেও অন্যান্য ৰাজ্যৰ দৰে অসম চৰকাৰেও বিশ্ববেংকৰ পৰাহে উচ্চ সুতত টকা ধাৰ লৈ থাকে। উল্লেখযোগ্য যে বিশ্ববেংক নিয়ন্ত্ৰণ কৰে প্ৰধানকৈ আমেৰিকাই।

ভাৰতবৰ্ষৰ দালাল শাসকবৰ্গৰ সুবিধাবাদী, আত্মসমৰ্পণবাদী নীতিৰ ফলতেই আমাৰ দেশখনৰ বছৰেকীয়া বাজেট বা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ নীতিসমূহো বিশ্ববেংকৰ দৰে সাম্ৰাজ্যবাদী সংস্থাৰ নিৰ্দ্দেশতহে প্ৰস্তুত হয়। আমাৰ দেশৰ শিক্ষানীতি, সমাজনীতি, সাংস্কৃতিক নীতি, বৈদেশিক নীতি ইত্যাদিও নিৰ্দ্ধাৰণ কৰা হয় নিউইয়ৰ্ক, লণ্ডন, মস্কোতহে। আজি আমি সমগ্ৰ ভাৰতবৰ্ষৰেই জনগণ পৰাধীনতাৰ গ্লানি লৈ হে জীয়াই আছোঁ।

যিখন দেশত গণতন্ত্ৰৰ নামত স্বৈৰতন্ত্ৰ চলে, স্বাধীনতাৰ চাইনব'ৰ্ডৰ আঁৰত চলে দেশ বিক্ৰীৰ চোৰাং বজাৰ তেনে দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা আৰু স্বাধীনতা অৰ্জনৰ সংগ্ৰাম যুগপৎ চলিব লাগিব।

কিন্তু শত্ৰু-মিত্ৰ চিনি নোপোৱাৰ ফলত আজি অসমৰ জনগণ বিভক্ত হৈ আছে। শাসক শ্ৰেণীয়ে চল-চক্ৰান্ত কৰি জনগণৰ মাজৰ অশত্ৰুতামূলক দ্বন্দক শত্ৰুতামূলক দ্বন্দলৈ পৰিণত কৰি জনগণৰ একাংশক আনৰ বিৰুদ্ধে উচটাই দি ইমানদিনে আমাৰ সকলোৰে ওপৰত চলাই থাকিব পাৰিছে স্বৈৰতান্ত্ৰিক আৰু ঔপনিবেশিক শোষণ-শাসন ব্যৱস্থা। আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰা এটা জাতিয়ে যেতিয়া আন জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্বীকৃতি দিবলৈ টান পায়, নিজৰ ভাষাক ভাল পোৱা এচামে যেতিয়া আনৰ ভাষাৰ মৰ্য্যদা নিবিচাৰে, ধৰ্মীয় গোড়ামীত অন্ধ হৈ যেতিয়া এচামে আনৰ ধৰ্মীয় অধিকাৰক ভৰিৰে মোহাৰিব খোজে, বঞ্চিত-নিপীড়িত, সামাজিকভাৱে পিছপৰি থকা জনগোষ্ঠীসমূহৰ সংগ্ৰামক যেতিয়া অগ্ৰসৰ জনগোষ্ঠীয়ে সমৰ্থন নকৰে তেতিয়া জনগণক বিভক্ত কৰিবলৈ শাসক শ্ৰেণীয়ে সুবিধা পাবই। শাসক শ্ৰেণীক এনে সুবিধা আমিয়েই দিয়া নাই নে? নিজৰ ভাইৰ বিৰুদ্ধেই অস্ত্ৰ তুলি লোৱা নাইনে? মুখত গণতন্ত্ৰৰ কথাকৈ পিছমুহূৰ্ত্ত আমি আনৰ গণতন্ত্ৰক কাঢ়ি আনিবলৈ উদ্যত নহওঁনে?

কিন্তু অসমৰ জনগণ ঐক্যবদ্ধ হ'লে সঠিক পথেৰে অগ্ৰসৰ হ'লে পৃথিৱীত এনে শক্তি নোলাব যি আমাৰ অনিৰুদ্ধ গতিক বাধা দিব পাৰে। ইয়াৰ বাবে লাগে স্বদেশ আৰু স্বজাতিৰ প্ৰতি অকৃত্ৰিম প্ৰেম। দেশৰ সীমাৰক্ষাৰ বাবে প্ৰাণ দিয়াটোৱেই কেৱল দেশ প্ৰেম নহয়। নিজ কৰ্তব্য সততা আৰু নিষ্ঠাৰে তথা সুকলমে পালন কৰাকো দেশ প্ৰেম বোলে। নিজৰ লগতে আনৰো বৌদ্ধিক মূল্য বৃদ্ধি কৰাটোও এটা স্বদেশ প্ৰেম। শিক্ষকে নিয়মিত পাঠদান কৰা, ঠিকাদাৰে মজবুত দলং নিৰ্মান কৰা, মাজৰাতি ৰোগী চাবলৈ দুৰ ঠাইলৈ যোৱাটোও ডাক্তৰ সকলৰ বাবে একোটা দেশপ্ৰেমৰ নিদৰ্শন। আজি জাপানৰ দৰে সৰু দেশ এখনে কিদৰে ইমান উন্নতি কৰিছে? কেৱল এই স্বদেশ প্ৰেমৰ বলত। স্বদেশ প্ৰেমৰ প্ৰকৃত মূল্যবোধ জগাইতোলে উচিত শিক্ষা আৰু কৰ্ত্তব্যৰ জ্ঞানে আমাৰ দেশৰ সকলো সমস্যাৰ মূল হৈছে শিক্ষা আৰু জ্ঞানৰ অভাৱ। জ্ঞানৰ পোহৰ নোপোৱা লোক কেতিয়াও আত্ম সচেতন হব নোৱাৰে। ফলত দিনক দিনে তেওঁলোক শোষণৰ বলি হৈ গৈ থাকে। দেশবাসীক জ্ঞান আৰু শিক্ষাৰ পোহৰ প্ৰদান কৰি আত্মসচেত নতা গঢ়িতোলাটো এটা বৃহৎ আৰু দীৰ্ঘম্যাদী পৰিকল্পনা হব। ইয়াৰ বাট বৰ কঠিন হব। কাৰণ এই কাৰ্য্যত প্ৰতক্ষ্য আৰু পৰোক্ষ দুইধৰণৰ বাধাৰ সৃষ্টি হব। এই বাধা বোৰৰ অধিকাংশ উক্ত বহু জাতিক কোম্পানী



বোৰৰ পৰাই আহিব। এইটো হাতত লবলৈ দৃঢ়তা, ধৈৰ্য্য, সাহস আৰু সাৱধানতাৰ প্ৰয়োজন বৰ বেছি। পঢ়াশালিৰ পাঠ্য পুথিৰ জ্ঞান থকা লোকক জ্ঞানী বোলা নহয়। নৈতিক জ্ঞানহে প্ৰকৃত জ্ঞান। এই জ্ঞান আহৰণ কৰাও কঠিন। ইয়াৰ বাবে মানুহে প্ৰথমে মনক নিয়ন্ত্ৰণ কৰি লোভ সম্বৰণ কৰিব পাৰিব লাগিব।

আমাৰ দেশৰ অৰ্থনীতি আৰু সংস্কৃতিৰ নিয়ন্ত্ৰন দেশবাসীৰ হাতলৈ আনিবৰ বাবে এই ধৰণৰ একোটা বৃহৎ পৰিকল্পনাৰ অতীব প্ৰয়োজন। এই প্ৰসংগত কেৰেলাৰ 'শাস্ত্ৰ সাহিত্য পৰিষদ'লৈ আঙুলিয়াব পাৰি।

নৈতিক জ্ঞানৰ লগতে স্বদেশী বস্তুৰ প্ৰচলন তথা ব্যাপক ব্যৱহাৰত গুৰুত্ব দিয়া প্ৰয়োজন। আমি সকলোৱে অন্ততঃ পৰা খিনি-বিদেশী বস্তুৰ ব্যৱহাৰ, যিবোৰৰ কোনো প্ৰয়োজন নাই বা ব্যৱহাৰ নকৰিলেও কোনো ক্ষতি নহয়, কমাব পাৰো নিশ্চয়? ইয়াৰ বাবে এক জনজাগৰণৰ প্ৰয়োজন।

নেপোলিয়নে কৈছিল যে তেওঁৰ অভিধানত 'অসম্ভৱ' শব্দটো নাই। দৃঢ়তা আৰু আত্মসংযমেৰে এই কাম আমি সকলোৱে প্ৰথমে নিজৰ পৰা আৰম্ভ কৰি, প্ৰথমে নিজ পৰিয়াল আৰু তাৰ পৰা লাহে লাহে নিজ নিজ সমাজলৈ বিয়পাই দিব পাৰো।

*তথ্য সূত্ৰ ঃ*


1. Reserve Bank of India : Report on Currency and Finance
2. Govt. Of India, Economic Survey.
3. Directory Of Foreign Collaboration In India Govt.


❑❑



# বিগ ব্যাং আৰু পৃথিৱীৰ বয়স

ডঃ আশুতোষ ভট্টাচাৰ্য্য,
গনিত বিভাগ

এটা সময় আছিল যেতিয়া বিশ্ব বুলিলে মানুহে সৌৰমণ্ডলকেই বুজিছিল। সচাঁকৈ কবলৈ গলে যেতিয়াৰ পৰা বিশ্বসমন্ধে মানুহৰ ধ্যান ধাৰনা আৰম্ভ হল, সেই সময়ৰ পৰা আজিলৈকে বিশ্বৰ সৃষ্টি সমন্ধে বহুতো মত আগবঢ়োৱা হৈছে, কিন্তু আজিলৈকে কোনো এটা তত্বও নিৰ্ভুল বুলি বিজ্ঞানী সকলে মানি লব পৰা নাই। এনেকি, শেহতীয়া যি বিগ ব্যাং তত্ব নিৰ্ভুল বুলি এটা সময়ত ধাৱনা কৰা হৈছিল। সেই তত্ব সমন্ধে ও এতিয়া বিজ্ঞানী মহলত সন্দেহ দেখা দিছে।

১৪০ খ্ৰীষ্টাব্দতে পোন প্ৰথমে বিশ্ব সমন্ধে মানুহৰ ধ্যান ধাৰনা আৰম্ভ হয়। গ্ৰীক মিচৰীয় জ্যোতি বিৰ্জ্ঞানী টলেমি এইটো মত আগবঢ়ায় যে পৃথিৱী হল সৌৰমণ্ডলৰ কেন্দ্ৰ আৰু সূৰ্য্য আদি আন গ্ৰহবোৰ পৃথিৱীৰ চাৰিওপিনে ঘুৰি আছে। বহুদিনলৈকে এই মতটো চলি আছিল।

১৫৪৩ চনত পোলিচ জ্যোতি বিৰ্জ্ঞানী কোপৰ নিকাছে এই মত দিলে যে পৃথিৱী নহয়, সূৰ্য্য হল সৌৰমণ্ডলৰ কেন্দ্ৰ আৰু পৃথিৱী আদি আন গ্ৰহবোৰ সূৰ্য্যৰ চাৰিও পিনে ঘুৰি আছে। কোপাৰ নিকাছৰ মতে ও সৌৰমণ্ডলহে আছিল। বিশ্ব এনে ধাৰনাত আৰু তিনি শকতমান পাৰ হল।

১৮০৫ চনত বৃটিছ বিজ্ঞানী হাচিল প্ৰথম মত আগবঢ়ালে যে সৌৰমণ্ডলেই বিশ্ব নহয়। গোটেই বিশ্বৰ মাথোন এটা অংশ হল আমাৰ সৌৰমণ্ডল। ছায়াপথৰ চাৰিওপিনে অৱস্থান কৰা লক্ষ্য লক্ষ্য তৰা লৈ গঠিত তাৰকা ৰাজ্যৰ এট অংশ হ'ল সৌৰমণ্ডল। বিশ্ব সমন্ধে আমাৰ ধাৰণা ইয়াতে সীমাবদ্ধ আছিল।

১৯২৫ চনত আমেৰিকান জ্যোতিবিজ্ঞানি হাবলে প্ৰকাশ কৰে যে বিশ্বত ছায়াপথৰ নিচিনা galaxy অকল এটা নহয়, কেইবাটাও আছে, আৰু এই galaxy বোৰ পৰস্পৰৰ পৰা বেগত আঁতৰি গৈ আছে। এই টোই হল বিশ্বৰ সৃষ্টি সমন্ধে অত্যাধুনিক মতবাদ।

ধাৰনা কৰা হৈছে যে এই বিশ্বখন এটা সময়ত বৰ ঘনীভূৰ্ত আছিল। যদি হাবলেৰ মতে বিশ্বখন ক্ৰমেই বাঢ়ি গৈ আছে, তেন্তে নিশ্চয় এটা সময়ত বিশ্বখন সংকোচিত অৱস্থাত আছিল। সংকোচিত অৱস্থাৰ অৰ্থ হল ইয়াৰ ঘনত্ব আছিল বৰ বেছি। ঘনত্ব কিমান আছিল, সেই তথ্যটো জানিবৰ কোনো উপায় আমাৰ হাতত নাই। তথাপি ধাৰণা কৰা হৈছে যে সেই সময়ত বিশ্বৰ ঘনত্বক নিউক্লিয়াৰ পদাৰ্থৰ ঘনত্বৰ সৈতে তুলনা কৰিব পাৰি। তেতিয়া বিশ্বৰ ঘন ছেমিঃ আয়তন পদাৰ্থৰ ওজন আছিল কেইবা হেজাৰ লক্ষ্য টন। এটা বিস্ফোৰণৰ পিছত বিশ্বখন বিস্তৃত হব আৰম্ভ কৰে। এই বিস্ফোৰণ টোকেই Big Bang বুলি কোৱা হয়। এই বিস্ফোৰণৰ ফলত ঘনীভূত গোলকাৰ যি বোৰ টুকুৰা বাহিৰলৈ এলাই আহিল, সেয়েই হল আমাৰ গ্ৰহ উপগ্ৰহ বোৰ। এই Big Bang তত্বৰ সৈতে জ্যোতিবিজ্ঞানী জৰ্জ গেমোৰ নাম জড়িত হৈ আছে।

বিশ্ব সৃষ্টি সমন্ধে আৰু এটা মতবাদ ও প্ৰচলিত আছে। সেইটো হল ফ্ৰেড় হয়েল, হাৰমল বন্তি আৰু থমাছ গোল্ডৰ steady state theory ১৯৪৮ চনত তেওঁলোকে এই সূত্ৰটো আগবঢ়ায়। এই তত্বমতে বৰ্ত্তমান বিশ্বখন আগৰ দৰেই আছে। কোনো এটা বিস্ফোৰণৰ ফলত যে ইয়াৰ উৎপতি হৈছে এনে নহয়।

যি নহওক Big Bang তত্বটো সকলো বিজ্ঞানীয়ে একমত হৈ মানি লৈছিল। কিন্ত সম্প্ৰতি এই তত্ব সম্বন্ধে বিজ্ঞানী মহলত সন্দেহ দেখা দিয়ে। সন্দেহ যদি সঁচা হয়, তেন্তে অকল বিস্বৰ জন্ম ইতিহাসেই নহয়, তাৰ বয়সটোৰ ও ও পৰিবৰ্তন হব।

প্ৰশ্ন হব পাৰে এই সন্দেহৰ কাৰণ কি ? সন্দেহৰ কাৰণ হৈছে হাবল টেলিস্কোপদি পঠোৱা তথ্যাদি। এই হাবল টেলিস্কোপৰ হল মহাকাশত স্থাপন কৰা অতি আধুনিক এবিধ টেলিস্কোপ। প্ৰায় আঢ়েশ কোটী ডালৰ ব্যয়ৰে। নিমিত এই টেলিস্কোপটো বেয়া গৈছিল। ১৯৯৩ চনৰ শেষ জগত এ'দল বিজ্ঞানীয়ে প্ৰায় এ'শ কোটী জলাৰখৰচ কৰি মহাকাশত গৈ টেলীস্কোপটো ডাল কৰি আহিছিল। মহাশুন্যৰ মাল মন্দিৰৰ পৰা হাবল টেলিস্কোকটো মহাকালৰ বহু নজনা তথ্য ছবিৰ সৈতে পৃথিবীলৈ পঠাই আহিছে। এই অয্য খিনি অধ্যয়ন কৰি বিজ্ঞানী সকলে জানিব পৰিছে কেইবাশ সৌৰ মণ্ডলৰ খবৰ। আৰু galaxy ও গতিমূলত থকা Black hole ৰ অস্তিত্ব। এই হাবল টেলিস্কোপেদি যি খিনি অয্য ইতিমধ্য পৃথিবিলৈ পঠাইছে তাক বিশ্লেষণ কৰি বিজ্ঞানী সকলে দেখিছে যে বিশ্বৰ বয়স যিমান বুলি ধাৰণা কৰা হৈছিল, আছলতে সিমান নহয়। আৰু কম। আৰু বিজ্ঞানী সকলে যি ধাৰণা কৰি আহিছিল যে এটা বিস্ফোৰণৰ ফলত বিশ্বৰ সৃষ্টি হৈছে। দৰা চলতে সেইটো নহবও পাৰে। অয্যা বিস্ফোৰণ এটা নহয়, কোইবাটাত হব পাৰে। কথাটো আৰু ঠিৰাং জহব আলোচনা যাওক।

১৯১৬ চনত বিজ্ঞানী আইনষ্টানে যেতিয়া তেওঁৰ আপেক্ষিকতাবাদৰ সধাৰণ সূত্ৰটো প্ৰকাশ কৰে, তেতিয়া তেওঁ এটা গণিতিক সূত্ৰলৈ চাই বৰ আচৰিত হয়। গণিতিক সুত্ৰটোৰ মতে বিশ্ব সম্প্ৰসাৰণশীল, কিন্ত তেতিয়ালৈকে বিশ্বৰ সম্প্ৰসাৰণশীলতা আছিল মানুহৰ অজ্ঞাত। আইনষ্টাইনে জ্যোতিবিদ সকলৰ মতামত বিচাৰিলে, কিন্ত তেওঁলোকে কলে যে কোনো এটা নক্ষত্ৰ বা তৰা যুটীয়া যুটীয়া ভাৱে সম্প্ৰসাৰণশীল হলেও গোষ্ঠীবদ্ধ ভাবে সম্প্ৰসাৰণ হব নোৱাৰে। তেওঁলোকৰ মতামত শুনি আইনষ্টাইনে তেওঁৰ সূত্ৰটো অলপ পৰিবৰ্ত্তন কৰিলে তেওঁ ধৰি ললে যে বিশ্বৰ মুঠ আয়তন ধ্ৰুবক। পৰ্য্যবেক্ষন যেন আপেক্ষিকতা মানি চলে সেইবাবে তেওঁ গ্ৰীক আখৰ লেমডা আনিলে। ইয়াকে কোৱা হয় মহাজাগতিক ধ্ৰুবক।

১৯১৭ চনত আইনষ্টাইন যেতিয়া তেওঁৰ আপেক্ষিকতাবাদ প্ৰকাশ কৰিলে, ঠিক এই সময়ত ডেছঠো ষ্লিফাৰ নামৰ এজন আমেৰিকান জ্যোতি বিজ্ঞানী আৰিজোনাৰ মান মন্দিৰত টেলিস্কোপদি ঘুৰণীয়া (spiral) নক্ষন পুঞ্জৰ তৰাবোৰ আবিতন বেগ জুখি আছিল। তেওঁৰ guide আছিল পাৰছিভাল লাওয়েন, যিজন বিজ্ঞানীয়ে পোন প্ৰথমে মঙ্গল গ্ৰহৰ বুকুত নলা আবিষ্কাৰ কৰিছিল। ষ্লিফাৰে বৰ আচৰিত বস্ত এটা লক্ষ্য কৰিলে। তেওঁ দেখিলে যে ঘুৰনীয়া নক্ষত্ৰ পুঞ্জৰ একোটাকৈ তৰা যেন এটা নিয়ম অনুসৰি পৰস্পৰৰ পৰা দুৰলৈ গৈ আছে। ইয়াৰ কাৰণ হিছাবে তেওঁ উল্লেখ কৰিব পাৰিলেহেতেঁন বিশ্বৰ সম্প্ৰসাৰণশীলতা। যিহেতু আপেক্ষিকতা বিষয়ে তেওঁৰ একো জ্ঞান নাছিল,



গতিকে তৰা বোৰৰ Red shiff বা ৰঙা সৰণৰ বাহিৰে তেওঁ একো সিদ্ধান্ত লৈ আহিব নোৱাৰিলে।

এই Red shiff বা ৰঙা সৰণক Doppler effect ও কব পাৰি। অষ্ট্ৰিটয়াৰ বিজ্ঞানী ক্ৰিচিয়ান জাহান ডপলাৰে ইয়াক প্ৰথমে শব্দ তৰংগৰ ক্ষেনত বাখ্যা কৰিছিল। এখন ট্ৰেন যেতিয়া দূৰৰ পৰা ওচৰলৈ আহে তাৰ হুইচেলৰ শব্দটো ক্ৰমে ডাঙৰ হব ধৰে আৰু যেতিয়া ট্ৰেনখন পাৰ হৈ দূৰলৈ গুচি যায়, শ্বদৰ কম্পনাংক ত্ত লাহে লাহে কমি আহে। পোহৰ ক্ষেত্ৰত ও এনে হব পাৰে। দূৰৰ উৎসৰৰ পৰা অহা পোহৰৰ কম্পনাংক কমি যায় আৰু ওচৰলৈ অহা উৎসৰ তৰংগৰ কম্পনাংক বাঢ়ি যায়। কম্পনাংক কমি গলে, তৰংগ দৈয্য বাঢ়িব আৰু কম্পনাকে বাঢ়িলে তৰংগদৰ্ঘ্যে কমিব। গতিকে কোনো তৰাৰ পৰা অহা পোহৰৰ বৰ্ণনা পৰ্য্যবেক্ষণ কৰি ধৰিব পাৰি তৰাটো ওচৰৰ নে দূৰৰ। যদি দূৰৰ হয় তেন্তে তাৰ পোহৰৰ বৰ্ণলী ৰঙা পোহৰৰ ওচৰ চাপিব। এই Red shiff ৰ যোগেদি তৰা বোৰৰ দূৰত্ব, আৰ্বতন বেগ আদি উলিওৱাৰ ক্ষেত্ৰত যি জন জ্যোতি বিজ্ঞানীৰ নাম অমৰ হৈ থাকিব তেওঁ হল এডুইল পাওয়েন হাবল। গ্যালিলিওৰ সৈতে তেওঁক তুলনা কৰিব পাৰি। বিজ্ঞানী হাবল এ প্ৰমান কৰিছে যে আমাৰ ছায়াপথ - যাৰ নাম Milky way ইয়াৰ দৰে আৰু অসংখ্য galaxy মহাবিশ্বত আছে। হাবলৰ আটাইতকৈ লেখনীয় অৱদান হল বিশ্বৰ প্ৰসাৰণশীলতাৰ আবিষ্কাৰ। মহাবিশ্বষে স্থিৰ নহয়, ক্ৰমশঃ বিস্তাৰ হৈ গৈ আছে এই কথাটো তেওঁয়েই প্ৰথমে প্ৰমান কৰে।

১৯২৯ চনত তেওঁ প্ৰকাশ কৰে এটা সূত্ৰ হাবল সূত্ৰ তাত তেওঁ উল্লেখ কৰিলে যে দূৰবৰ্তী galaxy বোৰৰ গণিতৰ ভাষাত V=Hd য'ত v হল পলায়ন হেগ, d হব দূৰত্ব আৰু H হল হাবল ধ্ৰুবক।

হাবলৰ সূত্ৰটো চাই এটা কথা মনত আহে যে এই মহাবিশ্বখনি যেন এটা বেলুন। বেলুনৰ দৰেই যেন ফুলি আছে। সঁচাকৈ যদি এনে হয় তেন্তে যি মুহূৰ্ততে বিশ্ব প্ৰসাৰিত হব, আৰম্ভ কৰিলে সেইটোৱেই মহাবিস্ফোৰণ বা Bag Bang ৰ আৰম্ভনিৰ মুহূৰ্ত্ব।

এই খিনিতে পৃথিবীৰ বয়স সমন্ধে আলোচনা কৰাৰ আগতে তাৰ জন্ম সমন্ধে অকনমান আলোচনা কৰো। Big Bang ৰ ফলত যেতিয়া গ্ৰহ উপগ্ৰহ আৰু তৰাবোৰৰ উৎপতি হল, তেনে মুহূৰ্ত্বত এটা অতিকায় তৰাৰ আকৰ্ষণৰ প্ৰভাবত সূৰ্য্যৰ পৰা পৃথিবীৰ উৎপত্তি হল। গতিকে আদিতে পৃথিবীৰ আভ্যন্তৰীণ অৱস্থাত ও সূৰ্য্যৰ নিচিনা একেই আছিল। অৰ্থ্যাৎ আৰম্ভনিতে পৃথিবী গেচিয় অৱস্থাত আছিল। বিকিৰণ আৰু এমবিপ্ৰসাৰণৰ ফলত পৃথিবী ক্ৰমে ঠাণ্ডা হৈছে, আৰু গেচীয়। পৃথিবীৰ পৰা তৰল পৃথিবীলৈ ৰূপান্তৰিত হৈছে। এই সময়তেই পৃথিবীৰ পৰা উৎপতি হৈছে চন্দ্ৰৰ। পৃথিবীৰ বয়স নিদ্ধাৰণৰ কেইবাটাও পদ্ধতি আছে। এটা হ'ল পৃথিবী তপত অৱস্থাৰ পৰা বৰ্তমান অৱস্থালৈ আহোতে যি সময় লাগিল তাৰ হিচাপ। পৃথিবী যেতিয়া শীতল হবৰ আৰম্ভ কৰে তেতিয়া তাৰ ওপৰিভাগ টান হবৰ আৰম্ভ কৰিলেও কিছু অংষ জুলীয়া থাকি সাগৰ মহাসাগৰৰ উৎপতি হয়। বৰষুণ আৰু নৈৰ পানীয়েদি বৈ যোৱা পৃথিবীৰ ওপৰিভাগৰ পৰা খনিজ পদাৰ্থ আহি জমা হল সাগৰত। গতিকে ইয়াৰ পানী লুনীয়া হব আৰম্ভ কৰে। আমি যদি বাৰ্ষিক এনে খনিজ পদাৰ্থ ও নিমখ জমা হোৱাৰ পৰিমাণ উলিয়াৰ পাৰো তেন্তে পৃথিবীৰ বয়সৰ এটা হিচাপ উলিয়াব পাৰিম। হিচাপ কৰি দেখা গৈছে যে এনে প্ৰক্ৰিয়াত পৃথিবীৰ বয়স প্ৰায়

৩০০০ লক্ষ বছৰ হয়গৈ। কিন্তু এই খিনিতে উল্লেখ কৰিব পাৰি যে বয়স নিৰ্দ্ধাৰণত এই প্ৰক্ৰিয়া নিৰ্ভুল নহয়। কাৰণ নিমখ জমা হোৱাৰ হাৰ সাল সলনি হব পাৰে।

আন এটা পদ্ধতি হল কেলভিনৰ পদ্ধতি। পৃথিবীৰ ওপৰিভাগ যেতিয়া টান হব আৰম্ভ কৰিলে কেলভিনে সেই সময়ৰ পৰা পৃথিবীৰ আভ্যন্তৰীণ ভাগৰ তাৰতম্যৰ হিচাপ উলিয়াই। পৃথিবীৰ আভ্যন্তৰীণ ভাগৰ দূৰত্ব অনুসৰি তেওঁ তাপৰ তাৰতম্য গননা কৰিব আৰম্ভ কৰে। তেওঁৰ এই তথ্য অনুসৰি পৃথিবীৰ বয়সৰ আনুমানিক হিচাপ হল ২৯০ ৰ লক্ষ বছৰ। কিন্তু বৰ্ত্তমানে পৃথিবীৰ বয়স নিৰ্দ্ধাৰণৰ যি তথ্য আছে তাৰ পৰা জানিব পাৰি যে পৃথিবীৰ বয়স কেলভিনৰ হিচাপ কৰা বয়সতকৈ বেছি।

পৃথিবীৰ বয়স নিৰ্দ্ধাৰণৰ যি কেইটা পদ্ধতি আছে তাৰ ভিতৰত আটাইতকৈ সঠিক পদ্ধতি হল ৰেডিঅ আকটিভ তেজষ্ক্ৰিয় পদাৰ্থৰ হিচাপ। এনে কিছুমান পদাৰ্থ আছে যি বোৰে শক্তি বিকিৰণ কৰি আৰু মৌলকণা এৰি দি নতুন এটা পদাৰ্থলৈ ৰূপান্তৰিত হয়। এনে পদাৰ্থবোৰ কেইবাশ এনে কি কেইবা হাজাৰ বছৰ ধৰি শক্তি বিকিৰণ কৰি থাকিব পাৰে।

ইউৰেনিয়াম হল এনে এবিধ পদাৰ্থ। শক্তি বিকিৰণ কৰাৰ কেইবাটাও অৱস্থা পাৰ হৈ শেষত ই গধুৰ সীহত ৰূপান্তৰিত হয়। এই সীহ তেজস্ক্ৰিয় পদাৰ্থ নহয়। ইউৰেনিয়াম ১ শতাংশ পদাৰ্থ সীহ ২০৩ ত ৰূপান্তৰিত হবলৈ হলে ৬৬০ লক্ষ বছৰ লাগে। গতিকে বিজ্ঞানী সকলে পৃথিবীৰ বয়স নিদ্ধাৰণ কৰিব যাওঁতে পৃথিবীৰ ভূত্বতত থকা। সীহৰ সন্ধান কৰে।

পৃথিবীৰ আটাইতকৈ পুৰণি সীহ পোৱা গৈছে কানাডাত। হিচাপ কৰি দেখা গৈছে ইয়াৰ বয়স প্ৰায় ৩০০০ লক্ষ বছৰ হব। এই সময় ৬০০০ বছৰ ও হব পাৰে।

থোৰিয়াম ও ইউৰেনিয়ামৰ দৰে আন এবিধ তেজক্ৰিয় পদাৰ্থ। ই আকৌ ৰূপান্তৰিত হয় ২০৮ ডৱৰ সীহলৈ ইয়াৰ পৰা ও পৃথিবীৰ বয়স নিৰ্দ্ধৰণ কৰিব পাৰি। তেজক্ৰিয়া পদাৰ্থৰ পৰা কৰা হিচাপ মতে পৃথিবীৰ বয়স ১৫ হেজাৰ পৰা ৩০ হেজাৰ লক্ষ বছৰ হব। বিশ্বৰ বয়স কিন্তু ১০০ কোটী বছৰৰ' ও বেছি ভবা হৈছে।



# ঋষি অৰবিন্দ ঃ এটি পৰিচয়

বীৰেন বৰুৱা
অধ্যাপক,অসমীয়া বিভাগ

*'হে ঈশ্বৰ অৱশেষত ৰাতি পুৱাব,*
*মানুহে বোকা লৈ ওমলাৰ পৰা যেতিয়া উঠিব,*
*আৰু নিজৰ হাতত যেতিয়া সূৰ্য-তৰা লৈ*
*পুৰণি ৰূপ নীতি আৰু প্ৰণালীক নতুনকৈ গঢ়িব।'*

শ্ৰী অৰবিন্দ

ভাৰতবৰ্ষ ঋষি-মুনিৰ দেশ। বিভিন্ন যুগত ভিন্ ভিন্ পৰিবেশত মহাপুৰুষ সকলে এই পূণ্যভূমি ভাৰতবৰ্ষত আৱিৰ্ভূত হৈ তেওঁলোকৰ মহান কৰ্ম আৰু বাণীৰে এই দেশৰ মাটি, পানী, বায়ু পবিত্ৰ কৰি থৈ গৈছে। এই খনেই ভাৰতবৰ্ষ, য'ত সৰ্বপ্ৰথমতে জ্ঞানৰ বিস্ফোৰণ ঘটিছিল, মানুহে মৃত্যুক জয় কৰি অমৰত্বৰ সন্ধান লাভ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যথাৰ্থতে ভাৰতত জন্ম গ্ৰহণ কৰা মানুহক পুণ্যৱান বুলি আখ্যা দিছে। গুৰুজনাৰ ভাষাত - ' ধন্য ধন্য কলি কাল, ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰত বৰিষে।' মহাপুৰুষ মাধৱদেৱেও ' ভাৰত ৰত্নৰ দ্বীপ ' বুলি কৈ উল্লিখিত গুৰুবাণীক হৃদয়ঙ্গম কৰিবলৈ আমাক শিকনি দিছে। স্বামী বিবেকানন্দৰ ভাষাৰে কওঁ, ' এয়ে সেই ভাৰতবৰ্ষ, য'ত আন সকলো দেশতকৈ আগতে জ্ঞানে বিস্তাৰ লাভ কৰিছিল,' এয়ে সেই ভাৰত, য'ত ধৰ্মৰ সোঁতে সমুদ্ৰত পৰা নদীৰ দৰে বাস্তৱবাদী ৰূপ পাইছিল, য'ত তুষাৰাবৃত হিমালয়ৰ চূড়াই স্বৰ্গৰ ৰহস্য ব্যক্ত কৰে। এয়ে সেই ভাৰত, য'ৰ মাটিয়ে মহা মহা ঋষি-মুণিৰ চৰণ স্পৰ্শ লাভ কৰিছিল। ইয়াতেই প্ৰথমে মানৱৰ ধৰ্ম আৰু অনন্ত বিশ্বৰ বিষয়ে গৱেষণা হৈছিল। ইয়াতেই প্ৰথমে আত্মাৰ অমৰত্ব সৰ্বশক্তিমান ভগৱান আৰু আন ওখ ধৰ্ম আৰু দৰ্শন সম্বন্ধীয় তত্ত্বালোচনাই অতি উচ্চস্থান লাভ কৰিছিল। '

এই পুন্যভুমি ভাৰতৰে এক পবিত্ৰ জীৱনৰ বিষয়ে বিবৃত কৰিবলৈ আগবাঢ়িছোঁ।সেইজন ভাৰত মনীষা হ'ল সকলোৰে পৰিচিত শ্ৰী অৰবিন্দ। শ্ৰী অৰবিন্দক আধুনিক ভাৰতৰ ঋষি বুলি কোৱা হয়। ঋষি শব্দটিৰ অভিধানগত অৰ্থ হ'ল-শাস্ত্ৰত তপস্বী, বেদ মন্ত্ৰ ৰচয়িতা, যোগী। শ্ৰীঅৰবিন্দৰ বিশাল ব্যক্তিত্বত এই তিনিটা গুণৰ উপৰিও আন বহুকেইটা মহৎ গুণৰ সমাৱেশ ঘটিছে। তেওঁ একাধাৰে সাধক, দাৰ্শনিক, স্বাধীনতা সংগ্ৰামী, প্ৰসিদ্ধ কবি আৰু সাহিত্যিক আছিল ॥ দেশবন্ধু
চিত্তৰঞ্জন দাসে যথাৰ্থভাৱেই ভৱিষ্যৎবাণী কৰিছিল যে 'তেওঁক ভৱিষ্যতে দেশপ্ৰেমৰ কবি, জাতীয়তাবাদৰ নবী আৰু মানৱতাৰ প্ৰেমিক বুলি আঁকোৱালি ল'ব।' আজি ভাৰতবাসীয়ে স্বাধীনতাৰ সোণালী জয়ন্তী উদ্-যাপন কৰাৰ লগতে ঋষি অৰবিন্দৰো এশসাতাইশ বছৰীয়া জন্মতিথি পালন কৰিলে।

১৮৭২ চনৰ ১৫ আগষ্ট তাৰিখে কলিকতাত ঋষি অৰবিন্দৰ জন্ম হয়। তেওঁৰ দেউতাক ডাঃ কৃষ্ণধন ঘোষ এগৰাকী অসামৰিক চিকিৎসা বিষয়া আছিল। তেওঁৰ মাক আছিল ঋষি ৰাজনাৰায়ণ বসুৰ বৰ জীয়ৰী স্বৰ্ণলতা দেৱী। তেওঁৰ ডাঙৰ ককায়েকৰ নাম মনমোহন ঘোষ আৰু সৰু ককায়েকৰ নাম হ'ল বিনয়ভূষন ঘোষ। তেওঁৰ একমাত্ৰ ভাতৃ বাৰীন ঘোষ আছিল এজন বিশিষ্ট স্বাধীনতা সংগ্ৰামী।

পোন্ধৰ আগষ্ট দিনটো কেবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ। মহাবীৰ নেপোলিয়নৰ জন্ম হৈছিল পোন্ধৰ আগষ্টত। প্ৰসিদ্ধ ঔপন্যাসিক ৱাল্টাৰ স্কটৰ জন্মদিন হ'ল পোন্ধৰ আগষ্ট। ভাৰতীয় সাধক ৰামকৃষ্ণ পৰমহংসৰ মহাপ্ৰয়াণ ঘটিছিল ১৮৮৬ খ্ৰীষ্টাব্দৰ ১৫ আগষ্টত। আকৌ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে ১৯৪৭ চনৰ ১৫ আগষ্টত। ঋষি অৰবিন্দই ১৫ আগষ্ট তাৰিখটোৰ কিবা আধ্যাত্মিক তাৎপৰ্য থকা বুলি বিশ্বাস কৰিছিল। সেয়ে তেওঁ লিখিব পাৰিছিল যে ' ১৫ আগষ্ট কুমাৰী মেৰীৰ আবিৰ্ভাৱৰ দিন। ইয়াৰ অৰ্থ হ'ল কায়িক প্ৰকৃতি এৰি দিব্য প্ৰকৃতি ধাৰণ কৰা। কুমাৰী মেৰী হ'ল প্ৰকৃতি। যীশু হ'ল মানৱ দেহত লাভ কৰা দিব্য প্ৰকৃতি।' ভাৰতবৰ্ষৰ স্বাধীনতা দিৱস উপলক্ষ্যে দিয়া এটা বাণীত তেওঁ লিখিছিল - ' ১৯৪৭ চনৰ ১৫ আগষ্ট হ'ল স্বাধীন ভাৰতৰ জন্ম দিন। ই দেশৰ কাৰণে এটা পুৰণি যুগ শেষ হোৱাৰ আৰু এটা নতুন যুগ আৰম্ভণিৰ সূচনা কৰে। পোন্ধৰ আগষ্ট মোৰো জন্ম দিৱস। এই দিনটোৱে এনে এক বিশাল গুৰুত্ব লাভ কৰা কাৰণে মই আনন্দ লাভ কৰিছোঁ।'

ঋষি অৰবিন্দ ভাৰতীয় জাতীয়তাবাদৰ গুৰু আছিল। কেৱল সেয়ে নহয়. তেওঁ আছিল ভাৰত তথা ' এচিয়াৰ পুনৰ জাগৰণৰ প্ৰবক্তা'। তেওঁ কৈছিল ' মোৰ প্ৰথম স্বপ্ন আছিল স্বাধীন আৰু ঐক্যবদ্ধ ভাৰত এখন গঢ়াৰ নিমিত্তে এটা বৈপ্লৱীক আন্দোলন গঢ়া।' তেওঁৰ চৰিতকাৰসকলৰ মতে, ' এঘাৰ বছৰ বয়সৰ পৰা তেওঁৰ মনত ভাব হৈছিল যে বিশ্ব বিপ্লৱ আৰু ক্ৰান্তিৰ সময় সমাগত। এই ক্ৰান্তি আৰু বিপ্লৱত তেওঁ আগভাগ ল'ব।' বাস্তৱিকতে তেওঁ আগ ভাগ লৈছিলও। অৰবিন্দই কেম্ব্ৰিজত পঢ়ি থকা কালত ভাৰতীয় ছাত্ৰ সকলৰ সংগঠন ' ভাৰতীয় মজলিচত ' ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে এলানি বৈপ্লৱীক বক্তৃতা দিছিল। অৰবিন্দ আৰু তেওঁৰ ককায়েক বিনয় ঘোষে লণ্ডনত এটা বিপ্লৱী বাহিনী গঠন কৰিছিল। এই বাহিনীয়ে ভাৰতৰ ৰাজনীতিৰ নৰমপন্থী নেতা দাদাভাই নৌৰজীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। লণ্ডনত কিছুমান ভাৰতীয় ছাত্ৰই ' পদুম আৰু ডেগাৰ' নামৰ এটি গুপ্ত সংস্থা গঠন কৰিছিল। শ্ৰীঅৰবিন্দ আৰু তেওঁৰ ককায়েক এই সংস্থাৰ সদস্য আছিল।

দেউতাক ডাঃ কৃষ্ণধন ঘোষে ১৮৭৯ খ্ৰীষ্টাব্দত অৰবিন্দক সাত বছৰ বয়সতে দুই ককায়েকৰে সৈতে ইংলণ্ড লৈ নিছিল আই, চি, এছ কৰাৰ উদ্দেশ্যৰে। অৰবিন্দই আই, চি, এছৰ তিনিটা পৰীক্ষাত উত্তীৰ্ণ হৈয়ো বাছনিত নুঠিল একমাত্ৰ ভাবতত বৃটিছ শাসন বিৰোধী স্থিতি গ্ৰহণ কৰাৰ কাৰণে। সেই সময়ৰ ভাৰত-সচিব লৰ্ড কিম্বালিয়ে নিজৰ ফাইলত অৰবিন্দ সম্পৰ্কে লিখিছিল ' মিঃ ঘোষক আই, চি, এছ কৰিলে ভাল হবনে নহয় এই বিষয়ে মোৰ সন্দেহ আছে।' আই, চি, এছ নোপোৱাত তেওঁ দুখ পোৱা নাছিল, বৰং চৰকাৰী চাকৰিতকৈ ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতিহে তেওঁ গভীৰ ভাৱে আকৃষ্ট হ'ল।

সুদীৰ্ঘ চৈধ্য বছৰ ইংলণ্ডত কটাই ১৮৯৩ খ্ৰীঃ ৰ ফেব্ৰুৱাৰী মাহত ভাৰতলৈ আহি বৰোদা ৰাজ্যৰ চাকৰিত



যোগদান কৰাৰ পিছত তেওঁ বম্বেৰ 'ইন্দু-প্ৰকাশ' কাকতত এলানি তত্ত্বগধুৰ প্ৰবন্ধ লিখি দেশবাসীৰ মাজত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিলে। অৰবিন্দৰ পৰিকল্পনা মতেই ভাৰতৰ স্বাধীনতাৰ বাবে কাম কৰিবলৈ বঙ্গদেশত ত্ৰটি গোপন বিপ্লৱী সংগঠনে জন্ম লাভ কৰিলে। সংগঠনৰ নিয়ম মতে অৰবিন্দ আৰু ভায়েক বাৰীনেও এহাতে গীতা আৰু আনহাতে তৰোৱাল লৈ শপত বাক্য পঢ়িছিল। ১৯০৩ চনত তেওঁৰ ' ন কম্প্ৰমাইজ ' পুস্তিকাখন প্ৰকাশিত হয়। তাৰ পিছত ' ভৱানী মন্দিৰ ইস্তাহাৰ ' নামৰ ঘোষণা পত্ৰখন প্ৰকাশ পায়। অৰবিন্দৰ ৰাজনৈতিক দৰ্শন আছিল 'ভাৰতৰ পূৰ্ণ স্বাধীনতা '। অৰবিন্দৰ যুক্তি আৰু ব্যক্তিত্বত মুগ্ধ হৈ চাৰু দত্তই আই, চি, এছ চাকৰি এৰি জাতীয়তাবাদী আন্দোলনত যোগদান কৰে। বালগঙ্গাধৰ তিলক, বিপিন চন্দ্ৰ পাল, লালা লাজপত ৰায় আদিৰ দৰে শ্ৰী অৰবিন্দও আছিল কঠোৰ পন্থী স্বাধীনতা সংগ্ৰামী। ইংৰাজৰ বংগভংগ নীতিৰ বিৰুদ্ধে কলিকতাত ১৯০৬ চনত অৰবিন্দই বিপিন পাল আৰু বি,চি, চেটাৰ্জীক লগত লৈ এটা প্ৰকাণ্ড শোভাযাত্ৰা বাহিৰ কৰি ৰাইজৰ মাজত প্ৰবল জাগৰণ আনিছিল।

সেই বছৰতে অৰবিন্দই তিনিটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। প্ৰথমটো হ'ল বৰোদা কলেজৰ উপাধ্যক্ষ পদ ইস্তফা দিয়া, দ্বিতীয়টো হ'ল কলিকতাৰ নেছনেল কলেজত অধ্যক্ষ ৰূপে যোগদান আৰু তৃতীয়টো সিদ্ধান্ত হ'ল বিপিন চন্দ্ৰ পালৰ কলিকতাৰ পৰা প্ৰকাশিত জাতীয়তাবাদী বাতৰি কাকত 'বন্দে মাতৰম ' ৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ। শ্ৰীঅৰবিন্দৰ সুপৰিকল্পিত আৰু সুদক্ষ সম্পাদনাত ' বন্দে মাতৰম্ ' কাকতে নতুন মাত্ৰা লাভ কৰিলে। নিৰ্ভীক আৰু বলিষ্ঠ ভাষাত ভাৰতৰ স্বাধীনতাৰ বাণী প্ৰচাৰ কৰা কাৰণে বাতৰি কাকতখনে প্ৰভূত পৰিমানে জন সমাদৰ লাভ কৰিলে। ফলত ইংৰাজ শাসক গোষ্ঠী ৰুষ্ট হ'ল। 'বন্দেমাতৰমৰ' কন্ঠৰোধ কৰিবলৈ ইংৰাজ শাসকসকলে কদম উঠালে। প্ৰথমে তেওঁলোকৰ শেন চকু পৰিল সম্পাদনা কক্ষৰ ওপৰত। ১৯০৭ চনত ইংৰাজ শাসক সকলে শ্ৰীঅৰবিন্দৰ বিপক্ষে এক গোচৰ ৰুজু কৰিলে। চৰকাৰৰ অভিযোগ হ'লঃ অৰবিন্দই ' বন্দে-মাতৰম্ ' কাকতৰ যোগেদি বৃটিছ বিৰোধী কথা প্ৰচাৰ কৰি ৰাইজক উচটাইছে। চৰকাৰৰ এনে স্বৈৰাচাৰী দমন নীতিৰ বিৰুদ্ধে দেশব্যাপী প্ৰতিবাদৰ জোৱাৰ উঠিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ত্ৰটি কবিতাৰে অৰবিন্দক অভিনন্দন জনালে - ' অৰবিন্দ, তুমি ৰবীন্দ্ৰনাথৰ লোৱা নমস্কাৰ '। বিচাৰ চলিল। বিপিনচন্দ্ৰ পালৰ বক্তব্যৰ পৰা অৰবিন্দই যে কাকতখনৰ সম্পাদক আছিল সেইকথা প্ৰকাশ নেপালে। গতিকে প্ৰমাণৰ অভাবত তেওঁ খালাচ পালে। আনহাতে কাকতখনৰ মালিক বিপিন চন্দ্ৰ পালৰ জেল হ'ল।

' বন্দেমাতৰম্ ' কাকতৰ কামত একাণপতীয়াকৈ মনোনিৱেশ কৰিবলগীয়া হোৱাত আৰু জাতীয়তাবাদী আন্দোলনৰ লগত জড়িত হ'বলগীয়া হোৱাত কলেজৰ অধ্যক্ষৰ দায়িত্বনিৰ্বাহ কৰা তেওঁৰ পক্ষে টান হৈ পৰিল। শেষত তেওঁ ত্ৰদিন কলেজৰ অধ্যক্ষ পদ ইস্তফা দিলে আৰু দেশসেৱাত আত্মনিয়োগ কৰিলে। শ্ৰীঅৰবিন্দ আৰু তেওঁৰ সহযোগীসকলৰ হেঁচাত দাদাভাই নৌৰজীৰ সভাপতিত্বত বহা কলিকতা কংগ্ৰেছ অধিৱেশনত কংগ্ৰেছে প্ৰথমবাৰৰ বাবে স্বৰাজ দাবী কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ইংৰাজ শাসকসকলে অৰবিন্দক বাৰুকৈয়ে ভয় কৰিছিল। এই বাবেই অৰবিন্দক জেলত ভৰাবলৈ চেলু বিচাৰি ফুৰিছিল। বংগদেশৰ তৎকালীন লেফ্‌টেনেন্ট গৱৰ্ণৰে লৰ্ড

মিন্টোলৈ লিখিছিল ' অৰবিন্দক মই দেশদ্ৰোহিতামূলক মতবাদৰ প্ৰচাৰক বুলি ভাবোঁ।' লৰ্ড মিন্টোৱে জন মলিলৈ লিখিছিল আমাৰ কাৰণে তেৱেঁই আটাইতকৈ বিপদজনক লোক।' ইংৰাজ শাসকৰ হাতলৈ এদিন সুৱৰ্ণ সুযোগ আহিল। অৰবিন্দৰ পৈত্ৰিক সম্পত্তি উত্তৰ কলিকতাৰ মাণিকতলা গাৰ্ডেনত থকা গুপ্ত বাহিনীৰ মাটিত পুলিচে আক্ৰমণ কৰি এদিন বোমা আৰু অস্ত্ৰ-শস্ত্ৰৰে সৈতে ভায়েক বাৰীণ আৰু সহযোগীসকলক গ্ৰেপ্তাৰ কৰিলে। এই ঘটনাৰ পিছদিনাই পুৱাতে অৰবিন্দক গ্ৰেপ্তাৰ কৰি আলিপুৰ চেন্ট্ৰেল জেলত ৰখা হ'ল। এবছৰৰ মূৰত তেওঁ জেলৰ পৰা মুক্তি লাভ কৰিলে। ১৯৯০ চনত তেওঁ পণ্ডিচেৰীলৈ যায়। আৰু যোগ সধনাত মগ্ন হয়।

শ্ৰীঅৰবিন্দ বুদ্ধৰ দৰে সংসাৰ কৰিও সংসাৰ ত্যাগী ঋষি আছিল। ১৯০১ খ্ৰীষ্টাব্দত বিয়া কৰোৱা তেওঁৰ পত্নীৰ নাম আছিল মৃণালিনী দেৱী। ১৯০৭ চনৰ ১৭ ফেব্ৰুৱাৰীত তেওঁ তেওঁৰ পত্নীলৈ এখন চিঠিত লিখিছিল ' মই এতিয়াৰ পৰা মোৰ নিজৰ মন্ত্ৰী বা গুৰু নহওঁ। মই পুতলাৰ দৰেহে যাম, দিব্য শক্তিয়ে মোক যলৈকে নিয়ে মই তালৈকে যাম, তেওঁ মোক যি কৰিবলৈ কয় তাকে মই পুতলাৰ দৰে পালন কৰিব লাগিব '। কোৱা বাহল্য যে অৰবিন্দই ইতিমধ্যে দিব্য জীৱন লাভ কৰিছিল আৰু তেওঁ গভীৰ সাধনাত মগ্ন হৈছিল। তেওঁৰ পত্নীয়ে স্বামীৰ এই দিব্য ৰূপ দেখা নাপালে। ১৯৯৮ চনত মৃণালিনী দেৱীৰ মৃত্যু হয়।

অৰবিন্দৰ চৰিতকাৰ সকলে অৰবিন্দ দৰ্শনৰ দুটা গুৰুত্বপূৰ্ণ দিশৰ কথা উল্লেখ কৰিছে। সেই দুটাৰ প্ৰথমটো হ'ল জ্ঞানীলোক সৃষ্টি। দ্বিতীয়টো হল দিব্য জীৱনৰ ধাৰণা।' এই দুয়োটা দিশ সম্ভৱ হৈ উঠিব আধ্যাত্মিক সাধনাৰ যোগেদিহে। মানৱ সমাজলৈ অৰবিন্দৰ অনবদ্য অৱদান হল তেওঁৰ মূল্যৱান গ্ৰন্থসমূহ। তেওঁৰ ৰচিত আৰু বৰ্তমান প্ৰকাশিত প্ৰায় দুকুৰি গ্ৰন্থ পোৱা যায়। ইংৰাজী ভাষাত লিখা 'সাবিত্ৰী' তেওঁৰ মহত্তম কাব্যগ্ৰন্থ। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ মতে - সাবিত্ৰী হৈছে - কবি মানসৰ দিব্য শক্তিৰ কৰুণাময় মাতৃ। সত্যৱান হল অবিনাশী আত্মা। মৰণ দেৱতা যম যেন মানুহৰ অজ্ঞানতাৰ প্ৰতীকৰূপ।' ১৯৫০ চনৰ ৫ ডিচেম্বৰৰ দিনা দিনৰ ১.২৬ বজাত ৭৮ বছৰ বয়সত এইগৰাকী জ্ঞানীযোগী, কৰ্মযোগী, মহাসাধকৰ চিৰ সমাধি হয়। তেওঁৰ পাৰ্থিৱ শৰীৰ মৃত্যুৰ পঞ্চম দিনা অকণো বিকৃত নোহোৱা অৱস্থাত সমাধিস্থ কৰা হয়। তেওঁৰ শিষ্যসকলে বিশ্বাস কৰিছিল যে মহাপ্ৰয়াণৰ পিছত তেওঁৰ শৰীৰৰ পৰা দিব্য জ্যোতি নিৰ্গত হৈছিল।



# উত্তৰ পূৰ্ব্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নত ৰেল পৰিবহণৰ গুৰুত্ব



শ্ৰী প্ৰশান্ত কুমাৰ বৰা
প্ৰবক্তা, অৰ্থনীতি বিভাগ

ৰেল পৰিবহণৰ দৰে গুৰুত্ব পূৰ্ণ বুনিয়াদি আন্তঃগাঠণি অবিহনে এখন দেশৰ দ্ৰুত আৰ্থসামাজিক বিকাশ কেতিয়াও সম্ভৱ নহয়। বিভিন্ন প্ৰকাৰৰ পৰিবহণ ব্যৱস্থাৰ লগতে আধুনিক সভ্যতাৰ জীৱণ ৰেখা স্বৰূপ ৰেল পৰিবহণ ব্যৱস্থা সুদৃঢ় আৰু বিস্তৃত হলেহে দেশ এখনৰ সৰ্বাঙ্গীন উন্নয়ণ আৰু বিকাশৰ গতি খৰটকীয়া হয়। বৰ্তমান যুগৰ স্থল পৰিবহণ ব্যৱস্থাৰ আটাইতকৈ দ্ৰুত আৰু সস্তীয়া ৰেল পৰিবহণ ব্যৱস্থা অবিহনে এখন দেশৰ প্ৰগতি প্ৰায় অসম্ভৱ স্বৰূপ।

বৰ্তমান এচিয়াৰ ভিতৰত প্ৰথম আৰু পৃথিৱীৰ ভিতৰতে দ্বিতীয় স্থান লাভকৰা ভাৰতীয় ৰেল পৰিবহণ ব্যৱস্থাৰ ইতিহাস অতি পুৰণি। ১৮৫৩ চনত পোন প্ৰথমে মুম্বাইৰ পৰা থনেলৈ ২২ মাইল দূৰত্বৰ ৰেল পথ নিৰ্মাণেই আছিল ভাৰতীয় ৰেল পৰিবহণৰ শুভাৰম্ভনি। এই সাধাৰণ আৰম্ভনিৰ পিছৰ পৰাই ভাৰতবৰ্ষত পৰ্য্যায়ক্ৰমে ৰেল উদ্যোগৰ দ্ৰুত উন্নতি আৰু সম্প্ৰসাৰণ খটিবলৈ ধৰে। বৰ্তমান প্ৰতিদিনে প্ৰায় ১২ নিযুত যাত্ৰী আৰু ১ নিযুত টনৰো অধিক বয়বস্ত সৰবৰাহ কৰা ভাৰতীয় ৰেল সেৱাই দেশৰ আৰ্থ সামাজিক উন্নয়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সম্প্ৰতি বৈদ্যুতিক চালিত ১১,৩০০ কি. মি. পথক সাঙুৰি ভাৰতীয় ৰেল পথৰ মুঠ দৈৰ্ঘ্য পায় ৬৫,০০০ কি.মি.। তথাপি ভাৰতৰ দৰে এখন, বিশাল তথা জনবহুল দেশৰ সকলো ঘাই ঘাই অঞ্চল সামৰি লৈ ৰেল পথ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ হোৱা বুলি কব নোৱাৰি।

ৰেল পথ নিৰ্মাণে এহাতে যেনেদৰে ভাৰতত বিভিন্ন প্ৰকাৰৰ উদ্যোগ, বাণিজ্যিক প্ৰতিষ্ঠান গঢ়লৈ উঠাত সহায় কৰিছে, তেনেদৰে পিছপৰা দুৰবৰ্তী গ্ৰাম্য অঞ্চল সমূহলৈ ৰেল পথ সম্প্ৰসাৰণে কৃষিখণ্ডত দ্ৰুত পৰিবৰ্তনৰ সুচনা কৰিছে। অতীতৰ ভাৰতীয় পোষণ কৃষিব্যৱস্থাক বাণিজ্যিক কৃষি ব্যৱস্থালৈ উত্তৰণ ঘটাইছে। ভাৰতৰ বিভিন্ন প্ৰান্তত নগৰীকৰণ আৰু উদ্যোগিকৰণ প্ৰক্ৰিয়া সম্প্ৰসাৰণ ঘটিছে। ৰেল পথ সম্প্ৰসাৰণে আভ্যন্তৰীণ আৰু বৈদেশিক বাণিজ্যৰ পৰিসৰ বিস্তৃত কৰাৰ লগতে ৰেল উদ্যোগে কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ শিতানলৈ প্ৰভূত বৰঙণি আগবঢ়াই আহিছে। তদুপৰি ৰাজহুৱা খণ্ডৰ এই সৰ্ববৃহৎ উদ্যোগটোৱে দেশৰ এক গৰিষ্ঠ সংখ্যক লোকক

কৰ্ম্মসংস্থাপনৰ সুবিধা প্ৰদান কৰাৰ উপৰিও দেশ বিদেশৰ জনসাধাৰণক ওচৰ চপাই আনি সাংস্কৃতিক আদান প্ৰদানৰ যোগেদি বিশ্ব ভাতৃত্ববোধৰ এনাজৰী ডাল কটকটীয়া হোৱাত সহায় কৰিছে।

বিগত অৰ্দ্ধশতাব্দীৰ স্বাধীনোত্তৰ কাল ছোৱাত ভাৰতীয় ৰেল পথৰ উল্লেখনীয় সম্প্ৰসাৰণ আৰু উন্নয়ণ ঘটিছে যদিও নানান প্ৰাকৃতিক সম্পদেৰে ৰত্নগৰ্ভা উত্তৰ পুৰ্ব্বাঞ্চলৰ ৰাজ্যকেইখন ৰেল পৰিবহণৰ ক্ষেত্ৰত দেশৰ বাকী অংশৰ তুলনাত দুখলগাকৈ পিছপৰি আছে। অঞ্চলটোৰ অসুচল ভৌগলিক অৱস্থিতি, নদ-নদী, পৰ্বত-পাহাৰেৰে বিস্তৃৰ্ণ প্ৰতিকূল প্ৰাকৃতিক পৰিবেশ আদিৰ কাৰণেই উত্তৰ পুৰ্বাঞ্চলৰ ৰেল পৰিবহণ ব্যৱস্থা দেশৰ বাকী অংশৰ তুলনাত অনুন্নত আৰু দূৰ্বল হৈ আছে। অৱশ্যে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতাও মন কৰিবলগীয়া। ফলস্বৰূপে বৰ্তমান অসমক বাদ দি অঞ্চলটোৰ আটাইকেইখন ৰাজ্যৰে পৰিবহণৰ একমাত্ৰ অবলম্বন হ'ল পথ পৰিবহণ ব্যৱস্থা।

সাম্প্ৰতিক তথ্য অনুসৰি উত্তৰ পুৰ্ব্বাঞ্চলৰ ৰেল পথৰ মুঠ দৈৰ্ঘ্য ২৫০৩ কি.মি.। ইয়াৰ ভিতৰত অসমৰ সৰ্বাধিক ২৪৪১ কি. মি. ত্ৰিপুৰাৰ ৪৫ কি.মি. নাগালেণ্ডৰ ১৩ কি. মি. মণিপুৰ আৰু অৰুণাচল প্ৰদেশৰ প্ৰত্যেকৰে মাত্ৰ ১ কি. মি.।

উত্তৰ পূৰ্ব্বাঞ্চলক ভাৰতৰ আন আন অংশৰ লগত সংযোগ কৰা ৰেল পৰিবহণ পোন প্ৰথমে স্থাপন হৈছিল অসমত। ১৮৮২ চনত 'অসম ৰেলৱে ট্ৰেডিং কোম্পানী' ৰ উদ্যোগত ডিব্ৰুগড় আৰু মাঘেৰিটাৰ মাজত ডিব্ৰুগড়ৰ পৰা দিনজান পৰ্য্যন্ত প্ৰথম খন মালবাহী ৰেলৰ চলাচল আৰম্ভ কৰিছিল। তাৰ প্ৰায় এবছৰৰ পিছত ১৮৮৩ চনৰ ১৬ জুলাইত প্ৰথম যাত্ৰী বাহী ৰেল খনৰ চলাচল আৰম্ভ হৈছিল ডিফু-শদিয়া ৰেল পথত। কিন্তু এক শতিকাৰো অধিকাল পূৰ্বে ৰেল

পৰিবহণ ব্যৱস্থাৰ পাতনি মেলা নানান সম্পদ সমৃদ্ধ সমগ্ৰ উত্তৰ পুৰ্ব্বাঞ্চল আজিও দেশৰ বাকী অংশৰ তুলনাত অৰ্থনৈতিক ভাৱে পিছপৰা। তাতোকৈ পৰিতাপৰ কথা এইযে, দেশস্বাধীন হোৱা অৰ্দ্ধশতাব্দী কালৰ পিছতো মেঘালয় আৰু অৰুণাচল প্ৰদেশ ৰেল পৰিবহণ ব্যৱস্থাৰ পৰা আজিকোপতি বঞ্চিতা আৰু উপেক্ষিতা। ১৯৫৮ চনৰ তেতিয়াৰ 'উত্তৰ পুৱ ৰেলৱে' নামে পৰিচিত বৰ্তমানৰ 'উত্তৰ পুব সংমণ্ডল' এ উত্তৰ পুৰ্ব্বাঞ্চলৰ ৰেল পৰিবহণ ব্যৱস্থা পৰিচালনা কৰি পিছপৰা অঞ্চলটোৰ ৰেলপথ সম্প্ৰসাৰণৰ কাম কাজ ধীৰ গতিৰে হলেও আৰম্ভ কৰিছে। এই সংমণ্ডলৰ অধীনত নদীৰ ওপৰেদি যোগাযোগ ব্যৱস্থা স্থাপনৰ কাৰণে ১৯৬৩ চনত ১২.৪৭ কোটি টকা ব্যয়ৰে শৰাইঘাট নিৰ্মাণ কৰি অঞ্চলটোৰ ৰেল পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত এক যুগান্ত কাৰী পৰিবৰ্তনৰ সুচনা কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ পথ প্ৰশস্ত কৰি তোলে। তদুপৰি ৰেল বিভাগে মিটাৰ গজৰ পৰা ব্ৰডগজলৈ ৰেলপথ ৰূপান্তৰ কৰাৰ কাম হাতত লৈ ১৯৬৪ চনত ব্ৰডগজ পথ নিউ জলপাইগুৰি লৈ আৰু ১৯৬৫ চনত বঙ্গাইগাওঁ পৰ্য্যন্ত ৰেলপথ সম্প্ৰসাৰণ কৰে। তেনেদৰে সেই ব্ৰডগজ লাইন ১৯৮৪ চনত গুৱাহাটী পৰ্য্যন্ত সম্প্ৰসাৰণ কৰি ওচৰ চুবুৰীয়া ৰাজ্যকেইখনক ৰেল সেৱাৰ সুবিধা প্ৰদান কৰে। ইয়াৰ উপৰিও সমগ্ৰ ভাৰতীয় ৰেলক মাত্ৰ এটা গজলৈ ৰূপান্তৰ কৰাৰ লক্ষৰে ১৯৯২ চনৰ জুলাইমাহত তেতিয়াৰ প্ৰধান মন্ত্ৰী পি. ভি. নৰসিংহ ৰাওৱে ইউনিগজ



প্ৰকল্পৰ শুভাৰম্ভিণি কৰে। এই আচনি অনুসৰিয়েই বৰ্তমান ব্ৰডগজ ৰেল পথ ডিব্ৰুগড় পৰ্য্যন্ত সম্প্ৰসাৰিত হৈছে।

উত্তৰ পূব সীমান্ত ৰেলে উত্তৰ পুৰ্ব্বাঞ্চলৰ সকলো কেইখন ৰাজ্যৰ নানান খনিজ সম্পদ, বনজ সম্পদ আদিকে ধৰি নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমুহ সৰবৰাহ কৰাৰ উপৰিও যাত্ৰী বাহী ৰেলৰ চলাচল কৰি আহিছে। সেইদৰে ৰাজ্য কেইখনলৈ আমদানিকৃত বিভিন্ন সামগ্ৰী যেনে খাদ্য সামগ্ৰী উদ্যোগিক যন্ত্ৰপাতি, গৃহণিৰ্মানৰ বাবে আৱশ্যকীয় বিলাতী মাটি তথা অন্যান্য আচবাব সৰবৰাহ কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি জনসাধাৰণৰ জীৱণ নিৰ্বাহৰ প্ৰক্ৰিয়া সহজ আৰু উন্নত কৰি তুলিছে। যিহেতু সমগ্ৰ অঞ্চলটো উদ্যোগিকৰণৰ ক্ষেত্ৰত অনগ্ৰসৰ, সেয়ে জনসাধাৰণে সকলো দ্ৰব্য-সামগ্ৰী বছৰটোৰ বাৰ মাহেই বাহিৰৰ ৰাজ্য সমুহৰ পৰা আমদানি কৰিব লাগে। সেইদৰে কৃষি ভিত্তিক অঞ্চলটো কৃষিৰ ক্ষেত্ৰটো স্বনিৰ্ভৰশীল নোহোৱাৰ কাৰণে কৃষিজাত সামগ্ৰীও আন ৰাজ্যৰ পৰা আমদানি কৰিব লগা হয়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, উত্তৰ পূৱ সীমান্ত ৰেলৱেই ১৯৯৩-৯৪ চনত ৫.৯ নিযুত টন আৰু ১৯৯৪-৯৫ চনত ৬.৫ নিযুত টন মালবস্তু সৰবৰাহ কৰে, যিটোৰ পৰিমাণ ১৯৯৫-৯৬ চনত ৭.২১ নিযুত টন আৰু ১৯৯৬-৯৭ বৰ্ষত ৭.২৫ নিযুত টনলৈ বৃদ্ধি ঘটে। এতি গুৰুত্ব পুৰ্ণ ৰেল পৰিবহণ ব্যৱস্থা কিবা কাৰণত ব্যাহত হলে অঞ্চলটোত দ্ৰব্য সামগ্ৰীৰ যোগান নিয়মীয়া কৰি ৰখাৰ কাৰণে কেৱল মটৰ পৰিবহণ ব্যৱস্থাই জোৰা মাৰিব নোৱাৰা অৱস্থা হয়। ফলস্বৰূপে অঞ্চলটোত উদ্যোগিক কাম কাজ স্তব্ধ হৈ পৰাৰ লগেত দ্ৰব্য সামগ্ৰীৰ সঘনাই মূল্য বৃদ্ধি ঘটে। উপযুক্ত পৰিবহণ ব্যৱস্থাই কেঁচামাল, যন্ত্ৰপাতি সৰবৰাহ কৰাত সহায় কৰাৰ উপৰিও ব্যৱসায় সংগঠণৰ লোক, শ্ৰমিক আদিলোক সকলৰ চলাচল সহজ আৰু দ্ৰুততৰ কৰি উদ্যোগিক তথা কৃষি উন্নয়ণ প্ৰক্ৰিয়া খৰটকীয়া কৰে। যথোপযুক্ত ৰেল পৰিবহণৰ সুবিধা নথকাৰ কাৰণে উদ্যোগিকৰণ বাধাগ্ৰস্ত হোৱাই নহয়, সম্পদ সমৃদ্ধ এই অঞ্চলটোৰ বহুতো প্ৰাকৃতিক সম্পদ এতিয়াও অনাবিস্কৃত তথা অব্যৱহৃত হৈ থকাৰ লগতে অঞ্চলটোৰ জনসাধাৰণৰ ঘাই অৱলম্বন কৃষি ব্যৱস্থাও অও পুৰণি হৈ আছে। ষাঠিৰ দশকতে সমগ্ৰ দেশ জুৰি কৃষিৰ ক্ষেত্ৰত সুচনা হোৱা 'সেউজ বিপ্লৱে' উত্তৰ পুৰ্ব্বাঞ্চলৰ ৰাজ্য কেইখনক প্ৰভাৱম্বিত কৰিব পৰা নাই উন্নত পৰিবহণ ব্যৱস্থা নথকাৰ কাৰণে। অঞ্চলটোৰ ভৌগলিক পৰিবেশ, জলবায়ু তথা বিভিন্ন জৈৱিক সম্পদৰে প্ৰাচুৰ্যতালৈ লক্ষ কৰিলে দেখা যায় যে ইয়াত কৃষিভিত্তিক বহুধৰণৰ উদ্যোগ গা-কৰি উঠাৰ প্ৰচুৰ সম্ভাৱনী আছে যদিও সু-পৰিকল্পিত বা সস্তীয়া পৰিবহণৰ ব্যৱস্থা নথকাৰ কাৰণে এনে ধৰণৰ উদ্যোগ স্থাপন কৰিবলৈ উদ্যোগ প্ৰতি সকল আগবাঢ়ি অহা নাই। আনকি ভাৰত চৰকাৰে উদাৰী কৰণ নীতি গ্ৰহণ কৰাৰ প্ৰায় সাত বছৰ কাল অতিক্ৰম কৰাৰ পিছতো কোনো বিনিয়োগকাৰীয়ে অঞ্চলটোত পূজি বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা নাই উপযুক্ত পৰিবহণৰ সুবিধা নথাকাৰ

কাৰণে। অৱশ্যে ইয়াৰ কাৰণে আন বহুতো উপাদান জগৰীয়া। যিহেতু অঞ্চলটোৰ জনসাধাৰণৰ কৃষিয়েই হল জীৱিকা নিৰ্বাহৰ প্ৰধান আধাৰ, গতিকে বাণিজ্যিক ভিত্তিত উদ্যান শস্য, ফুল ফলৰ খেতি, নানা তৰহৰ অৰ্থকৰী শস্য উৎপাদন আৰু বিপননৰ কাৰণে আন আন ব্যৱস্থা সমুহৰ লগতে সৰল ও দ্ৰুত পৰিবহণ ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাব লাগিব। অঞ্চলটোৰ ত্ৰিপুৰা, মেঘালয়, মিজোৰাম অৰুণাচল প্ৰদেশ আদি ৰাজ্য সমুহক কৃষিভিত্তিক নানা

উদ্যোগ, ৰেচমশিল্প, উদ্যান শস্য, ফলমূলৰ খেতি, খনিজ সম্পদ ভিত্তিক উদ্যোগ আৰু হস্ত শিল্প আদিৰ প্ৰচুৰ সম্ভাৱনীময় অঞ্চল হিচাপে চিহ্নিত কৰা হৈছে। গতিকে এই বোৰৰ উপযুক্ত বিকাশৰ কাৰণে সৰ্বপ্ৰথমে ৰেল পথৰ দৰে সস্তীয়া ও দ্ৰুত পৰিবহণৰ সম্প্ৰসাৰণ ঘটাব লাগিব।

পৰ্য্যটন উদ্যোগৰ দিশৰ পৰাও উত্তৰ পুৰ্ব্বাঞ্চলত ৰেল পথ সম্প্ৰসাৰণৰ গুৰুত্ব অধিক। অঞ্চলটোৰ কেইবাখনো ৰাজ্যত বিভিন্ন ঐতিহাসিক মুঠ-মন্দিৰ, স্মৃতিচিহ্ন তথা অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা বাৰেৰহণীয়া দৃশ্যাৱলীয়ে দেশী আৰু বিদেশী পৰ্য্যটক সকলক আকৰ্ষিত কৰি আহিছে। পৰ্য্যটক আৰু তীৰ্থ যাত্ৰী সকলক অধিক আকৰ্ষিত কৰিব পৰাকৈ সেই সেই অঞ্চল সমুহলৈ উন্নত ৰেল পৰিবহণৰ সম্প্ৰসাৰণ ঘটালে দেশৰ পৰ্য্যটন উদ্যোগ নিশ্চয় লাভবান হব আৰু পৰ্য্যটন উদ্যোগত অঞ্চলটোৰ নিবনুৱা লোক সকলক নিযোগৰ সুবিধা প্ৰদান কৰিব পৰা যাব। অঞ্চলটোৰ ক্ৰমবৰ্দ্ধমান নিৱনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ৰেল পথ সম্প্ৰসাৰণে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে যথেষ্ট সহায় কৰিব। যথোপযুক্ত পৰিবহণৰ অভাৱত অতনাদিনে অনাবিস্কৃত আৰু অব্যবহৃত হৈ থকা প্ৰাকৃতিক সম্পদ সমুহ পুৰ্ণ ব্যৱহাৰ কৰি দ্ৰুত উদ্যোগী কৰণৰ পথ প্ৰশস্ত কৰাৰ লগতে পুৰণি কলীয়া কৃষি ব্যৱস্থাৰ অৱসান ঘটাই বাণিজ্যিক কৃষি পদ্ধতি প্ৰৰ্বতন কৰিলে অঞ্চলটোৰ যথেষ্ট পৰিমাণে নিয়োগৰ সুবিধা সৃষ্টি হব। মুঠৰ ওপৰত ৰেলপথ সম্প্ৰসাৰণে উত্তৰ পুৰ্ব্বাঞ্চলৰ সৰ্বাঙ্গীন আৰ্থ সামাজিক উন্নয়ণৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

অঞ্চলটোৰ পিছপৰা ৰেল পৰিবহণৰ প্ৰতি লক্ষ্য ৰাখি যোৱা দুটি মান বছৰৰ ৰেল বাজেটত এই অনগ্ৰসৰ অঞ্চলটোৰ বাবে কেতবোৰ অভিনৱ আচনি গ্ৰহণ কৰিছে। এই আচনি সমুহ সময় মতে ৰূপায়ণ কৰিলে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ অধিক খৰটকীয়া হোৱাৰ লগতে একৈশ শতিকা অভিমুখী উত্তৰ পূৰ্ব্বাঞ্চলৰ জনসাধাৰণ দেশৰ মূল জীৱন প্ৰবাহৰ লগত ৰেল সেৱাৰে প্ৰত্যক্ষ ভাৱে সংযুক্ত হোৱাৰ সুবিধা লাভ কৰিব।

*(আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ যোগে প্ৰচাৰিত)*

❑❑

*অসমৰ পৰ্বত ভৈয়াম-পথাৰ গছ-গছনি চৰাই চিৰিকতি সকলোৰে কণ্ঠত সুৰ আছে। এই সকলোৰে যেতিয়া একেলগ হৈ গীত গাবলৈ আৰম্ভ কৰিব, কাৰো সাধ্য নহব সেই সমবেত কণ্ঠক হেঁচি ধৰি থবলৈ।* - বিষ্ণুৰাভা



# পৃথিবীৰ উৎপত্তি সম্বন্ধে মতবাদ সমূহ

*শ্ৰীপ্ৰনব জ্যোতি গঁগৈ*
প্ৰবক্তা ভূবিজ্ঞান বিভাগ

আমি বাস কৰা পৃথিৱীখন বহু মিলিয়ন বছৰৰ আগতেই সৃষ্টি হৈছিল। জীৱৰ সৃষ্টি পৃথিবীখন সৃষ্টি হোৱাৰ বহু পাছতহে হৈছিল। পৃথিবীখন সৃষ্টিৰ পাছত জীৱৰ সৃষ্টি হয় কেইবা মিলিয়ন বছৰৰ পাছত আৰু মানুহৰ সৃষ্টি একেবাৰে শেহতীয়া। নানা ধৰণৰ জীৱ-জন্তু, গছ-গছনি, পৰ্বত ভৈয়াম, নদ-নদী, সাগৰ-মহাসাগৰ বায়ুমণ্ডল আদিৰে পৰিপুৰ্ণ আমাৰ বিচিত্ৰ পৃথিবীখন কেনেদৰে সৃষ্টি হৈছিল তাক জানিবৰ বাবে মানুহৰ কৌতুহলৰ অন্ত নাই। পৃথিবী সৃষ্টিৰ ৰহস্য উৎঘাটন কৰিবলৈ মানুহে যুগে যুগে চেষ্টা চলাই আহিছে। ইয়াৰ ফলতে দাৰ্শনিক, বৈজ্ঞানীক সকলে বিভিন্ন সময়ত বিভিন্ন মতবাদ দাঙি ধৰিছে। এই মতবাদ সমূহৰ সত্যসত্যতা নিৰূপণ কৰিবলৈ তেওঁলোকে অনেক বিশ্লেষণ তথা মুক্তি আগবঢ়াইছে। যদিও এই মতাবাদ সমূহৰ মাজত বহু আসোৱাহ দেখা যায় তথাপি পৃথিবীখন সৃষ্টি সম্বন্ধে অনেক কথা জানিব পাৰি। এই মতবাদ সমূহৰ কেইটামান মতবাদ চমুকৈ উল্লেখ কৰা হৈছেঃ-

**নীহাৰিকাবাদ** ঃ ই এটা অতিপুৰণি মতবাদ। কান্তি (১৭৫৫) আৰু লাপলাছ (১৭৯৬) নামৰ দুজন বৈজ্ঞানীকে এই মতবাদ উলিয়াইছিল। এই মতবাদ অনুসৰি অতি পুৰণি কালত মহাকাশত এটি বিৰাট আকাৰৰ অতি উত্তপ্ত গেছীয় নীহাৰিকা ঘুৰি আছিল। তাপ বিকিৰণৰ ফলত ই লাহে লাহে চেচা হৈ সঙ্কুচিত হবলৈ ধৰিলে আৰু আবৰ্তনৰ বেগ বৃদ্ধি পালে। এইদৰে ঘুৰোতে নীহাৰিকাটোৰ গাত কিছুমান আঙুঠিৰ সৃষ্টি হল। শেষত এই আঙুঠিবোৰ নীহাৰিকাটোৰ পৰা ছিটিকি এৰাই যাবলৈ ধৰিলে। এই আঙুঠি বোৰৰ পৰাই ৯ টা গ্ৰহৰ সৃষ্টি হল আৰু মুল নীহাৰিকাটো কালক্ৰমত সূৰ্য্য হল। এই মতবাদটোৱে দুই শতিকা যুৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে যদিও ইয়াত কিছুমান আসোৱাহ দেখা যায়। এই মতবাদটোৱে Principle of conservation of angular momentum মানি চলিব পৰা নাই। মূল নীহাৰিকাটো যদি দ্ৰুত গতিত ঘুৰি আছিল তেনেহলে আৰু বেছি আঙুঠিৰ সৃষ্টি হব লাগিছিল। ইয়াৰ উপৰিও মতবাদটোৱে আঙুঠিৰ পৰা কেনেকৈ গ্ৰহৰ সৃষ্টি হৈছিল তাক বাখ্যা কৰিব পৰা নাই। এই ক্ষেত্ৰত বৰ্তমানৰ দৰে গ্ৰহৰ সৃষ্টি হোৱাতকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰহ সৃষ্টি হোৱাহে সম্ভবপৰ আছিল।

**সংঘৰ্ষ বাদ** ঃ ১৭৪৯ চনত বুফ নামৰ এজন ফৰাচী দাৰ্শনিকে এই মতবাদ আগৱঢ়ায়। এই মতবাদ অনুসৰি আদিতে সূৰ্য্যটো মহাকাশত ঘুৰি থাকোতে অন্য জ্যোতিষ্ক মণ্ডলৰ পৰা অহা এটা ধূমকেতুৰে সৈতে সূৰ্য্যৰ সংঘৰ্ষ হয়। এই সংঘৰ্ষৰ ফলত সূৰ্য্যৰ গাৰ পৰা কেইটামান অংশ খহি পৰে। এই খহি পৰা অংশবোৰৰ পৰাই কালক্ৰমত গ্ৰহ উপগ্ৰহৰ সৃষ্টি হয়।

**বিস্ফোৰণবাদ** ঃ ফ্ৰেড হয়েল নামৰ এজন বৃটিছ বিজ্ঞানীয়ে এই মতবাদ আগবঢ়ায়। এই মতবাদ অনুসৰি আদিতে এটা বিৰাট আকাৰৰ জ্যোতিষ্কই সূৰ্য্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰি আছিল। এইদৰে প্ৰদক্ষিণ কৰি থাকোতে

জ্যোতিষ্কটো এটা চুপাৰ ন'ভাত পৰিণত হয়। অতি মাত্ৰাত তাপ বিকিৰণ কৰি থাকোতে জ্যোতিষ্কটোৰ অকস্মাতে বিস্ফোৰণ ঘটে। এই বিস্ফোৰণত কিছুমান উত্তপ্ত গেছীয় খণ্ড সৃষ্টি হয়। কালক্ৰমত সূৰ্য্যৰ মধ্যাকৰ্ষণ কেন্দ্ৰৰ কবলত পৰি এইবোৰ ঘূৰিবলৈ ললে আৰু শেষত ইয়াৰ পৰাই গ্ৰহ উপগ্ৰহৰ সৃষ্টি হয়।

**গ্ৰহাণুবাদ ঃ** এফ মল্টন আৰু টমাছ চেম্বাৰিলিন(১৯০৪) নামৰ দুজন বিজ্ঞানীয়ে এই মতবাদ উলিয়াইছিল।এই মতবাদ অনুসৰি আদিতে সূৰ্য্যৰ ওচৰেৰে এটা বিশাল জ্যোতিষ্ক পাৰ হৈ যাওঁতে আকৰ্ষণৰ ফলত সূৰ্য্যটো ওখহি স্ফীতহৈ পৰে আৰু কিছুমান সৰু সৰু টেমুনা এৰাই অত তত সিচৰিত হবলৈ ধৰিলে। এই বিলাকেই হল গ্ৰহাণু। কালক্ৰমত এইবোৰ সূৰ্য্যৰ চাৰিওফালে ঘূৰিবলৈ ললে। এই গ্ৰহাণুবোৰৰ লগ লাগি গ্ৰহৰ সৃষ্টি হয়।

**জোৱাৰ বাদ ঃ** দুজন বিজ্ঞানীয়ে ভিন ভিন সময়ত এই মতবাদ আগবঢ়ায়। তেওঁলোক হল ছাৰ জেমচ জিনছ (১৯১৯) আৰু হেৰল্ড জাফিজ (১৯২৫)। এই মতবাদ অনুসৰি অতি পুৰণি কালত এটা অতিমাত্ৰা ডাঙৰ নক্ষত্ৰ মহাকাশত পৰিভ্ৰমণ কৰি থাকোতে সূৰ্য্যৰ কাষ চাপে। সূৰ্য্যৰ কাষ চপাৰ লগে লগে সূৰ্য্যৰ ওপৰিভাগ অতিমাত্ৰা জোৱাৰৰ কবলত পৰে আৰু এটা অংশ উফন্দি উঠে। এই উফন্দি উঠা অংশটো আকাৰত ডাঙৰ হৈ আহি সূৰ্য্যৰ গাৰ পৰা এৰাই যায়। এই গেছীয় টুকুৰাটো খণ্ড বিখণ্ড হৈ সৰু সৰু টুকুৰাত পৰিণত হয়। এইদৰে দহটা টুকুৰা হৈ তাৰে নটা গ্ৰহত পৰিণত হয় আৰু আনটো পুণৰ খণ্ড বিখণ্ড হৈ উপগ্ৰহৰ সৃষ্টি হয়। এই মতবাদটো বিজ্ঞানী সকলৰ মাজত জনপ্ৰিয়তা লাভ কৰি আহিছে।

**উল্কাপিণ্ডবাদ ঃ** ল'কিয়াৰ নামৰ এজন বিজ্ঞানীয়ে এই মতবাদ আগবঢ়ায়। এই মতবাদ অনুসৰি মহাকাশত গোট খাই থকা কিছুমান উল্কা পিণ্ডৰ পৰাই গ্ৰহ উপগ্ৰহৰ সৃষ্টি হৈছে। এই উল্কা পিণ্ডবোৰৰ নিজৰ মাজত হোৱা সংঘৰ্ষৰ ফলত গেছীয় অৱস্থাত পৰিণত হয়। এই গেছবোৰ লগ হৈ বিৰাট আকাৰৰ গেছীয় পিণ্ড বা নীহাৰিকাত পৰিণত হয়। এই নীহাৰিকাৰ পৰাই কালক্ৰমত গ্ৰহৰ সৃষ্টি হল।

আদি গ্ৰহবাদ অথবা ধূলি ডাৱৰ বাদঃ- জি কুইপাৰ, ভান ভাই জেকাৰ, অ.জে. স্মিথ আদি বিজ্ঞানী সকলে ডাৱৰ আৰু ধূলিৰ পৰা সৌৰজগতৰ সৃষ্টি হৈছে বুলি কৈছে। ভান ভাই জেকাৰৰ মতে (১৯৪৩) আন্ত জ্যোতিষ্ক মণ্ডল ধূলি আৰু ডাৱৰে পৰিপূৰ্ণ এইবোৰৰ পৰাই প্ৰথমতে সূৰ্য্যৰ সৃষ্টি হল আৰু ইয়াৰ চাৰিওফালে থকা ধূলিকণা আৰু গেছীয় পদাৰ্থৰ দ্বাৰা গ্ৰহৰ ভ্ৰূণৰ সৃষ্টি হয়। এই গ্ৰহ বোৰক আদ্য গ্ৰহ নামেৰে জনা যায়। অৱশেষত এই আদ্য গ্ৰহবোৰেই ডাঙৰ হৈ আজিৰ গ্ৰহৰ সৃষ্টি হল। অ.জে. স্মিথৰ মতে গোটা শীতল গেছীয় পদাৰ্থৰ ধূলিৰে গঠিত ডাৱৰৰ পৰা গ্ৰহ উপগ্ৰহবোৰৰ সৃষ্টি হৈছে। কুইপাৰ (১৯৫১) মতে সূৰ্য্যৰ চাৰিওফালে ঘূৰি থকা ধূলি ডাৱৰ বোৰৰ গঠন চেপেটা থাল এখনৰ দৰে। সূৰ্য্যৰ কিৰণৰ প্ৰভাৱত ধূলিবোৰ ইটোৰে সিটোৰে খুন্দা খাই পৃথক হৈ পৰে। এই দৰে পুনৰ সংঘৰ্ষৰ ফলত কণিকাবোৰ আয়তনত ডাঙৰ হবলৈ ধৰে।

এই সকলোবোৰ মতবাদ বিশ্লেষন কৰিলে দেখা যায় যে পৃথিবীৰ উৎপত্তি সম্বন্ধে থকা মতবাদবোৰ একে নহয়। ইয়াৰ ভিতৰত কোনটো শুদ্ধ বিজ্ঞানী সকলে এতিয়াও থিৰাংকৈ কব পৰা নাই। হয়তো এদিন সঠিক ভাবে উৎঘাটন হব আমাৰ পৃথিবীখন সৃষ্টিৰ ৰহস্য। (সহায় লৈ)

□□



# সামাজিক দায়িত্ববোধ

*শ্ৰীমতী ৰ'জী চেতিয়া*
*স্নাতক ১ম বাৰ্ষিক (কলা)*

জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ ক্ৰমবিকাশ ক্ৰমোন্নতিৰ ফলশ্ৰুতি হ'ল সমাজ। ইজনে সিজনক ধৰি বাচি থকা আৰু উন্নতি কৰাৰ আদৰ্শই সমাজ বান্ধোনৰ সেতু। প্ৰতিজন ব্যক্তিৰ সকলো অঙ্গ প্ৰত্যঙ্গ লগ হৈ প্ৰাণ সহ জীৱন। অঙ্গ-প্ৰত্যঙ্গ বা দেহটোৱে জীৱন হব নোৱাৰে। মই কৰা নাই-হাত দুখনেহে কৰিছে, মই কোৱা নাই-মুখ খনে কৈছে। ইয়াৰ কোনো বৈজ্ঞানিক বা তাত্বিক ভিত্তি নাই। তেনেকৈ সমাজ খনৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক,ক'লা সংস্কৃতিয়ে সভ্যতাৰ মাপকাঠি-সমাজৰ ভেটি। সমাজৰ ভেটি সুদৃঢ় কৰে ব্যক্তি সকলৰ আন্তৰিক প্ৰেম-প্ৰীতি, দয়া সহানুভূতি আদি গুণবোৰেহে। সহযাত্ৰী, সহকৰ্মী, সতীৰ্থ আদি শব্দবোৰে এক আদৰ্শত যোগসূত্ৰ স্থাপন কৰাৰ দৰে সমাজ বান্ধোন এক আদৰ্শৰ দ্বাৰাহে সম্ভৱ। এই আদৰ্শ দলগত,সম্প্ৰদায়গত আৰু জাতি গত হব নোৱাৰে। জাতি, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে মানৱ জাতিৰ প্ৰত্যেকে ব্যক্তি হিচাবে, দম্পতি হিচাবে, সমাজ হিচাবে আৰু ৰাষ্ট্ৰ হিচাবে সৃষ্টিৰ চাৰি মুঠি জীৱৰ ভিতৰত শ্ৰেষ্ঠ আসনত সুখ-শান্তি, আনন্দ আৰু সন্তুষ্টিৰে বাচি থাকিবলৈ হাবিয়াস কৰে। দৈহিক, মানসিক আৰু আত্মিক উন্নতি আমাৰ কাম্য। সেয়েহে জীৱ-শ্ৰেষ্ঠ মানুহে জীৱন যাত্ৰাত ইজনে সিজনৰ সৈতে মিলা প্ৰীতিৰ মাজত জীৱন উপভোগ কৰিবলৈ বিচাৰে। সমাজবাদ মানে সমাজক বাদ দি চলা নুবুজায়। সমাজক বাদ দি মানুহ অকলে বাচি থাকিবও নোৱাৰে। ব্যক্তিৰ নিজ বৈশিষ্ট, যোগ্যতা শক্তি আৰু সামৰ্থ্যই দায়িত্ববোধৰ সম্বল। প্ৰতিজন মানুহে নিজৰ গুণ-অগুণৰ বাবেই ইজনে-সিজনে দেখাত একে হলেও বিভিন্ন হৈ পৰে। জন্মগত বৈশিষ্ট্য আৰু পাৰিপাৰ্শ্বিক আবেষ্টনীৰ মাজত মানুহ বিভিন্ন ৰুচি অভিৰুচি, বিভিন্ন চিন্তা আৰু কৰ্ম্ম পদ্ধতিৰ মাধ্যমেদি হৈ পৰে বিভিন্ন। প্ৰতিজন ব্যক্তিয়ে হৈ পৰে বিভিন্ন প্ৰকৃতিৰ, বিভিন্ন স্বভাৱৰ আৰু বিভিন্ন চৰিত্ৰৰ। যাৰ ফলত যদিও প্ৰত্যেকৰে জীৱন আৰু বৰ্দ্ধনেই লক্ষ্য তথাপি ভাল-বেয়া , উত্তম-অধম, নীতি-অনীতি আদিৰ মাধ্যমেদি মানুহ আগবাঢ়ি যাবলৈ বৃথা চেষ্টা কৰে। এনেদৰে আহি পৰিছে অন্যায়-অবিচাৰ, অত্যাচাৰ-অনাচাৰ আৰু ব্যাভিচাৰ। সামাজিক তথা ৰাষ্ট্ৰীয় জীৱন যাত্ৰাত যাৰ ভাগত যি কাম পৰিছে সেই কামৰ ভাওত ক্ষমতা, প্ৰতিপত্তি আহি পৰে। ক্ষমতা আৰু প্ৰতিপত্তিয়ে বহুতক অন্ধ কৰে। মদমত্তভাৱে তললৈ টানি নিয়ে। নিজৰ কামৰ ভাও দিওতে হৈ পৰে অপ্ৰাসংগিক আৰু অবাঞ্চিত। তেনেকৈ সংসাৰ মঞ্চত যাৰ ভাগত যি ভাও, সেই ভাওত নাথাকি বৃত্তি-প্ৰবৃত্তিৰ বস্তুবাদী মনোভাৱ ললে সংসাৰত বিশৃঙ্খলতা দেখা দিয়া নিতান্ত স্বাভাৱিক। কাৰণ আদৰ্শত কম্প্ৰ'মাইজ (আপোচ) নচলে।

বৰ্তমান সমাজৰ মান উন্নতিৰ প্ৰকল্পৰ প্ৰয়োজন আছে। চিন্তাবাদী গোষ্ঠী, দাৰ্শনিক আৰু সমাজবাদী ৰাজনৈতিক নেতৃবৃন্দই এই বিষয়ত চিন্তা-চৰ্চাও যথেষ্ট কৰিছে। সমাজৰ ভাঙোন বোধ কৰিবলৈ বিভিন্ন দিশত লব পৰা ব্যৱস্থাতো ত্ৰুটি কৰা নাই। কিন্তু সমাজ দিনে দিনে ভাঙি টুকুৰা টুকুৰ হৈ যাব ধৰিছে। আজি দেখাত আৰু

কথাতহে মিলা প্ৰীতি, কামৰ ক্ষেত্ৰত নাই। সেয়েহে সমাজৰ ভাঙোন ৰোধ কৰিবলৈ হলে গুন আৰু কৰ্ম অনুসাৰে সংস্কাৰ কৰা একান্ত প্ৰয়োজন। ভাৰতীয় কৃষ্টিৰ ধাৰাত এনেধৰণৰ বৈশিষ্ট্যগত সমাজ বিশেষভাৱে প্ৰতিষ্ঠিত। গুণ আৰু কৰ্মৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বিজ্ঞান সন্মতভাৱে পুনৰ ব্যৱস্থাৰ সময় উপস্থিত হৈছে। এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপৰ প্ৰয়োজন। যীশুখৃষ্টই কৈছিল -'Resist, No evil.' প্ৰতিৰোধ কৰা, বেয়া নহব বা নাথাকিব। অসৎ বা অন্যায় প্ৰতিৰোধ কৰিবলৈ হলে সৎসাহস আৰু আপোচহীন মনোবৃত্তি বৃদ্ধি কৰা প্ৰয়োজন। পৰিবেশ সংশোধনৰ দায়িত্ব বৰ কঠিন। কিন্তু এই দায়িত্ব এৰাই চলিলে নহব। অসৎ বা অন্যায়ৰ প্ৰতিৰোধ বা নিয়ন্ত্ৰণৰ কৌশল আছে। প্ৰয়োজন হলে ৰুদ্ৰ মূৰ্তি ধৰিও অন্যায়ক বাধা দিব লাগে। আকৌ স্থান কাল পাত্ৰ ভেদে বিনীত, নম্ৰ আৰু দয়ালু হৈও অন্যায় ৰোধ কৰিব পাৰি। অৱস্থা বুজি ব্যৱস্থা লবলৈ বুদ্ধি আৰু মানসিকতাৰ আৱশ্যক। ভয় কৰি বা গা এৰাদি পিছুৱাই গলেই নহয়। কাৰণ চেষ্টা নকৰাহে দুৰ্ব্বলতা। এই দুৰ্ব্বলতা আমাৰ বহুতৰে আছে। বৰ্ত্তমান যুগত দেখা যায় মানুহে কোনো ক্ষেত্ৰতে সৎসাহসৰ পৰিচয় দিব নোৱাৰে। কাৰণ, আমাৰ মানসিক দৃঢ়তাৰ অভাৱ। সৎমানুহ বা ভাল মানুহৰ যে অভাৱ আছে সেইটো নহয়। বৰং সমাজৰ পৰিসংখ্যা উলিয়ালে দেখা যাব সৎ ব' ভাল মানুহৰ সংখ্যা অসৎৰ তুলনাত বেছি। কিন্তু বেছি ভাগেই মেৰুদণ্ডহীন। অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ সৎসাহস নাই। ভয়তে মনে মনে থাকে। ফলত অসৎ মানুহে সকলো সময়তে সমাজত প্ৰাধান্য বিস্তাৰ কৰাৰ সুবিধা পায়। আপোচহীন মনোবৃত্তি আঁজিৰ সমাজত ক্ৰমে দুৰ্লভ হৈ পৰিছে। আমি যিহক অন্যায় অৰ্থাৎ ধৰ্ম, কৃষ্টি, ঐতিহ্য, ভদ্ৰতা, সভ্যতা আৰু সত্যৰ পৰিপন্থী বুলি বুজো তাৰ বিৰুদ্ধে আপোচহীন যুজ দিয়া দূৰৰ কথা বেছি ভাগ ক্ষেত্ৰত দেখিও নেদেখা, শুনিও নুশুনা ভাও ধৰি এৰাই চলা দেখা যায়। আমি ভাবি লওঁযে ইয়াত মোৰ ব্যক্তিগত ক্ষতি নাই। সমাজৰ কাৰোবাৰ কিবা হলেও মোক সেইবোৰে নাপায়। এনেকৈয়ে অন্যায়বোৰ বৃদ্ধি হৈ আহিছে। সেয়েহে আমি সামাজিক তথা ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ প্ৰতি সজাগ আৰু সক্ৰিয় ভূমিকা লব লাগে। বহুতেই ভাৱে অসতক বাধা দিবলৈ গলেই কাজিয়া। কিন্তু ভাবিব লাগিব যে মঙ্গলৰ প্ৰতি লক্ষ্য কৰিহে প্ৰতিবাদ কৰা হৈছে। আত্মসংযম হেৰুৱাই প্ৰতিবাদ কৰিবলৈ গলে দুয়োপক্ষৰে ক্ষতি হয়। সংসাৰত যোগ্য ব্যক্তিৰ যেনেকৈ ভোক লাগে অযোগ্য ব্যক্তিৰো তেনেকৈ ভোক লাগে। এই জীৱন ধাৰণৰ তাগিদাত হয়তো চোৰে চুৰি কৰিবলৈ বাধ্য হয়। ইয়াত দোষ বাৰু কি? আমি যদি তাৰ ভিতৰত থকা সম্ভাৱনাখিনি লৈ তাৰ যোগ্যতা বৃদ্ধিৰ ব্যৱস্থা কৰো, ল'ৰা ছোৱালী খাবলৈ নাপালে খোৱাৰ ব্যৱস্থা কৰো, সু-শিক্ষাৰ ব্যৱস্থা কৰো, বিপদে-আপদে, সৎপথত উপাৰ্জ্জনশীল হবলৈ সহায় কৰো তেন্তে চোৰ বৃত্তি এৰি সি ভাল মানুহৰ শাৰীলৈ আহিব পাৰে। অৱশ্যে জন্মগত ভ্ৰষ্ট ব্যক্তি ভাল হোৱাৰ সম্ভাৱনা বৰ কম। চোৰক চোৰ বুলিলে নিশ্চয় ভাল নাপায়। সি চোৰ হৈ থাকিবলৈ নিবিছাৰে কিন্তু পেটৰ জ্বালাত থাকিব নোৱাৰে। আমি যদি ঘৃণা নকৰি সহানুভূতিৰে চাওঁ তেনেহলে বহুত চোৰ ভাল মানুহ হব পাৰে। বৰ্ত্তমান মানুহে মানুহৰ বাবে নাভাবে আৰু ভাবিবলৈ টান পায়। আজি মানুহ মানুহৰ শত্ৰু। এখন সমাজ আন এখন সমাজৰ শত্ৰু। এখন দেশ আন এখন দেশৰ শত্ৰু। এই ধাৰণাই আজি আমাৰ মানৱ সমাজ পঙ্গু কৰিছে। সেইবাবেই প্ৰয়োজন হৈছে-সহৃদয়তা আৰু সমবেদনাৰ। অপৰাধীয়ে কিয় অপৰাধ কৰে সেইটো বুজিব পাৰিব লাগিব আৰু ইয়াৰ প্ৰতিকাৰ যাতে হয় তাৰ ব্যৱস্থা কৰিব লাগিব। পাপৰ প্ৰতি ঘৃণা, যি ব্যক্তিক পাপে আক্ৰমণ কৰিছে তেওঁৰ প্ৰতি সমবেদনা ৰাখি তেওঁক সুস্থ আৰু স্বাভাৱিক কৰি তুলিবলৈ যত্ন কৰা আমাৰ কৰ্তব্য। ৰোগাক্ৰান্ত ব্যক্তিক আমি মাৰি নেপেলাওঁ চিকিৎসা কৰি আৰোগ্য কৰাৰহে ব্যৱস্থা কৰো। অসৎ বা অন্যায় অবিচাৰ ৰোধ কৰিবলৈ অপাৰগ হলেই



সমাজত অন্যায় অবিচাৰ বৃদ্ধি হয়। এই অসৎ প্ৰবৃত্তিয়ে সমাজৰ অন্য কাৰোবাক আক্ৰমণ কৰা মানেই নিজকো আক্ৰমণ কৰা। পৰিবেশ যদি নষ্ট হয় তেন্তে সেই পৰিবেশত নিজক ভালে ৰখা কঠিন হৈ পৰে। অসৎ পৰিবেশত অজানিতে আমি অসৎ হবলৈ আগুৱাই যাওঁ। সৎ আৰু অসৎ দুয়োটাৰে প্ৰতি সমানে সতৰ্ক হৈ চলিব পাৰিব লাগে। এই দুটাৰ এটিৰ প্ৰতিও যদি মানুহ উদাসীন হয় আৰু ইয়াৰ প্ৰস্তুতি যদি শিথিল হয় তেন্তে ইয়াৰ কুফল ভোগ কৰিবলৈ সাজু নাথাকিলেও ভোগ কৰিব লাগিব। আমাৰ মাজত থকা কু-প্ৰবৃত্তি পৰায়ণতা দূৰ কৰাৰ বাবে আমি সচেতন নহয়। বৰংচাৰিওফালে আৰু ইন্দ্ৰিয় চৰ্চ্চাৰ নানা উপকৰণে আমাক ক্ৰমান্বয়ে লোভী, ভোগী, কামাসক্ত ইন্দ্ৰিয় পৰায়ণকৰি তুলিছে। যিহেতু আমি নিজেই নিজৰ প্ৰবৃত্তি পৰায়ণতাৰ দাস হৈ পৰিছো আনক ভাল কৰাৰ যোগ্যতাই বা ক'ত। স্বাৰ্থপৰ, আত্মকেন্দ্ৰিক আৰু ভোগ বিলাসৰ সৰ্ব্বস্ব হৈ সমাজ তথা ৰাষ্ট্ৰক হীন আৰু নীচ কৰি তোলাই জানো আমাৰ দায়িত্ব? অতিৰিক্ত প্ৰাপ্তিৰ দুৰাকাঙ্খাত আমি সামান্য অৰ্থৰ বিনিময়ত মনুষ্যত্ব বিসৰ্জ্জন দিছো। এনে ব্যক্তিয়ে সমাজৰ শত্ৰু। গতিকে সেৱাৰ মানসিকতাৰেহে জন সমাজৰ পৰা অন্যায়ক প্ৰতিৰোধ কৰি সামাজিক দায়বদ্ধতা পালন কৰিব পাৰি।

❑❑

**মহৎলোকৰ বাণী**

*সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।*

– জ্যোতি প্ৰসাদ আগৰৱালা।





# জোনাকী যুগ আৰু অসমীয়া ভাষা উন্নতি সাধিনী সভা

*শ্ৰী ইন্দ্ৰজিৎ শইকীয়া*
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

'জোনাকী'ৰ জন্ম লগ্ন আধুনিক অসমীয়া ভাষা সাহিত্যৰো জন্মতিথি বুলি কোৱা হয়।

সেই কালত অসমত উচ্চ শিক্ষাৰ ব্যৱস্থা নথকাত, অসমীয়া যুৱক যুৱতীয়ে ভাৰতৰ সংস্কৃতিক ৰাজধানী কলিকতালৈ উচ্চ শিক্ষা লাভৰ বাবে যাবলগীয়া হৈছিল। কলিকতাত পঢ়ি থকা জনদিয়েক অসমীয়া ডেকাৰ প্ৰচেষ্টাত প্ৰথমতে তেওঁলোকে সাহিত্য সাংস্কৃতি বিষয়ৰ আলোচনা কৰিবৰ বাবে প্ৰতি শনিবাৰে চাহ মেল একোখনত মিলিত হৈছিল। সেইসময়ৰ বংগদেশৰ ৰমন্যাস যুগৰ ঢৌৱে তেওঁলোকৰ মনত গভীৰ ৰেখা পাত কৰিছিল আৰু সেয়ে নিজৰ ঐতিহ্য-পৰম্পৰা বিচাৰি তেওঁলোকে আত্মসমালোচনাৰ লগতে এই বৈঠকতে অসমীয়া ভাষা-সাহিত্য তথা জাতিৰ প্ৰতি সেৱা আগ বঢ়াবলৈ দৃঢ় প্ৰতিজ্ঞা হৈছিল। এনেদৰে কেইবা খনো শনিবৰীয়া চাহ মেলৰ পিছত ১৮৮৮ খৃষ্টাব্দৰ ২৫ আগষ্টত অনুস্থিত এখন চাহ মেলত তেওঁলোকে " অসমীয়া ভাষা উন্নতি সাধিনী সভা" নামেৰে এখন সভা গঠন কৰিলে। প্ৰস্তাবত কোৱা হয় যে এই সভাই অসমীয়া ভাষাৰ সবাত্মক উন্নয়নত সহাঁৰি যোগাব, গৰবীনি অসমী আইৰ মুখ উজ্বলাব তথা তেতিয়াৰ অসমীয়া ভাষা সাহিত্যৰ পয়ালগা অৱস্থা দূৰ কৰি বিশ্ব দৰবাৰত আমাৰ ভাষা সাহিত্যক মহিমামণ্ডিত কৰিব।

ভাষা-সাহিত্যৰ উন্নতি সাধনৰ অৰ্থে প্ৰকাশৰ এটা মাধ্যমৰ প্ৰয়োজন। সেয়ে সেই উদ্যোগী কলিকতীয়া ডেকা কেইজনেই অসমীয়া ভাষাৰ আলোচনী এখন প্ৰকাশৰ সিদ্ধান্ত গ্ৰহন কৰি, ১৮১০ শকৰ মাঘ মাহতে অৰ্থাৎ ১৮৮৯ খৃষ্টাব্দৰ ৯ ফেব্ৰুৱাৰীত 'জোনাকী' ৰ প্ৰথম সংখ্যা প্ৰকাশ কৰিলে। 'জোনাকী' ৰ প্ৰথম সংখ্যা প্ৰকাশৰ লগে লগে শিক্ষিত অসমীয়া সমাজত তোলপাৰ লাগিল আৰু আলোচনী খন প্ৰকাশৰ লগত জড়িত ডেকাকেইজনৰ আশা অনুসাৰে, 'জোনাকী'ৰ জন্ম লগ্নতে আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্থাপিত হৈ গ'ল।

চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, আৰু হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগতে 'জোনাকী'ৰ শুভসূচনা হলেও, এই তিনিওজনৰ ভিতৰতে বেজবৰুৱা আছিল অধিক সক্ৰিয়। 'জোনাকী'ৰ পোহৰ ক্ৰমে সম্প্ৰসাৰিত হৈ অসমীয়া সাহিত্যৰ নিত্য নতুন লেখকৰ আবিৰ্ভাব ঘটালে। জোনাকীৰ পৃষ্ঠাত উল্লেখিত তিনিগৰাকী প্ৰাতঃ স্মমৰণীয় সাহিত্যিকৰ উপৰিও লম্বোদৰ বৰা, ঘনশ্যাম বৰুৱা, কমলাকান্ত বৰদলৈ, সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ, কনকলাল বৰুৱা, বেনুধৰ ৰাজখোৱা, আনন্দচন্দ আগৰৱালা, হেমলতা দেৱী, প্ৰজ্ঞাসুন্দৰী দেৱী আদিৰ বিভিন্ন ৰচনা



প্ৰকাশ পালে। এনেদৰে উনৈশ শতিকাৰ ইংৰাজী ৰমন্যাসৰ ঢৌৰে অসমীয়া সাসিত্যিক সকলে অসমীয়া সাহিত্যৰ পথাৰ শুৱনি কৰিলে, জাতীয় চেতনা জাগ্ৰত কৰিলে, ভাষা-সাহিত্যক ন-ৰূপ দিলে। সম্ভৱতঃ সপ্তম বছৰ প্ৰথম সংখ্যালৈকে বহু বাধা বিঘিনীৰ মাজেৰেও জোনাকী প্ৰকাশ পাইছিল। পিছত ১৯০১ চনত নতুন ৰূপেৰে গুৱাহাটীৰ পৰাও জোনাকী প্ৰকাশ পাইছিল।

জোনাকী যুগ আছিল মূলতঃ অসমীয়া কাব্য সাহিত্যৰ যুগ। গল্প, নাটক, গীত, ৰম্যৰচনা, প্ৰবন্ধ আদি সাহিত্যৰ বিভিন্ন শাখাৰ ভিতৰতে এই যুগত কবিতাই অত্যাধিক প্ৰসাৰ লাভ কৰিছিল। জোনাকীয়ে অসমীয়া জাতিক অস্তিত্বৰ প্ৰতিষ্ঠা দিলে, আধুনিক ভাষা সাহিত্যক ঐতিহ্য দিলে, শিক্ষাৰ সম্প্ৰসাৰণ ঘটালে, আত্মসন্মান আৰু আত্মাভিমানৰ চেতনা দিয়াৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ বৰঘৰ নিকপকপিয়াকৈ বান্ধি থৈ গ'ল।

'জোনাকী' আৰু 'অসমীয়া ভাষা উন্নতিসাধিনী সভা'ৰ শতবৰ্ষৰ আলোকতে অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত পুনৰ এক জাগৰণ সৃষ্টি হ'লেহে অসমীয়া জাতিয়ে বেজবৰুৱা কৃপাবৰ বৰবৰুৱা, বেনুধৰ শৰ্মা, সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ,অম্বিকাগিৰি ৰায় চৌধুৰীৰ দৰে সাহিত্য সেৱীৰ সন্ধান আশা কৰিব পাৰিব।

'জোনাকী আৰু অঃ ভাঃ উঃ সাঃ সভাৰ শতবৰ্যতে অসম প্ৰকাশন পৰিষদে জোনাকীৰ সকলোবোৰ সংখ্যা একত্ৰে প্ৰকাশ কৰিবলৈ লোৱাটোও অসমীয়া ভাষা সাহিত্যৰ বাবে এটি শুভ লক্ষণ।



# যাত্ৰী

*শ্ৰীমতী সঙ্গীতা সোনোৱাল*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

চলন্ত ট্ৰেনখন দ্ৰুত গতিত আগবাঢ়িব ধৰিছে। আজি যথেষ্ট গৰম পৰিছে। নপৰিবই বা কিয়। জুলাই মাহৰ গৰম। তাতে আকৌ আজি কিমান দিনৰ পৰায়ে বৰষুণৰ মুখেই দেখিবলৈ নাই। মই যোৱা ডবাটোত মানুহেৰে ঠাহ খাই গৈছে। এই যে মানুহবোৰো আৰু, কোনোমতে দৰজাই খিৰকিয়ে ওলমি যাব পাৰিলেই হ'ল। মোৰ ওচৰতে থকা ডবাটোৰ একমাত্ৰ খিৰিকি খনেদি বতাহ এচাটি সোমাই আহি মোৰ চুলিৰ ওপৰেদি টৌ খেলি গৈছে। ৰাস্তাৰ দাতিত শাৰী শাৰীকৈ থকা নাৰিকলৰ গছবোৰ দেখি সঁচাকৈ বৰ ভাল লাগিছে। বাহিৰলৈ চাই গৈ থাকোতে মালৈ মনত পৰি গ'ল। মই ওলাই আহিবৰ সময়ত খুব কান্দিছিল।

গুৱাহাটিৰ পৰা মই বি.এ টো ভাল নম্বৰসহ উত্তীৰ্ণ হলো। লগৰ সকলোৱে দূৰে দূৰে পঢ়িবলৈ যোৱাত মোৰো মন গ'ল বাহিৰত (অসমৰ বাহিৰত) পঢ়িবলৈ যাবলৈ। কিন্তু মায়ে মোক ইমান দূৰলৈ পঢ়িবলৈ যাবলৈ নালাগে বুলিয়ে কৈছিল। মাৰ ভয়, জানোচা মই গৈ তাত হেৰায়ে থাকিম। অৱশ্যে মাৰ কথাটোও ঠিক। ঘৰৰ একমাত্ৰ ছোৱালী। তাতে আকৌ আজিকালি যিহে দিনকাল পৰিছে। এদিন শুনিবা কৰবাত বম ফুটিছে, এদিন শুনিবা কোনোবা অচিনাকী লোকে চহৰৰ মাজমজিয়াত দিন দুপৰতে কাৰোবাক হত্যা কৰিছে ইত্যাদি, ইত্যাদি। তথাপি মোৰ অশেষ জিদ আৰু দেউতাৰ বুজনিত যেনিবা মা কোনোমতে মান্তি হ'ল। মই দিল্লী বিশ্ববিদ্যালয়ত মোৰ নাম ভৰ্ত্তি কৰিলো। ট্ৰেনখনৰ জোকাৰণি এটাত মই কথমপিহে পৰি নোযোৱাকৈ ৰৈ গ'লো। ট্ৰেনখন আহি কোনোবা এটা ষ্টেচনত ৰলহি। তেতিয়াহে মই মন কৰিলো আমি ইতিমধ্যে অসম পাৰ হৈ কোচ বিহাৰত প্ৰৱেশ কৰিছো। ট্ৰেনখন ৰখোৱাত মানুহবোৰ এটা এটাকৈ লাহে লাহে ডবাটোৰপৰা নামিব ধৰিলে। হয়তো কিছুমানে চাহ খাবলৈ, কিছুমানে অলপ মুকলিলৈ বুলি ওলাই গৈছে। মই ট্ৰেনৰপৰা নমা নাই । মায়ে ট্ৰেনৰপৰা নামিব নালাগে বুলি মোক খোৱা বস্তুবোৰ লগতেই দি পঠিয়াইছে। ভোকো লাগিছে অলপ। লৰা-লৰিকৈ খোৱা বস্তুবোৰ উলিয়াই খাবলৈ বুলি লওঁতেই দেখিলো মোৰ একেটা ডবাতে মোৰ সন্মুখৰ চিটটোৰ চুক এটাত লৰা এটা বহি মোৰ ফালে চাই আছে। সকলো মানুহ ট্ৰেনৰপৰা নামি গ'ল, ই আকৌ ইয়াত বহি কি কৰিছে। খাবলৈ লৈয়ো মই খাব নোৱাৰিলো। মোৰ ফালে যিহে বোন্দাচাৱনি দি চাই আছে। মই এনেয়ে খিৰকিৰে ইফালে চাই পঠিয়ালো। পুনৰ লৰাটোলৈ চকু গ'ল। তেতিয়াও সি মৌলৈ চায়ে আছে। এইবাৰ কিন্তু মোৰ সঁচাকৈয়ে অলপ ভয় লাগিল। মায়ে কোৱা কথাবাৰলৈ মনত পৰিল, আজিকালি ট্ৰেনত যিহে চুৰি ডকাইতি অহাযোৱা কৰিবলৈকে ভয় হ'ল। ইতিমধ্যে ট্ৰেনখন যাবলৈ সময় হোৱাত মানুহবোৰ এজন এজনকৈ আহি আকৌ নিজৰ নিজৰ চিটত বাহি পৰিল। লাহে-লাহে ট্ৰেনখনেও নিজৰ গতিবেগ ললে। এইবাৰ লৰাটো নিজৰ চিটৰপৰা উঠি আহি মোৰ কাষতে আহি ৰলহি। তাৰ এইবোৰ কাণ্ড-কাৰখানা দেখি মোৰ কাণ মূৰ গৰম হৈ গ'ল। এইবাৰ মোক উদ্দেশ্য কৰিয়েই ক'লে আপুনি দিল্লীলৈ যাব নেকি? মোৰপৰা কোনো সহাৰি নাপাই পুনৰ আৰম্ভ কৰিলে মিচ পৰী, আপোনাকেই কৈছো। আও, ই দেখুন



মোৰ নামটোও জানে। লৰাটোৰ ওপৰত ইমানেই খং উঠি গৈছিল যে তাক একেবাৰে কাণতলীয়া চৰ এপাট দিবৰ মন গৈছিল। কোনোমতে নিজকে চম্ভালি লৈ ক'লো — মই যতেই নাযাওঁ আপোনাক কিয় লাগে? মোৰ উত্তৰত লৰাটোৱে যথেষ্ট লাজ পোৱা যেন লাগিল। তাত থকা বাকী মানুহবোৰেও মোৰ ফালে থৰ লাগি চাব ধৰিলে। অলপ লাজো লাগিল। বেছি বেয়াকৈয়ে ক'লো নেকি বাৰু। এইবাৰ লৰাটোৱে পুনৰ মোক কলে – আপুনি বোধহয় মোক চিনি পোৱা নাই। সেই যে আমি গুৱাহাটীৰ চিটি বাছত লগ পাইছিলো। এইবাৰ মই লৰাটোলৈ মূৰ তুলি চালো। আৰে, হয়তো আকৌ, এইটো দেখুন সৌ সিদিনা গুৱাহাটিৰ চিটি বাছত লগ পোৱা লৰাটো।

সেইদিনা মোৰ পৰীক্ষা আছিল। পৰীক্ষা দিবলৈ বুলি কলেজলৈ ওলাই গৈ বাছত উঠিলোগৈ। মানুহৰ হেচা ঠেলাত বাছৰ ভিতৰত গাটোকে লৰচৰ কৰিব নোৱাৰি। তাতে আকৌ এচামে এনেকৈ যাবলৈ পালে বৰ ভাল পায়। ভীৰৰ কোবত মোৰ উশাহ বন্ধ হওঁ হওঁ অৱস্থা। এনেতে মোৰ ওচৰতে কাষৰ চিটটোত বহি থকা লৰাটোৱে চিটটোৰপৰা উঠি মোক ক'লে আপুনি ইয়াতে বহক, মই থিয়হৈয়ে যাব পাৰিম –। লৰাটোৰ প্ৰতি ধন্যবাদ জনাই মই চিটটোত বহি পৰিলো। কলেজ আহি পোৱাত বাছৰপৰা নামি দেখো লৰাটোও বাছৰপৰা নামি যাবলৈ ধৰিছে। ময়ে তেওঁক পিছপিনৰ পৰা মাত লগালো — অকনমান শুনকচোন, আপুনি ক'ত যাব বাৰু –? কথা বতৰাৰপৰা গম পালো তেওঁ যোৰহাটৰ পৰা চাকৰি এটাৰ বাবে আজি গুৱাহাটিলৈ ইন্টাৰ ভিও দিবলৈ, আহিছে। মই তেওঁক ইন্টাৰ ভিওৰ বাবে শুভেচ্ছা জনালো। তেৱোঁ মোক পৰীক্ষাৰ বাবে শুভেচ্ছা জনালে। তেওঁ মোক মোৰ নামটো সুধিলে যদিও মই তেওঁৰ নামটো জনাত ইমান ইচ্ছা প্ৰকাশ নকৰিলো।

লৰাটোৰ মুখলৈ চাবলৈ মোৰ লাজ লাগিল। ছিঃ কি যে ভাবিছিলো লৰাটোৰ বিষয়ে। তেওঁ মোৰলগত ধুনীয়াকৈ কথা পাতিছে যদিও মোৰ মনৰ পৰা তেতিয়াও সঙ্কোচ ভাব আতৰা নাই। এনেকৈ ইটো সিটো কথাৰ পৰা গম পালো তেওঁ সিদিনা দিয়া ইন্টাৰভিওটোৰ বাবে চাকৰি পাইছে। দিল্লীত পষ্টিং। সেইবাবে দিল্লীত চাকৰিত জইন কৰিবলৈ আহিছে। আমি মানুবোৰো যে ইমান স্বাৰ্থপৰ মই আজিহে উপলব্ধি কৰিলো। যিজন মানুহে মোক সিদিনা বাছত যাবলৈ কষ্ট হোৱাত মোৰ অকমান সুবিধা হওক বুলিয়েই ইমানখিনি সহায় কৰিলে, আৰু আজি মই তেওঁকেই চিনি নোপোৱা হ'লো। সঁচাকৈ আমি নিজৰ স্বাৰ্থৰ বাবে কাৰোবাৰপৰা সহায় বিচাৰো আৰু স্বাৰ্থ সিদ্ধি হোৱাৰ পাছতেই তেওঁক পাহৰি যাওঁ। হয়তো দিন যোৱাৰ লগে লগে মই লৰাজনক আকৌ পাহৰি যাম। কোনে জানে আকৌ বা ক'ত তেওঁক পুনৰ লগ পাওঁ .......।

❑❑



# করম উৎসৱৰ ঐতিহাসিক মূল্যাংকন

*শ্ৰী জগত কুৰ্মি*
*৩য় বাৰ্ষিক স্নাতক (কলা শাখা)*

১৯৬৯ চনৰ ২৬ জানুৱাৰী তাৰিখে কলা গুৰু বিষ্ণু ৰাভাই কৈছিল "অসমীয়া কৃষ্টি সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট।" সৰু সৰু জুৰি, নিজৰা, নৈ-উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যি ভাৱে ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমেও বহুজাতি - উপজাতি আৰু জনজাতিৰ কৃষ্টি সংস্কৃতিৰ সৈতে বিশালতা আৰু বিৰাটতা লাভ কৰিছে। সেই বিভিন্ন জাতি উপজাতিৰ ভিতৰত ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা অহা চাহ শ্ৰমিক সকল বৰ্ত্তমান চাহ মজদুৰ নামেৰে পৰিচিত।

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ "গগণ নিৰ্ম্মল স্বচ্ছ ভৈল জল" ৰ শাৰদীয় সৌম্য পৰিবেশৰ মাজতেই ঝুমইৰ গীতৰ পাতনি মেল খায় আৰু ভাদমাহৰ শুকুলা একাদশী তিথিত কৰম পূজা নামৰ এই অনুষ্ঠানতো পালন কৰা হয়। কৰম হল কৰ্ম্মৰ অপভ্ৰংশ আৰু একাদশী হল - ভাদ মাহৰ শুক্লা একাদশী তিথি। এই ব্ৰত শুক্লা পঞ্চমী তিথিৰ পৰা আৰম্ভ কৰি শুক্লা একাদশী তিথিলৈকে পালন কৰা হয়। ব্ৰত ৰাখোতা জনৰ সাধাৰণতে কৰম ৰাজা বা গোঁসাই বুলি সম্বোধন কৰা হয়। কৰম গোঁসাই হল কৰ্ম্মৰ দীক্ষা দিয়া গোঁসাই।

কৰম পৰবৰ জন্মস্থান হল বৃন্দাবন আৰু কাশী। এই সম্পৰ্কে ভাৰতবৰ্যৰ উদ্ধাৰ কৰ্ত্তাও অধ্যয়ন কাৰী ডেল্টন চাহাবে মতামত প্ৰকাশ কৰি কৈছে যে পুৰাণৰ শ্লোকৰ মাজত কৰম পৰবৰ জন্ম বৃতান্ত পোৱা যায়। তেওঁ কয় যে উক্ত পুৰাণখনে কৰম পৰব কেতিয়াৰ পৰা আৰু কিদৰে মানুহে পালন কৰিবলৈ ধৰিলে সেই বিষয়ে কিছু নিৰ্ভৰযোগ্য তথ্যৰ যোগান ধৰে। সেয়ে ডেল্টন চাহাবে কয় কৰম পৰব অতীতৰ হিন্দুসকলৰ পৰা চলি অহা এটি প্ৰধান উৎসৱ। আকৌ কৰম ৰাজা পিতৃ বিক্ৰমৰ শক্তিৰ প্ৰতীক আৰু ইয়াৰ দুই পুত্ৰ 'কৰমা' আৰু 'ধৰমা'। কম্মই কেৱল ধৰ্ম সংগ্ৰহ কৰিব লৈ অনুপ্ৰেৰনা যোগাইছে আৰু আনটোৱে আৰাধনাৰ অনুপ্ৰেৰণা যোগাইছে। কৰম উৎসৱ ভাদমাহৰ শুক্লা পঞ্চমী তিথিত কৰমতী বা কৰমব্ৰতী কিশোৰী সকলে এটি ডাঙৰ আৰু দুটি সৰু বাহঁৰ নতুন টুকুৰী লৈ নৈৰ পাৰলৈ যায়। তাত গা- পা ধুই এডোখৰ ঠাই পৰিস্কাৰ কৰিলৈ থাপনা পাতে। তিনিটা টুকুৰীত বুটমাহ, মগুমাহ, মাটিমাহ আদি শস্য-অঙ্কুৰিত হবলৈ সেঁচি দিয়ে। আৰু তিনি খিলা জিকা পাতত তিনি ভাগ শষ্য বিঘ্ন বিনাশন দেৱতা শ্ৰী শ্ৰী গনেশ্বৰ নামত উছৰ্গা কৰে। কৰম ব্ৰতী সকলৈ কিছুমান পবিত্ৰ বিধি বিধান মানি চলিব লগা হয়। এই অঙ্কুৰিত শস্য খিনিকেই জাৱা বুলি কয়। ইয়াৰ আচল নাম জৱৰা অৰ্থাৎ মগু, মাটি মাহ আদি অঙ্কুৰীত শস্য।

কৰম বিসৰ্জ্জন কৰিবলৈ দোকমোকালিতে বিধিমতে কৰমৰ পুলি দুটি উঘালি চাৰিজনীয়ে ডাঙি ধৰে আৰু বাকী কৰমতী সকলে জাৱাৰ টুকুৰী বিলাক মুৰত তুলি নদী বা জানত বিৰ্সজন কৰে। নৈৰ পাৰ বিলাক কঁহা বা কুশ বনৰ ফুলেৰে ভৰি থাকে। গতিকে কাণ নদী বিচাৰি অযোাধ্যালৈ নগৈ কাশ বনেৰে আবৃত তীৰ যুক্ত জান জুৰিতে





কৰম ৰজাক ঢোলৰ তালে তালে নাচি গীত গাই বিসৰ্জন দিবলৈ লৈ যায় আৰু নৈত বিসৰ্জন কৰে। কৰম পূজা বা কৰম উৎসৱ চাহ মজদুৰ সমাজত প্ৰচলিত কৃষি উৎসৱ। কৰম গোঁসাইৰ প্ৰতীক কৰম ডালত নতুন কাপোৰ ডোখৰত বান্ধি কৰমতী সকলে ভাতৃ সকলৰ ধৰম কামনা কৰে। ভাতৃৰ ধৰম হল বায়েক বা ভনীয়েকৰ ৰক্ষণা বেক্ষণৰ দায়িত্ব গ্ৰহণ কৰা আৰু সেই উদ্দেশ্যেই কৰমতী সকলে কৰম গোঁসাইক নিজৰ ভায়েক সকলক লাখ বছৰ জীয়াই থকাৰ আৰ্শীবাদ বিচাৰে ।

"পুৰণি পুথি বিলাক আমাৰ পুৰণি ৰতন। ৰতন
যেনেকৈ পুৰণি হলেও অকামিলা নহয় বৰং তাৰ মূল্য বাঢ়েহে।
সেইদৰে আমাৰ পুৰণি পুথিবিলাক আমাৰ আমোল সম্পতি।
আমাৰ উপৰি পুৰুষ সকলে তাক আজি আমি পো -
নাতিহঁতলৈ থৈ গৈছো এতিয়া আমি সেই বাপতি সাহোন
ৰাখি যাব লাগে। তাকে কৰিব নোৱাৰিলে আমি তেওঁলোকৰ
পো - নাতি বুলি কবৰ যোগ্য নহওঁ।"

**— লক্ষ্মীনাথ বেজবৰুৱা**

❑❑



# বৰ্ত্তমান অসমৰ শিক্ষা জগতৰ এক ভয়াৱহ ব্যাধি "ৰেগিং"

শ্ৰীযোগেন্দ্ৰ নাথ দাস
*স্নাতক (১ম বৰ্ষ বিজ্ঞান)*

বিদ্যালয়ৰ জীৱন সমাপ্ত কৰি বহু প্ৰত্যাশিত উচ্চ শিক্ষা আহৰণৰ বাবে কোনো মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ লোৱা নতুম চাম ছাত্ৰ-ছাত্ৰীৰ খন্তেকৰ বাবেও বুকু কপাঁই যোৱা এটা শব্দ হ'ল "ৰেগিং"। দুচকুত উচ্চ শিক্ষা আহৰণৰ সোণালী স্বপ্ন, বুকুত এমুঠি ৰঙীন আশা, কল্পনা লৈ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ বিচৰা প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীৰে উচ্চ শিক্ষা আহৰণত বৰ্ত্তমান "ৰেগিং" এক প্ৰাৰম্ভিক হেঙাৰ স্বৰূপ। "ৰেগিং" মানেনো প্ৰকৃততে কি? ৰেগিঙৰ আভিধানিক অৰ্থ যিয়েই নহঁওক, কিন্তু ব্যৱহাৰিক অৰ্থত বৰ্ত্তমান ই অসমৰ শিক্ষা জগতত এটা ভয়াবহ ৰোগ স্বৰূপে আত্ম প্ৰকাশ কৰিছে।

"ৰেগিং শব্দটোৰ অভিধানিক অৰ্থ হ'ল প্ৰশ্নসুধি, জোকাই, কাৰোবাক মাৰ্জিতহীন ভাৱে ঠাট্টা কৰি বিৰক্ত কৰা বা কোনো লোকক হাঁহি স্ফূৰ্তিৰ মাজেৰে অপদস্থ বা উত্তেজিত কৰা। কিন্তু ব্যৱহাৰিক অৰ্থত প্ৰকৃততে ৰেগিং হ'ল এনে এক প্ৰক্ৰিয়া বা মাধ্যম, যাৰ দ্বাৰা বিনাদ্বিধাই ন-পুৰণি চাম ছাত্ৰ-ছাত্ৰীৰ মাজত ৰংধেমালিৰ মাজেৰে ভাৱৰ আদান-প্ৰদান কৰিব পাৰি, পৰিচয় বা চিনাকি হ'ব পাৰি। ই মূলতে এটা পশ্চিমীয়া সংস্কৃতি (অপসংস্কৃতি)ৰ অংশ স্বৰূপ। কিন্তু বৰ্ত্তমান অসমৰ শিক্ষা জগতত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত মধুৰ সম্পৰ্ক স্থাপনৰ মাধ্যম হোৱাৰ বিপৰীতে ৰেগিঙে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। আজি ই এক সামাজিক অপৰাধলৈ পৰিবৰ্ত্তিত হৈছে।

বৰ্ত্তমান অসমৰ শিক্ষা জগতত ৰেগিং হৈ পৰিছে নৱাগত ছাত্ৰ-ছাত্ৰীৰ বাবে অনিশ্চয়তা, দুঃচিন্তা, আতংক, আশংকাৰ এক অদৃষ্ট শক্তি স্বৰূপ। চিনাকি বা পৰিচয়ৰ নামত নানান অবান্তৰ প্ৰশ্ন সুধি, নৱাগত জনক নকৰা কাম কৰিবলৈ দিয়া হয়, যি প্ৰশ্ন সোধা বা কামটো কৰিবলৈ দিয়াজনৰ অমানৱীয়তা বা অজ্ঞানতাকেই সূচায়; তেনে এক প্ৰক্ৰিয়াকেই বৰ্ত্তমান "ৰেগিং" বোলা হ'য়। সাম্প্ৰতিক অসমৰ শিক্ষা জগতত "ৰেগিং" নতুন চাম ছাত্ৰ-ছাত্ৰীৰ ওপৰত পুৰণি চামৰ মানসিক উৎপীড়ণ আৰু শাৰীৰিক নিৰ্য্যাতনলৈ পৰ্য্যবসিত হৈছে।

বৰ্ত্তমান অসমৰ উচ্চ পৰ্য্যায়ৰ শিক্ষানুষ্ঠান; প্ৰধানকৈ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহ, তাৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস সমূহ "ৰেগিং" নামৰ অপসংস্কৃতিৰ ধাৰা ভালদৰে নিমৰ্জ্জিত হৈ পৰিছে। সম্প্ৰতি মহাবিদ্যালয় বিশ্ববিদ্যালয় সমূহৰ শ্ৰেণীকোঠা, ছাত্ৰাবাস, ছাত্ৰী নিবাস বোৰ নৱাগত ছাত্ৰ-ছাত্ৰীৰ ওপৰত ৰেগিংৰ নামত পুৰণি চাম ছাত্ৰ-ছাত্ৰীয়ে মানসিক উৎপীড়ণ আৰু শাৰীৰিক নিৰ্য্যাতনৰ খেল পথাৰলৈ পৰিবৰ্ত্তিত কৰিছে।

বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজ নিজ ভৱিষ্যতৰ সোণালী জীৱনৰ সপোন বুকুত সাৱটি লৈ তাক বাস্তৱত ৰূপ দিয়াৰ অৰ্থে শিক্ষা গ্ৰহণ কৰিবলৈ আহিয়েই প্ৰথমতেই ৰেগিংৰ তিক্ত অভিজ্ঞতাৰ সন্মুখীন হ'ব লাগে, যি তেওঁলোকৰ আশা আৰু উদ্যমত প্ৰথমেই চেঁচা পানী ঢালে।



বৰ্তমান অসমৰ শিক্ষা জগতত ৰেগিঙে এনে ভয়াবহ ৰূপ ধাৰণ কৰাৰ কাৰণনো কি? এই বিষয়ত আমি সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে, নানা দিশৰ পৰা পৰ্য্যবেক্ষণ কৰিলে, বিভিন্ন দিশত অভিজ্ঞ জনৰ ম'ত ল'লে আমি বিভিন্ন কাৰণ দেখিবলৈ পাওঁ। তাৰে ভিতৰত প্ৰথম আৰু প্ৰধান কাৰণ হ'ল উচ্ছৃংখল আৰু অপৰাধ প্ৰৱণ যুব-মানসিকতা। অন্য কিছুমানৰ মতে ইয়াৰ অন্যতম কাৰণ হ'ল-পৰম্পৰাগত ভাৱে চলি অহা প্ৰতিশোধ পৰায়ণ প্ৰৱণতা। অন্যকোনোৰ মতে শিক্ষানুষ্ঠানৰ কতৃপক্ষ আৰু শিক্ষক সমাজৰ নিলিৰ্প্ততা, নিজৰ সন্তানৰ ওপৰত কিছু অভিভাৱকৰ নিয়ন্ত্ৰণহীনতা।

বৰ্তমান "ৰেগিং" প্ৰক্ৰিয়াটোত প্ৰতিফলিত হোৱা বিভিন্ন প্ৰধান কাৰণ বোৰ হ'ল যুৱ উচ্ছৃখলতা, কিছুমান ছাত্ৰৰ বিকৃত মানসিকতা, কিছুমান ছাত্ৰৰ পৰম্পৰাগত প্ৰতিশোধ পৰায়ণ মনোভাৱ, কিছু প্ৰাপ্যৰ পৰা বঞ্চিত এচাম ছাত্ৰ-ছাত্ৰীৰ তীব্ৰ ঘৃণা আৰু ক্ষোভ। এনেবোৰ কাৰণৰ পৰাই ৰেগিঙৰ আতিশাৰ্য্যত আৰু ভয়াবহতা দিনক দিনে বৃদ্ধি পাব লাগিছে।

তাৰোপৰি কিছুমান শিক্ষানুষ্ঠানত পঢ়া, তাৰ ছাত্ৰবাসত থকা কিছুমান ধনীৰ তনয় স্বৰূপ, যাৰ পিতৃ-মাতৃ সমাজৰ সম্ভ্ৰান্ত লোক, দুনীৰ্তিৰ বোকাত পোত যোৱা প্ৰতি পত্তি শালী ৰাজনৈতিক নেতা-মন্ত্ৰী আদি, "ছাত্ৰ"ৰ অনুপযুক্ত, পশুতুল্য, তেনে এচাম উদণ্ডযুৱকৰ একো একোটা দল থাকে। সেই চাম যুৱক যৱতী জুৱা, মদ-সুৰা, ড্ৰাগছ আদিৰ দ্বাৰা আসক্ত, শিক্ষানুষ্ঠানত নাম ভৰ্ত্তি কৰি তাৰ ছাত্ৰবাসত থকাটো সিহঁতৰ এটা চখ্ আৰু শিক্ষা গ্ৰহণ যেন সিহঁতৰ এক অবসৰ বিনোদনৰ আহিলা স্বৰূপ, যাৰ ওপৰত সিহঁতৰ পিতৃ-মাতৃৰ কোনো নিয়ন্ত্ৰণ নাথাকে, তেনে এচাম যুৱক যুৱতীৰ নৱাগত ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলাব বিচৰা নিজৰ দাদাগিৰি, প্ৰভূত্ব, আধিপত্য বিস্তাৰৰ এক উত্তম পন্থালৈ "ৰেগিং" প্ৰক্ৰিয়া পৰিৱৰ্তিত হৈছে।

বৰ্ত্তমান "ৰেগিং" নামৰ ভয়াৱহ ব্যাধি বা অপসংস্কৃতিৰ ফলত, ইয়াৰ গৰাহত পৰি যিমান ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যতৰ সোণাৱালী জীৱনৰ সপোন ধূলিসাৎ হৈ পৰিছে, ক'তজনে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে তাৰ কোনো হিছাপ নাই। এই "ৰেগিং"ৰ ফলতেই বিভিন্ন প্ৰতিভাৰ অপমৃত্যু ঘটিছে, কোনোৱে, ইয়াৰ অমানৱীয় অত্যাচাৰত জৰ্জৰিত হৈ আত্মহননৰ পথ বাছি লৈছে। কোনো কোনো পিতৃ-মাতৃয়ে নিজৰ সন্তানক মহাবিদ্যালয়ৰ ছাত্ৰাবাস-ছাত্ৰী নিবাসত ৰাখি নানা দুঃশ্চিন্তাৰ মাজেৰে উজাগৰি নিশা যাপন কৰিব লগাহৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৯৫ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰা তিনিচুকীয়াৰ কৃত্তী ছাত্ৰ চিৰঞ্জীৱ দত্তৰ ওপৰত কটন কলেজৰ ছাত্ৰাবাসত "ৰেগিং"ৰ নামত যি অমানবীয় অত্যাচাৰ চলিছিল, যাৰ ফলতেই তেনে এজন প্ৰতিভাবান ছাত্ৰই ভৱিষ্যত জীৱনৰ সোণোৱালী সপোন আধৰুৱা কৰি নিজ গৃহলৈ খালি হাতে প্ৰত্যাৱৰ্ত্তন কৰিব লগা হৈছিল। এইদৰে আমাৰ অজ্ঞাতে আৰু এনে কিমান প্ৰতিভাৰ অপমৃত্যু ঘটিছে বা ক'লিতেই মৰহি গৈছে তাৰ সঠিক হিচাপ পাবলৈ নাই।

জ্ঞানৰ পবিত্ৰ মন্দিৰ স্বৰূপ, এই শিক্ষানুষ্ঠান বোৰত, বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন জনে আহি মিলিত হয়, মাথো জ্ঞান অৰ্জনৰ বাবেই। সেই উদ্দেশ্যেৰেই এই পবিত্ৰ মন্দিৰত মিলিত হোৱা, সমবেত হোৱা প্ৰত্যেকৰে উদ্দেশ্য যিহেতু একেটিয়েই, গতিকে ন-পুৰণি সকলোৰে মাজত একতা থকাটো খুবেই প্ৰয়োজন। কিন্তু আজি "ৰেগিং" ৰ অতি শব্দ নিৰ্য্যাতনে এনে পবিত্ৰ মন্দিৰটিক কলুষিত কৰি তুলিছে। এই " ৰেগিংৰ"ৰ ফলতেই বৰ্ত্তমান অসমৰ শিক্ষানুষ্ঠান বোৰত, প্ৰধানকৈ মহাবিদ্যালয়ত শিক্ষাৰ মানদণ্ড অৱনমিত হোৱাৰ লগতে শৈক্ষিক

পৰিৱেশৰো ক্ষতিসাধন হৈছে।

সকলোবোৰ বস্তুৰেই কিছু ভাল গুণৰ বিপৰীতে কিছুমান বেয়াগুণো থাকে, ঠিক তেনেদৰেই "ৰেগিং" ৰো ওপৰোক্ত বদ গুণবোৰৰ বিপৰীতে কিছুমান ভাল গুণো আছে। এই "ৰেগিং" ৰ ফলতেই এজন পুৰণি ছাত্ৰই এজন নতুন ছাত্ৰ বা ছাত্ৰীৰ ধৈৰ্য্য, সহনশীলতা, প্ৰতিকুল পৰিস্থিতিটো ধৈৰ্য্য ধৰিব পৰা ক্ষমতা, ছাত্ৰজনৰ জ্ঞান আৰু উৎসুক মনটোৰ পৰিচয় পাব পাৰি। ইয়াৰ দ্বাৰাই ডাঙৰৰ প্ৰতি সৰু সকলৰ থকা ভয় আৰু সন্মান প্ৰদৰ্শনৰ পথ মুকলি কৰিব পাৰি। এই "ৰেগিং"ৰ দ্বাৰাই জেষ্ঠজনৰ কনিষ্ঠজনৰ ওপৰত থকা কতৃৰ্ত্ব আৰু অধিকাৰৰ শিক্ষা প্ৰাপ্তিৰ প্ৰথম পাঠদান দিব পাৰি। সেয়ে বৰ্তমান "ৰেগিং"ৰ ভয়াবহ ৰূপ প্ৰত্যক্ষ কৰি বিভিন্নজনে "ৰেগিং" নিৰ্মূল হোৱাটো বিচাৰিছে যদিও তথাপি অন্য কিছুমানৰ মতে "মাৰ্জিত" ৰূপত ৰংধেমালিৰ মাজেৰে ন-পুৰণি চাম ছাত্ৰ-ছাত্ৰীৰ চিনাকি বা পৰিচয়ৰ মাধ্যমৰ লগতে অগ্ৰজ-অনুজৰ মাজত সুমধুৰ "সম্পৰ্ক" স্থাপনৰ মাধ্যমৰূপে "ৰেগিং" বাহাল ৰখাটো বিচাৰে।

বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাত "ৰেগিং" ক মানসিক উৎপীড়ন আৰু শাৰীৰিক নিৰ্য্যাতন মুক্ত এটা সুস্থ-সুন্দৰ পৰম্পৰা গত প্ৰথাৰ ৰূপত সজাই তুলিবলৈ হ'লে আমাৰ সকলোৰে একো-একোটা কৰ্তব্য আহি পৰে। এই ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিব পাৰে শিক্ষানুষ্ঠানৰ ছাত্ৰ-একতা সভাই। তাৰ লগতে পুৰণি চাম ছাত্ৰ-ছাত্ৰীয়েও পৰম্পৰাগত প্ৰতিশোধ পৰায়ণ মনোভাৱ পৰিহাৰ কৰি নৱাগত সকলক নিজৰ ভাই ভগ্নী সম জ্ঞান কৰি আকোঁৱালি ল'ব লাগিব।

ইয়াৰোপৰি শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ লগতে সমূহ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰাবাস ছাত্ৰীনিবাস বোৰৰ অধীক্ষক সকল, তাত থকা পুৰণি আবাসী সকলে ও উল্লেখনীয় তথা দায়িত্বশীল ভূমিকা পালন কৰিব লাগিব। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকলেও তেওঁলোকৰ নিজৰ সন্তানৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব লাগে যিটো আজিৰ সমাজত খুউব কম সংখ্যক অভিভাৱকৰহে থকাটো পৰিলক্ষিত হ'য় আৰু এনে হোৱাটো অত্যন্ত দুখজনক।

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভস্বৰূপ বাতৰি কাকতৰ লগতে অন্যান্য প্ৰচাৰ মাধ্যম যেনে-ৰেডিঅ' দুৰদৰ্শন আদিয়েও ছাত্ৰ-ছাত্ৰী, সমাজৰ লগতে ইয়াৰ লগত জড়িত ব্যক্তি তথা জনগণক "ৰেগিং"ৰ আতিশৰ্য্যতাৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰি উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব পাৰে।

ওপৰোক্ত সংশ্লিষ্ট সকলো পক্ষই উমৈহতীয়া ব্যৱস্থা গ্ৰহণ কৰি "ৰেগিং"ক ন-পুৰণিচাম ছাত্ৰ-ছাত্ৰীৰ মাজত সুমধুৰ সম্পৰ্ক স্থাপনৰ মাধ্যম হিচাপে গঢ়ি তোলাটো আমাৰ সকলোৰে কাম্য। ইয়াৰ বাবে লাগিব ন-পুৰণি চাম ছাত্ৰ-ছাত্ৰী, শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ লগতে সমূহ শিক্ষক শিক্ষয়িত্ৰী, অভিভাৱক, পিতৃ-মাতৃ, সংবাদ মাধ্যমৰ লগতে অন্যান্য প্ৰচাৰ মাধ্যম আৰু জনগণৰ সন্মিলিত প্ৰচেষ্টা। ইয়াৰ দ্বাৰা আমি "ৰেগিং"ক এক শাৰীৰিক নিৰ্য্যাতন আৰু মানসিক উৎপীড়ণ মুক্ত, সুস্থ, সুমধুৰ পৰম্পৰাগত প্ৰথাৰ ৰূপত গঢ়ি তুলিব পাৰিম।

তেতিয়াহে নৱাগত ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ মানস পটত "ৰেগিং" এটা অতীতৰ শিক্ষা জীৱনৰ মধুৰ স্মৃতি হিচাপে সজীৱ হৈ ৰ'ব। আৰু লগতে অগ্ৰজ - অনুজৰ মাজৰ ভ্ৰাতত্ব বোধ আৰু একতাৰ এনাজৰী ডাল ৰেগিঙে সূদৃঢ় কৰি তুলিব।

□□






ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা নৱনিৰ্মিত বাটচ'ৰা (১৯৯৬-৯৭ চন)

আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা বৃন্দৰ একাংশ (১৯৯৬-৯৭)



বহি থকা বাওঁফালৰ পৰা ঃ
সৰ্ব্বশ্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৰুৱা, ৰত্নেশ্বৰ তালুকদাৰ, নিৰ্মল তামুলী, যীৰেণ বৰবৰা, সবা..ং ঝা, ললিত গোস্বামী (অৱসৰ প্ৰাপ্ত), প্ৰতিভা সেন ভাৰপ্ৰাপ্ত অধ্যক্ষা), হিৰণ্ময়ী দেৱী, বন্দনা দাস, বীনা বৰা, হেমৰঞ্জন চুতীয়া।
প্ৰথম শাৰীত থিয় হৈ বাওঁফালৰ পৰা ঃ
সৰ্ব্বশ্ৰী অঞ্জনা শইকীয়া বৰুৱা, শান্তি বৰা, অজন্তা দত্ত, সান্ত্বনা হাজৰিকা, হেম প্ৰভা চেতিয়া, মধুমিতা বৰঠাকুৰ, ইলিন বৰুৱা, মঞ্জুলা শইকীয়া, মিতালী বৰুৱা, হৰদীপ কৌৰ ওৱালীয়া, ৰেখা শৰ্ম্মা, লিলি বেগম, বীৰেণ বৰুৱা, অলখ নিৰঞ্জন সহায়, চন্দ্ৰগুপ্ত বৰা, অমূল্য গোস্বামী।
দ্বিতীয় শাৰীত থিয় হৈ বাওঁফালৰ পৰা ঃ
সৰ্ব্বশ্ৰী পাৰবিন হুছেইন, চন্দনা গগৈ, নন্দিনী কোঁৱৰ, ৰুমা তালুকদাৰ, প্ৰনৱ জ্যোতি গগৈ, প্ৰশান্ত কুমাৰ বৰা, কমলেন্দু শইকীয়া, ৰঞ্জিৎ সিংহ, ৰূপজ্যোতি হাজৰিকা, ৰাজু তামুলী।






শ্ৰীমতী প্ৰতিভা সেন ( ভাৰপ্ৰাপ্ত উপাধ্যক্ষা )

আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ একাংশ



থিয় হৈ বাওঁফালৰ পৰা ঃ
সৰ্ব্বশ্ৰী বীনা মালাকাৰ, বিজয় শইকীয়া, মিঠাৰাম সোণোৱাল, নিৰ্মল বৰকাকতি, ফুলেশ্বৰ ফুকন, খোবলাল মালি, ফুল আহমেদ।
বহি বাওঁফালৰ পৰা ঃ
সৰ্ব্বশ্ৰী নন্দেশ্বৰ ফুকন, ভীমকান্ত সন্দিকৈ, ইনামুল হুছেইন, উৎপল ভট্টাচাৰ্য্য, পুৰন্দৰ দিহিঙীয়া, উদয় সোণোৱাল, মিলন বড়া।

## সম্পাদনা সমিতি



ৰাহুল দেৱ সোণোৱাল আৰু দ্বীপেন সন্দিকৈ



অধ্যাপক বীৰেণ বৰুৱা



অধ্যাপিকা জ্যোতি বৰগোঁহাই



অধ্যাপক ড° এম, কে, জৈন



অধ্যাপক শশীকান্ত শইকীয়া



পাপৰি চেতিয়া



তৰা প্ৰসাদ দিহিঙ্গীয়া

## ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ঃঃ ১৯৯৬-৯৭



**অনুপম শইকীয়া**
সম্পাদক, সঙ্গীত বিভাগ



**দ্বীপেন সন্দিকৈ**
সাধাৰণ সম্পাদক



**ত্ৰৈলোক্য সোণোৱাল**
সহঃ সাঃ সম্পাদক



**চিন্ত সোণোৱাল**
সম্পাদক, সাংস্কৃতিক বিভাগ



**ৰাহুল দেৱ সোণোৱাল ও দ্বীপেন সন্দিকৈ**
সম্পাদকদ্বয়, আলোচনী বিভাগ



**কল্পনা দেউৰী**
সম্পাদিকা , ছাত্ৰী জিৱনী কোঠা



**পলাশ ৰঞ্জন তামুলি গোঁহাই**
সম্পাদক, সমাজ কল্যাণ বিভাগ



**আলোক চেতিয়া**
সম্পাদক, ছাত্ৰ জিৱনী কোঠা



**কহিনুৰ কচাৰী**
সম্পাদক, সাধাৰণ খেল বিভাগ

# ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ঃঃ ১৯৯৬-৯৭



ৰ'জী চেতিয়া
শ্ৰেণী প্ৰতিনিধি



ৰাহুল দেৱ সোণোৱাল
শ্ৰেণী প্ৰতিনিধি



দ্বিান্ত গগৈ
শ্ৰেণী প্ৰতিনিধি



অংকিতা গোঁহাই
শ্ৰেণী প্ৰতিনিধি



চিত্ৰা সোণোৱাল
শ্ৰেণী প্ৰতিনিধি



খেমা জ্যোতি বৰুৱা
সদস্য

পোলেন গগৈ
সম্পাদক, শৰীৰ চৰ্চা বিভাগ

বিঃ দ্ৰঃ বিৰজানন্দ দুৱাৰা, মুখ্য কেল বিভাগৰ সম্পাদক আৰু পুতুল লাহন, শ্ৰেণী প্ৰতিনিধিৰ পৰা সময়মতে ফটো নোপোৱাৰ বাবে দিব পৰা নগ'ল।

— আলোচনী সম্পাদকদ্বয়

# আমাৰ গৌৰৱ



ৰীতা চুতীয়া
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



অপূৰ্ব কোঁচ
বছৰৰ শ্ৰেষ্ঠ বক্সাৰ



হৰি প্ৰসাদ বৰুৱা
বছৰৰ শ্ৰেষ্ঠ শক্তিমানৰ



অজয় তাঁতি
১৯৯৬-৯৭ চনত দিল্লীত অনুষ্ঠিত
ALL INDIA BASIC LEADERSHIP CAMPত
অংশ গ্ৰহণ কৰীছে।



কৃষ্ণ চুতীয়া
সমগ্ৰ অসম তথা অসমৰ বাহিৰৰ বিভিন্ন ঠাইত
গীতৰ লহৰে খলকনি তোলা আমাৰ
মহাবিদ্যালয়ৰ ছাত্ৰ।

# ধুমুহা যেতিয়া আহে

শ্ৰীবাহুল দেৱ সোনোৱাল
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)
অৰ্থবিজ্ঞান বিভাগ

জীৱন বৰুৱাই অফিচৰ পৰা আহি একাপ গৰম চাহৰ জুতিলৈ বাৰান্দাতে বহি কাকত খন মেলি লৈছে। আজিকালি কিনো বাতৰি কাকত চাব, সদায় সেই একেখিনি খবৰেই। অনশন, হত্যা, ধৰ্ষণ, প্ৰতিবাদ আদি বিলাক আজিৰ বাতৰি কাকতৰ নিয়মীয়া ঘটনা, কথাষাৰ মনতে ভাবিলে বৰুৱাই।

দুকুৰি দহ বছৰত ভৰি দিয়া জীৱন বৰুৱা খুওব সহজ সৰল মানুহ, কোনো ধৰণৰ গৰ্বভাৱ মনত নাই। স্থনীয় ইউনাইটেড বেংকৰ কৰ্ম্মচাৰী বৰুৱাই কাম বিলাক বৰ নিয়াৰি কৈ কৰি ভাল পায়। পূৱা ৯ বজাত অফিচলৈ গৈ আবেলি তিনি বজাত ঘূৰি আহিঁ এই আবেলি সময়কণত বাতৰি কাকত খন মেলি লোৱাটো আজিকালি বৰুৱাৰ অভ্যাসত পৰিণত হৈছে। চাৰিটা সন্তানৰ পিতৃ বৰুৱাই দৈনন্দিন কামবিলাক নিয়াৰিকে চলাটোৱে কামনা কৰে। লৰা দুজন, ডাঙৰ জনে বি. এ. ফাইনেল দিব, আনজন বিত্ৰ প্ৰথমবৰ্ষত। ছোৱালী জনী হাযাৰচেকেণ্ডৰী দ্বিতীয় বৰ্ষত, আনজনী প্ৰথম বৰ্ষত। চাৰিওটা লৰা-ছোৱালী কলেজত পঢ়োৱা কম কথা নহয় আজিৰ দিনত। বৰুৱাৰ দৰে নিম্ন মধ্যবিৰ্ত্ত মানুহখিনিৰ বাবে এটা পৰিয়াল চলোৱা সচাঁই বৰ কষ্টকৰ।

কাকতখন জপাই থৈ বৰুৱাই বজাৰৰ ফালে পাক এটা মাৰো বুলি ভাবি চাইকেল খন উলিয়াই ললে। তেনেতে পবিবাৰ মিনতিয়ে ভিতৰৰ পৰা মাত লগালে, হেৰি নহয় - বজাৰলৈ গৈছে যেতিয় বজাৰৰ পৰা অলপ মাছ আনিবলৈ নাপাহৰিব। বহুত দিন মাছ খোৱা নাই তাতে আজি মাহৰ প্ৰথম সপ্তাহ। বৰুৱাই মুখ খন সেমেনা কৰিঁ কলে মই হে জানো কিমান কষ্টত মাহটো চলাওঁ। মাহেকৰ মূৰত দৰমহা কেইটা পাওঁহে, দুদিনৰ পিছতে শেষ। আজি তিনিমাহে লওঁবোলা বস্তুটো লব পৰা নাই। বৰুৱাৰ কথা শুনি বৰুৱাণীৰ বেয়াই লাগিল, সচাঁকৈয়ে মানুহ জনে লওঁ বোলা বস্তু এটা সময়মতে লব নোৱাৰে। সকলো লৰা ছোৱালী কেইটাক দিওঁতে গৈছে। কথা বিলাক মনতে ভাবি মিনতিয়ে কলে হেৰি নোৱাৰিলে নানিব।

বৰুৱাই কোনো কথা নকৈ বেগটো লৈ লৰা লৰি কৈ বজাৰলৈ বুলি ওলাই গল। গৈ থাকোতে বৰুৱাই পুনৰ

নভবা নহয়। কথাটো নোহোৱা নহয় আজি বহুত দিন মাছ মাংস খোৱাই নাই নিজে লব নোৱাৰা বস্তুটো বাৰু নাই, লৰা ছোৱালী কেইটাক পিতৃ হিচাপে খোৱাব, পিন্ধাব পাৰিবই লাগিব। সিহঁতলৈ বৰ চিন্তা হয় বৰুৱাৰ। বৰ্ত্তমান সমাজত দেখা দিয়া বিভিন্ন সমস্যা বিলাকৰ কথা ভাবি বৰুৱাই কোনো সমাধান নাপায়। বৰ্ত্তমান সময়ত বিপথে পৰিচালিত হোৱা এই যুৱক যুৱতী সকলৰ কথা ভাবি নিজৰ মাজতে একো বিচাৰি নেপায়। নিজৰ লৰা-ছোৱালী কেইটাও বিপথে পৰিচালিত হোৱা নাইতো? বৰুৱাই নিজকে নিজে প্ৰশ্ন কৰে। কথা বিলাক ভাবি গৈ থাকোতে কেতিয়ানো বজাৰ পালেগৈ বৰুৱাই কবই নোৱাৰিলে। বজাৰ খন এপাক মাৰি অলপ শাক পাছলি লৈ এককিলো মাছ লোৱাটোকে সিদ্ধান্ত কৰিলে বৰুৱাই। লাগতিয়াল বস্তু কেইটা লৈ বৰুৱাই বজাৰৰ পৰা ঘূৰি আহিল।

বজাৰৰ পৰা ঘূৰি আহি বৰুৱাই বেগটো মিনতিৰ হাততে দিলে। সিহঁত কেইটা এটাও অহা নাই নেকি? বৰুৱাৰ কথাত মিনতিয়ে কলে নাই অহা - সিহঁত কেইটাৰ কথাকে ভাবি আছো, নয়নজোতিয়ে বোলে কালি মহেশ্বৰৰ দুকানত কাজিয়া কৰিছে। মাজনী বোলে আজি নাহে। কলেজৰ ফাংচনত আজি বোলে থাকিব। এই মাত্ৰ চলিহাৰ ডাঙৰ জন লৰাই কৈ গৈছে।

কেতিয়াও খং নুঠা বৰুৱাৰ পৰিবাৰৰ কথাত ঘপককৈ খংটো উঠিল কিয় কজিয়া কৰিব লাগে? সি সন্তৰ মদৰ জালত পৰিছে। মোৰ লৰা হৈ সি কাজিয়া কৰিছে। আৰু মাজনী, কিয় তাই ৰাতিখন থাকিব লাগে? এনেতে বাহিৰৰ দুৱাৰত টোকৰ পৰিল বৰুৱাই লাহেকৈ দৰ্জা খন খুলি দিলে। অ' দেউতা বুলি কৈ দেউতাকৰ গাতে ঢলি পৰিল জীৱন বৰুৱাৰ ডাঙৰ পুত্ৰ নৱনজোতি বৰুৱাই লাহেকৈ মাত লগালে তই ইমান তললৈ নামি গলি, মোৰেই লৰা হিচাপে তই মোৰেই তেজ খালি। নয়নক বিচনাত শুৱাই দিলে, তেতিয়া তাৰ স্বাভাৱিক চেতনাই নাছিল। বৰুৱাই ভাবি পোৱা নাই কিয় সি এনেকুৱা হৈছে, সিতো এতিয়া সৰু হৈ থকা নাই, সৰুৰে পৰা তাক ডাঙৰ কৰিলে, পঢ়ালে। সেই নিশা বৰুৱাৰ ভাত সাজ ভালকৈ খোৱা নহল।

বয়স বাঢ়ি অহাৰ লগে লগে বৰুৱাৰ সমস্যা ও দিনে দিনে বাঢ়িছে। লৰা ছোৱালী কেইটাক মানুহ ৰূপে গঢ়িতোলাটোৱে বৰুৱাৰ একান্ত কাম্য। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে বৰুৱাৰ অমতত চলিব ধৰিছে। সিহঁতে যেন দেউতাককৈ বেচি জানে। ওলোটাই দেউতাকক নীতি শিক্ষা দিছে। কথাবিলাক ভাবি থাকোতে বৰুৱাক টোপনিয়ে হেঁচা মাৰি ধৰিলে।

পুৱাৰ বেলি টোৱে চাৰিওফালে পোহৰৰ ফাকু মেলি দিছে। ৰদ জাক কোমল হৈ ওলাই আহিছে। জীৱন বৰুৱাই চাহ খাবলৈ বহিছে। যোৱা কালি ঘটি যোৱা কথা বিলাকেই বৰুৱাৰ মনৰ মাজত সোমাই আছে। বিভিন্ন ধৰণৰ চিন্তাই মানুহটোক অৱস কৰি পেলাইছে। বৰুৱাৰ সৰু পুত্ৰ বিকাশজ্যোতি আজি একসপ্তাহ হ'ল ঘৰত নথকা। কিবা কলেজৰ কামত বোলে গুৱাহাটীলৈ গৈছে। মাজনীও যোৱা কালিয়ে কলেজলৈ যোৱা আজিলৈকে



অহা নাই।

এনেতে পেপাৰ খন হকাৰ জনে গেটৰ ওচৰতে দলিয়াই থৈ গল। বৰুৱাই পেপাৰ খন লৈ ওপৰে ওপৰে চকু ফুৰাই হঠাৎ থমকি ৰ'ল। নাৰীজনিত কেলেংকাৰী অপৰাধত যোৱা নিশা পানবজাৰত বিকাশজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ। মোৰ লৰা বিকাশ আৰক্ষীৰ দ্বাৰা গ্ৰেপ্তাৰ হৈছে। কাকতৰ ওপৰত ডাঙৰ ডাঙৰ শিৰোনামাৰে লিখা বাতৰিটো আৰু পঢ়ি নোৱাৰিলে বৰুৱাই। সি এনে এক ঘৃণনীয় কাৰ্য্যত জড়িত হৈ পৰিল। সমাজত এজন নম্ৰ-ভদ্ৰ ব্যক্তি হিচাপে নাম থকা বৰুৱাই আৰু একো ভাবিব নোৱাৰিলে। এজাক ধুমুহাই যেন চাৰিওফালৰ পৰা হেঁচা মাৰি ধৰিছে, এনে লাগিল জীৱন বৰুৱাৰ ........................ ।

❑❑

*শিক্ষাৰ উদ্দেশ্য মন প্ৰশান্ত কৰা। বিদ্যা শক্তি বঢ়োৱা শিক্ষাৰ্থীক ন, ন ভাৱ দি ভৱিষ্যতে জীৱন যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বপ্ৰকাৰে যোগাবান কৰা।*

- তৰুণৰাম ফুকন



# বহিঃ জগতত জীৱনৰ সন্ধান

*শ্ৰী চিণ্টু সোনোৱাল*
স্নাতক দ্বিতীয় বাৰ্ষিক
বিজ্ঞান শাখা।

পৰিভ্ৰাম্য মহাকাশ যানে শ শ মাইল ওপৰৰ পৰা নিশা লোৱা পৃথিৱীৰ ছবিত কোটি কোটি মানুহৰ কৰ্মব্যস্ত জীৱনৰ সন্ধান পোৱা যায়। নগৰ চহৰ সমূহৰ বাটপথ আদিৰ পোহৰে ইয়াত জীৱনৰ জাননী দিয়ে। মহাকাশৰপৰা দিনৰ ভাগত পৃথিৱীলৈ চাই পঠিয়ালে কিন্তু ইয়াত বুদ্ধিমান জীৱন থকাৰ কোনো স্পষ্ট জাননী পোৱা নাযায়। গতিকে জীৱনৰ পম খেদি আমাৰ বুদ্ধিমত্তাৰে দূৰৰ জগতত দৃষ্টি নিক্ষেপ কৰিলে পথভ্ৰষ্ট হোৱাৰ বহু আশংকা আছে।

আমি জানো যে মহাকাশৰ বুকুত অনেক নক্ষত্ৰ আছে আৰু নভোবিজ্ঞানীৰ মতে হাতীপটি তাৰকা ৰাজ্যতে পৃথিৱীৰ দৰে কোটি কোটি গ্ৰহেৰে পূৰ্ণ হৈ আছে। ইতিমধ্যে ডাৱৰ বলয় আৰু ভগ্নস্তূপৰ চক্ৰিকা আদি কিছুমান নক্ষত্ৰৰ চাৰিওফালে আৱিস্কৃত হৈছে আৰু এইবিলাকেই অন্য "পৃথিৱীৰ" ভ্ৰূণ স্বৰূপ বুলি গণ্য কৰা হৈছে। আমাৰ সৌৰজগতৰ বাহিৰে আন নক্ষত্ৰৰ গ্ৰহ আৱিষ্কাৰ হোৱলৈকে হয়তো আৰু বেছি দিন নাই। তথাপিও বৰ্ত্তমানে বহিঃ সৌৰগ্ৰহ মাথো কল্পনাৰ বস্তুহে হৈ আছে।

হেজাৰ হেজাৰ বছৰ ধৰি মানুহে বিশ্বৰ আন ঠাইত বুদ্ধিমান জীৱন সম্ভৱ হয়নে নহয় সেই চিন্তা কৰি আহিছে। ৪০০ খৃষ্ট পূৰ্বত এজন গ্ৰীক দাৰ্শনিকে মন্তব্য কৰিছিল যে যেনেকৈ এখন বহন পথাৰত এগোচী ধান হোৱা টান তেনেকৈ অনন্ত বিশ্বত একমাত্ৰ এখন জীৱন্ত জগত থকা সম্ভৱ নহয়। ইটালীৰ নৱোন্মষৰ যুগত ব্ৰুন ই অনন্তক জীৱন ধাৰক গ্ৰহৰ কথা কৈ জুইত পুৰি মৰিবলগীয়া হৈছিল। হাইগেন্‌ছে আনহাতে এইধৰণে অপচয়, আৰু ভগৱান উদ্দেশ্য বিৰোধী। তাৰদ্বাৰা তেখেতে মন্তব্য কৰিছিল যে ভগৱানৰ সৃষ্টিত সদায় এক উদ্দেশ্য নিহিত থাকে আৰু বন্ধ্যা গ্ৰহ হল এটাঁ এইটো কবলৈ প্ৰয়াস কৰিছিল যে মহাকাশত আন আন জীৱজগতো বিৰাজ কৰিছে।

কিন্তু বহিঃ জীৱনৰ বিজ্ঞানসন্মত অনুসন্ধান কুৰি শতিকাৰ প্ৰচেষ্টা। ১৯৬০ চনত ই আৰম্ভ হয়। আমাৰ ওচৰৰ দুটা নক্ষত্ৰৰ ফালে ৰেডিঅ, দূৰবীনৰ দৃষ্টি নিক্ষেপ কৰি ফ্ৰেংকড্ৰে কে এই নতুন যুগৰ সূচনা কৰে। ড্ৰেকে বাচি লোৱা নক্ষত্ৰ দুটা আছিল টাও-চেটি আৰু আপ্‌চিলন এৰীদানি। ফ্ৰেংক বওমৰ গল্পত উদ্ধৃত ওঝ দেশৰ ৰাজকুমাৰীৰ কাহিনীৰ পৰা এই প্ৰকল্পটোৰ নাম "ওঝমা " দিয়া হৈছিল।



তথাপিও মানুহে দূৰৰ নক্ষত্ৰৰাজ্যলৈ ভ্ৰমণ কৰাৰ কথা এতিয়াও সম্ভৱ হোৱা নাই। কিন্তু এটা কথা সত্যয়ে আমাৰ সভ্যতাৰ পৰিসৰ বৃদ্ধিৰ বাবে আমাৰ হাতত যথেষ্ট সময় পোৱা যাব। সূৰ্য্যই এনেধৰণে আৰু ৫০০ কোটি বছৰ দীপ্তিমন্ত হৈ থাকিব। এই সময়চোৱাত মানুহ কাৰিকৰী আৰু বিজ্ঞান বিষয়ত আগবাঢ়ি যাব। আজিৰ বিজ্ঞানৰ উচ্চ শিখৰত বুলি আমি যি গৌৰৱ অনুভৱ কৰিছো সেয়া ভৱিষ্যত পুৰুষৰ বাবে হয়তো পুতলাখেলৰ নিচিনা হব। তেনে অৱস্থাত হয়তো মানুহে এনেধৰণৰ আকাশীযান সৃষ্টি কৰিব যাৰ সহায়ত পৰিয়াল বৰ্গৰ সৈতে মানুহে দীঘলীয়া দিনৰ বাবে মহাকাশ যাত্ৰাত ওলাব পাৰিব।

সদ্যহতে আমি ৰেডিঅ সংকেতৰ সহায়ত আন্তঃনাক্ষত্ৰিক যোগাযোগ কৰাৰ চিন্তা কৰিব পাৰো। ৰোডিঅৰ মৌলিক সিদ্ধান্তসমূহ আমাৰ অৱগত হোৱা মাত্ৰ এশবছৰমানহে হৈছে।উচ্চ ক্ষমতাপন্ন ৰেডিঅ আৰু টেলিভিছন আৱিষ্কাৰ হোৱাৰপৰা পঞ্চাছবছৰ মাথো পাৰ হৈছে। গতিকে এই ক্ষেত্ৰত আগবাঢ়ি যাবলৈ বহুখিনি বাকী আছে। নিউট্ৰিন নামৰ ক্ষুদ্ৰ এবিধ কণিকা আছে যি পোহৰ বেগত যায় আৰু মহাকাশৰ মাজেৰে কোনো বাধা নোপোৱাকৈ ই যাব পাৰে। তেনেধৰণৰ নিউট্ৰেন উচ্চ খাপৰ সংকেত বাহক হব পাৰে। তেনেধৰণৰ নিউট্ৰিণ উচ্চ খাপৰ সংকেত বাহক হ'ব পাৰে আৰু তাৰ সহায়ত দূৰৰ মহাকাশৰ লগত যোগাযোগ কৰাৰ কথা বিজ্ঞানীসকলে চিন্তা কৰিছে।

যোগাযোগৰ সুচলতাৰ লগে লগে সভ্যতাৰ ধ্বংসমূখী ফালটোও গঢ় লৈ উঠে। বহিঃ জীৱনৰ লগত যোগাযোগৰ বাবে কাৰিকৰী দিশ উন্নত হোৱাৰ লগে লগে পৃথিৱীখন হাইড্ৰজেন বোমা, নিউট্ৰিন বোমা দ্বাৰা ধ্বংস্তুপত পৰিণত হোৱাৰ সম্ভাৱনা বাঢ়ি আহিছে। তাৰ উপৰিও বায়ুমণ্ডলত পৰমাণু বোমাৰ পৰীক্ষা, নানা ধৰণৰ দূষিত বস্তু এৰিদি, বন জংঘল কাটি বায়ু মণ্ডলৰ ভাৰসাম্যতা বিনষ্ট কৰি আমি লাহে লাহে বায়ুমণ্ডলৰ এনেহে পৰিৱৰ্ত্তন আনিছো যাৰ ফলত পৃথিৱীখন মানুহৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিব আৰু পাৰ্থিব জীৱন ধ্বংসৰ গৰাহত পৰিব। আন আন গ্ৰহটো এনে প্ৰক্ৰিয়াৰে সভ্যতা বিলুপ্ত হোৱা আশংকা আছে। গতিকে দেখা যায় যে খুব কম সংখ্যক সভ্যতাহে আমাৰ ওচৰে পাজৰে বিৰাজ কৰিব যাৰ লগত আমাৰ যোগাযোগৰ সম্ভাৱনা থাকিব পাৰে।

১৯৭৩ চনৰ পিছৰ পৰা প্ৰণালীবদ্ধ ভাৱে আমাৰ ওচৰৰ পাঁচশটা নক্ষত্ৰ অনুধাৱন কৰি আহিছে আৰু এতিয়ালৈকে তেনে কোনো তৎপৰ্য্যপূৰ্ণ সংকেত ধৰা পৰা নাই। পুৰ্টৰিকৰ এৰেচিবত থকা বিশাল ৰেডিঅ দূৰবীনৰ সহায়েৰে ১৯৭৪ চনত অতি উচ্চ শক্তিৰ পৃথিৱীৰ মানুহৰ বাতৰি বহন কৰা এটা সংকেত মহাকাশলৈ পঠিওৱা হৈছে। ২ নং চিত্ৰত দ্বিতাংকী (Binary) সংখ্যাত পঠিওৱা বাতৰিৰ এটা চিত্ৰৰূপ আৰু লগতে তাৰ ইংৰাজী অনুবাদ দেখুওৱা হৈছে হাৰকিউলিছ নক্ষত্ৰপুঞ্জৰ ফালে থকা Messier ১৩ নামৰ গোলাকাকৃতি নক্ষত্ৰপুঞ্জৰ ফাললৈ এই বাৰ্ত্তা পঠিওৱা হৈছে। এই নক্ষত্ৰপুঞ্জৰ অৱস্থাত প্ৰায় ৩,০০,০০০ নক্ষত্ৰ থুপ খাই আছে আৰু কম পক্ষেও এটা সভ্যতাই আমাৰ সংকেতৰ সমিধান বিচাৰি পোৱাৰ সম্ভাৱনা আছে। কিন্তু বাতৰিটো সেইখিনি পাবলৈ লাগিব ৪,০০০ বছৰ আৰু তাৰপৰা আমি সংকেত পাবলৈ ৪৮,০০০ বছৰ লাগিব। গতিকে সেই পুৰুষৰ দিনত এই সংকেত কেনেধৰণে বিশ্লেষণ কৰিব সেইটো এতিয়াই কোৱা টান। বৰ্ত্তমান মহাকাশ যানৰ লগত সংযুক্ত থকা



চিত্ৰ নং - ১

পায়নিয়াৰ ১০ আৰু ১১ আকাশীযানত পঠিওৱা প্লেকত খোদিত চিত্ৰৰূপ।

বহিঃ সভ্যতাক এই চিত্ৰৰ দ্বাৰা আমাৰ জীৱনৰ এক ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে।

যানখনৰ এখন চিত্ৰ আঁকি এজন পুৰুষ আৰু এক নাৰীৰ আকাৰৰ এটা ধাৰণা দিয়াৰ চেষ্টা কৰা হৈছে। বাওঁহাতে ওপৰৰ ফালে দুটা হাইড্ৰজেন পৰমাণু আৰু তাৰপৰা কেনেকৈ ২১ ছেমি. তৰংগ দৈৰ্ঘ্যৰ ৰেডিঅ তৰংগ উদ্ভৱ হয় তাক দেখুওৱা হৈছে। যিহেতু হাইড্ৰজেনৰ পৰিমাণ বিশ্বব্ৰহ্মাণ্ডত আটাইতকৈ বেছি। সকলো বুদ্ধিমান জীৱই এই ৰেডিঅ তৰংগৰবিষয়ে জনাতো স্বাভাৱিক। তলত সূৰ্য্যকে ধৰি সৌৰজগতৰ গ্ৰহসমূহ চিত্ৰাংকন কৰা হৈছে। মহাকাশ যানখনৰ গতিপথ দেখুৱাই ইয়াৰ উৎস স্থানৰ এটা আভাস দিয়া হৈছে। তাৰ পিছত ১৯৭৭ নিক্ষেপ কৰা ভয়েজাৰ ১ আৰু ২ মহাকাশ যান দুখনে আৰু বিস্তৃত বাৰ্তা বহন কৰি নিছে। পৃথিৱীত সৃষ্টি হোৱা কিছুমান ধ্বনি ৰেকৰ্ড কৰি পঠিওৱা হৈছে। মটৰ গাড়ীৰ শব্দ, ভাপনাওৰ শব্দ, ৰেলগাড়ী শব্দ, বিজুলী ঢেৰেকনিৰ শব্দ, ৰকেট নিক্ষেপনৰ শব্দ, কেঁচুৱাৰ কান্দোনৰ শব্দ, বন্যপ্ৰাণীৰ শব্দ, জাতিসংঘৰ সদস্য সকলৰ অভিনন্দনৰ শব্দ বাণী বন্ধ কৰি পঠিওৱা হৈছে। বাখ, বীথ'ভেন, ৰক, জাজ আৰু বেলেগ বেলেগ দেশৰ লোক সংগীত আদি পঠিয়াই আমাৰ সভ্যতাৰ স্তৰৰ বিষয়ে ধাৰণা দিয়াৰ প্ৰচেষ্টা চলাইছে।



সৌৰজগতৰ নটা গ্ৰহ আৰু একুৰিমান উপগ্ৰহ চালি জাৰি চালে দেখা যায় যে প্ৰায় আটাইবিলাকেই পাৰ্থিৱ জীৱন প্ৰক্ৰমৰ বাবে সৰ্বসাধাৰণতে অনুপযোগী। কিন্তু মংগল গ্ৰহ আৰু শণিগ্ৰহৰ উপগ্ৰহ টাইটানৰ (১৬৫৫চনত খৃষ্টিয়ান হাইগেনছে আৱিস্কাৰ কৰে) পৰা আহৰণ কৰা তথ্যপাতিয়ে তাত যে অতীতত জীৱন আছিল আৰু হয়তো এতিয়াও থাকিব পাৰে তাৰ বিষয়ে আমাক সঁকিয়াই দিছে। ভাইকিং আকাশীযানে মঙ্গলগ্ৰহৰ মাটি সংগ্ৰহ কৰি তাৰ ওপৰত জীৱ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান সম্পৰ্কীয় কিছুমান পৰীক্ষা চলাইছিল আৰু সেইবিলাকৰ ব্যাখ্যা পৃথিৱীত চলোৱা পৰীক্ষাৰ সহায়েৰে দিব পৰা হোৱা নাই। তাৰ মাটিৰ জীৱ বিজ্ঞানী কাৰ্য্যক্ৰম যে জীৱন প্ৰক্ৰিয়াৰ পৰিচায়ক তাৰো সমিধান সহজে পোৱা টান হৈছে।

বৰ্ত্তমান এইটো নিশ্চিত যে বহিঃজীৱন গ্ৰহ সদৃশ আকাশীয় বস্ততহে সম্ভৱ। গতিকে আমাৰ সৌৰজগতৰ অন্য অৱস্থানত জীৱন সম্ভৱ হয়নে নহয়, প্ৰথমতে তাকে চোৱা যাওক। তাৰ পিছত আমি সৌৰজগতৰ বাহিৰত জীৱন কেনে ধৰণে সম্ভৱ তাক বিশ্লেষণ কৰি চাম। কিন্তু এটা কথা ইয়াতে উনুকিয়াই যোৱা ভাল হব যে পৃথিৱীৰ সভ্য সমাজে বিহঃ জীৱনৰ ওপৰত বৰ্ত্তমানে বহুখিনি গুৰুত্ব আৰোপ কৰিছে।

পাৰ্থিৱ জীৱন ডি, এন এ (DNA) আৰু আৰ এন-এ (RNA) কাৰ্বন যুক্ত অণুৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাসায়নিক প্ৰক্ৰিয়াৰ সহায়ত কাৰ্বন পৰমাণু বিলাকে একে সময়তে বহু পৰমাণুৰ লগতে সংযুক্ত হবপাৰে আৰু ফলস্বৰূপে আমি দীঘল কাৰ্বন যুক্ত অণু পাব পাৰো। কাৰ্বনযুক্ত যৌগকে আমি জৈৱযোগ বুলি কওঁ। বিশ্বব্ৰহ্মাণ্ডত কাৰ্বন যথেষ্ঠ পৰিমাণে পোৱা যায়। আন এবিধ ব্যাপক অণু হল চিলিকন। এই চিলিকন পৰমাণুৱেও কাৰ্বনৰ দৰেই দীঘলীয়া অণুৰ সৃষ্টি কৰিব পাৰে। কিন্তু সৰ্বসাধাৰণতে চিলিকনৰ দীঘলীয়া অনুবিলাক কাৰ্বনতকৈ চুটি আৰু পৃথিৱীৰ জৈৱ যৌগত এনে অণু পোৱা হোৱা নাই।

জীৱন আৰম্ভণিৰ বাবে কাৰ্বন আৰু চিলিকনৰ দীঘলীয়া অণুৱেই তাৎপৰ্যপূৰ্ণ। চিকাগো বিশ্ব-বিদ্যালয়ত ষ্টেনলী মিলাৰে জলীয় ভাপ, মিথেইন, এমনিয়া হাইড্ৰজেন গেছৰ লগত ৰাখি তাৰ মাজেৰে বৈদ্যুতিক স্পাৰ্ক প্ৰবাহিত কৰাৰ কিছুদিনৰ পিছত দীঘলীয়া অনু সৃষ্টি হোৱা পোৱা গৈছিল। তাৰ মাজত জীৱন প্ৰবাহৰ আধাৰ স্বৰূপ, অতি প্ৰয়োজনীয় এমাইল এছিডো পোৱা গৈছে। গ্ৰহবিলাকৰ বায়ুমণ্ডল সৃষ্টিৰ প্ৰাৰম্ভিক অৱস্থাত বিজুলী ঢেৰেকনি অতি ঘনকৈ হৈছিল বুলি ধাৰণা কৰা হয় আৰু তাৰ ফলস্বৰূপে পৃথিৱীত জীৱৰ সৃষ্টি হোৱা বুলি বিশ্বাস কৰা যায়। কোনো এটা নক্ষত্ৰত গ্ৰহ আছেনে নাই সেইটো পোনপটীয়াকৈ আমাৰ কাৰণে নিৰীক্ষণ কৰা টান। কোতিয়াবা কেতিয়াবা আকাশত নক্ষত্ৰৰ গতিপথ নিৰীক্ষণ কৰি তাত কিবা ধৰণৰ জটিল গতি ধৰা পেলাই আমি নক্ষত্ৰৰ লগত কিছুগ্ৰহৰ প্ৰভাৱ থকাৰ কথা কব পাৰো। বৰ্ত্তমানৰ বিচাৰৰ পৰা এইটো গ্ৰহণীয় হৈছে যে বহু নক্ষত্ৰৰ নিজা গ্ৰহমণ্ডলী আছে।

জীৱন পৰিক্ৰমা সৃষ্টিৰ লগত জড়িত কিছুমান প্ৰশ্ন আছে? কোনবিলাক নক্ষত্ৰৰ গ্ৰহ পদ্ধতিত জীৱন সম্ভৱ? আমি জানো যে কিছুমান বৃহৎকায়ী, অতি উজ্জ্বল নক্ষত্ৰ বেছিদিন সেইধৰণে থাকিব নোৱাৰে আৰু ফলস্বৰূপে তাত বুদ্ধিমান জীৱ সৃষ্টিৰ বাবে সময় কম হব। কিছুমান নক্ষত্ৰ আছে যিবিলাক নভোবিজ্ঞানত (FGKM)

নক্ষত্ৰ হিচাপে শ্ৰেনীবদ্ধ কৰা হৈছে যিবিলাকৰ গ্ৰহ পদ্ধতিত জীৱন সম্ভৱ হব পাৰে। সেইবিলাক নক্ষত্ৰৰ উপৰিভাগৰ উত্তাপ আমাৰ সূৰ্য্যৰ দৰেই আৰু কেটি কোটি বছৰ ধৰি প্ৰায় একে অৱস্থাতেই দীপ্তিমন্ত হৈ থাকিব। আমাৰ সূৰ্য্য এটা G নক্ষত্ৰ। ই ৪৫০ কোটি বছৰ ব্যাপি প্ৰায় একে ধৰণেই আছে। এই দীঘলীয়া সময়ৰ বাবে জোতিষ্মান হৈ থাকি পৃথিৱীত বহুধৰণ জীৱনচক্ৰৰ অৱতাৰণ আৰু নিঃশেষ কৰা আৰু ধ্বংস্তপৰ পৰা আকৌ নতুন জীৱন গঢ়দিয়াত সঁহাৰি দি আহিছে। আনহাতে, কিছুমান অতি শীতল নক্ষত্ৰৰ গ্ৰহ পদ্ধতিতো জীৱন সম্ভৱ নহয়।

গ্ৰহ সমূহত যথোচিত জীৱন আৰম্ভৰ বাবে উপযুক্ত অৱস্থাৰ অয়োজন। বৃহস্পতিৰ দৰে গ্ৰহত জীৱন সম্ভৱ নহয়, ইয়াৰ পৃষ্ঠভাগ গেছীয় আৰু ইয়াত মধ্যাকৰ্ষণ বল অতিপ্ৰৱল। জীৱনৰ কাৰণে লাগতিয়াল সমল এমাইন এচিদ, গ্ৰহানুবিলাকত, উল্কাপিণ্ড পোৱা গৈছে। আনকি আন্তঃ নাক্ষত্ৰিক মহাকাশতো ই পৰিব্যাপ্ত হৈ আছে। গতিকে বহু নভোবিজ্ঞানীয়ে আশা কৰে যে জীৱন পৰিক্ৰমা সৃষ্টি হোৱা গ্ৰহৰ সংখ্যা বুজন পৰিমাণৰে হব। জীৱন আৰম্ভ হলেইতো আন্তঃগ্ৰাহিক বা আন্তঃ নাক্ষত্ৰিক যোগাযোগ সম্ভৱ নহয়। কেইবা নিযুত বছৰৰ পৰিক্ৰমাৰ পিছত আহি আজি আমি এনে এটা অৱস্থা পাইছোহি য'ত বিহঃজগতৰ লগত যোগাযোগ কৰিবলৈ আমি প্ৰয়াস কৰিছো। এই অৱস্থাৰ মূল ভেটি হল কাৰিকৰী দিশত কৰা মানুহৰ উন্নতি। আনহাতে, আমাৰ লগত য়োগাযোগ ফলপ্ৰসু কৰিবলৈ হলে বহিঃজগতৰ সভ্যতা কিছু দূৰলৈ আগবাঢ়িব লাগিব। গতিকে এইটোৱেই সম্ভাব্য বহিঃবুদ্ধিমান জীৱনৰ সংখ্যা বহু পৰিমাণে হ্ৰাস কৰিছে। তথাপিও এইটো ধাৰণা কৰা হৈছে যে আমাৰ দৰে অনেক সভ্যজীৱন বিশ্বব্ৰহ্মাণ্ডৰ চুকে কোণে গঢ় লৈ উঠিছে আৰু সূৰ্য্যৰ পৰা কেইবাশ মান আবেগ আলোকবৰ্ষৰ দূৰত্বতে কাৰিকৰী দিশত অগ্ৰণী বুদ্ধিমান জীৱন বিৰাজ কৰিছে।

ফ্ৰেংক ড্ৰেকৰ যুগান্তৰকাৰী নতুন প্ৰচেষ্টাৰ পিছত বহিঃ সভ্যতাৰ লগত যোগ সূত্ৰ স্থাপনৰ বাবে অহৰহ প্ৰচেষ্টা চলাই থকা হৈছে। পায়নিয়াৰ ১০ আৰু ১১ মহাকাশযান দুখনে সৌৰজগতৰ পৰা হৈ পৃথিৱীৰ বিষয়ে সম্ভেদ কঢ়িয়াই লৈ গৈছে। বাহিৰৰ মহাকাশচাৰীয়ে এই যান দুখন আটক কৰিলে পৃথিৱীৰ মানুহৰ প্ৰচেষ্টা কিছু সাফল্যমণ্ডিত হব। ১৯৮৬ চনত পায়নিয়াৰ ১০ যান খন ৩,০০০,০০০,০০০ কিলমিটাৰ দূৰ পাইছেগৈ আৰু তাৰ পৰা অহা ৰেডিঅ' সংকেতবোৰ অতি ক্ষীণ হৈ পৰিছে। ৮০,০০০ বছৰৰ পিছত এই মাহকাশ যানখন সৌৰজগতৰ পৰা তিনি আলোকবৰ্ষ দূৰত্ব পাবগৈ। পায়নিয়াৰ যানখনৰ উৎস আৰু পাৰ্থিৱ জীৱনৰ ধাৰণা ইয়াৰ গাতে লগোৱা প্লেকত অংকিত কৰা আছে। ১ নং চিত্ৰত পায়নিয়াৰ ১০ আৰু ১১ যান দুখনে কঢ়িয়াই লৈ যোৱা প্লেকখনৰ চিত্ৰৰূপ দাঙি ধৰা হৈছে।





ৰেডিঅ দূৰবীনৰ সহায়েৰে আকাশৰ সকলো দিশৰপৰা অহা অদ্ভুত সংকেত বিচাৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। আগন্তুক সংকেতৰ বিশ্লেষণৰ উপযোগীকৈ বিশেষ কম্পিউটাৰ পদ্ধতিও তৈয়াৰ কৰা হৈছে। এনে প্ৰচেষ্টাক বহুতো বিজ্ঞানীয়ে সন্দেহৰ চকুৰে চাই আহিছে যদিও ১৯৮০ চনৰ পিছৰ পৰা আনুষ্ঠানিক ভাবে বহিঃ জগতৰ লগত যোগাযোগ প্ৰচেষ্টাত সন্মতি দিয়া হৈছে। আন্তঃৰাষ্ট্ৰীয় নভোবিজ্ঞান সংস্থাই ১৯৮২ চনত কমিচন ৫১ স্থাপন কৰি বহিঃবুদ্ধিমত্তাৰ লগত যোগাযোগ প্ৰচেষ্টাক অনুমোদন জনাইছে।

১৯৮৩ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছ 'নাচাক' এই কামত ব্যয় কৰিবৰ বাবে ডেৰ নিযুত ডলাৰ আগবঢ়াইছে আৰু অবিৰত ভাবে এই প্ৰচেষ্টাত সঁহাৰি দিবলৈ দায়বদ্ধ হৈছে।

পৃথিৱীত প্ৰাথমিক জীৱন ৩৫০/৪০০ কোটি বছৰৰ আগতে অভ্যুত্থান হয়। নতুনকৈ জন্ম হোৱা গ্ৰহটো যথেষ্ট শীতন হৈ সাগৰ সৃষ্টি হোৱাৰ ঠিক পিছতে এই জীৱন ৰূপ আৰম্ভ হয়। এই সাগৰ সমূহ ৩০০ কোটি বছৰ ধৰি পাৰ্থিৱ জীৱৰ একমাত্ৰ বাসস্থান আছিল। গতিকে যথেষ্ট পৰিমানৰ পানী থকা গ্ৰহ সমূহত জীৱনৰ মৌলিক ধাৰা অব্যাহত থকাৰ উমান পোৱা যায়।

মহাকাশ বিজ্ঞানী সকলে চন্দ্ৰ আৰু মংগল গ্ৰহত প্ৰাথমিক জীৱনৰ উমান পোৱা নাই। অৱশ্যে ভাইকিং যানৰ পৰীক্ষাৰপৰা মংগল গ্ৰহত জীৱন সম্ভাৱনা নুই কৰা নাই। শণিৰ উপগ্ৰহ টাইটানত নাইট্ৰোজেন-মিথেইন বায়ুমণ্ডল আৰু লগতে জৈৱ যৌগ থকাৰ উমান পোৱা গৈছে। বৃহস্পতিৰ উপগ্ৰহ ইউৰোপত পানীৰ আচ্ছাদন পোৱা গৈছে। কিন্ত এটা কথা নুই কৰিব নোৱাৰি যে আমাৰ কাৰিকৰী জ্ঞান এতিয়াও যথেষ্টখিনি আগবঢ়া নাই যাৰ দ্বাৰা পৃথিৱী সদৃশ গ্ৰহত পানী, অম্লজানযুক্ত বায়ুমণ্ডল আদিৰ বিষয়ে সম্ভেদ নিঃসন্দেহে আহৰণ কৰিব পাৰিছে।

আন্তঃৰাষ্ট্ৰীয় নভোবিজ্ঞান সংস্থাৰ কমিচন ৫১ ৰ অধ্যক্ষ মাইকেল পাপাগিয়ানিছৰ মন্তব্য এইখিনিত বিচাৰ্য্যৰ বিষয় - প্ৰাথমিক বা উন্নীত বহিঃপাৰ্থিব জীৱনৰ অনুসন্ধান দুঃসাধ্য আৰু দীৰ্ঘম্যাদী। আমাৰ কাৰিকৰী জ্ঞানৰ পৰা উপলভ্য সমলসমূহৰ পৰা পোৱা সুবিধাকণ এৰি দিয়া কিন্ত উচিত নহব। ইয়াৰ লগত এক ৰাষ্ট্ৰীয় বা প্ৰাদেশিক লটাৰীৰ ৰিজনি খাটে। ইয়াত যোগদিবলৈ খৰচ কম লাগে, লটাৰীৰ বিজেতা হোৱাৰ আশাও কম, কিন্ত ইয়াৰ প্ৰথম পুৰস্কাৰটো চমৎকাৰ বুলিয়েই লাখ লাখ মানুহে ইয়াত যোগ দিয়ে। তাৰ পিছত তেখেতে আৰু কৈছে "আজি আমি বুৰঞ্জীৰ সন্ধিক্ষণত উপস্থিত হৈছোহি। আমাৰ কাৰিকৰী সামৰ্থ্য আছে, পৈণত বিজ্ঞানী আছে আৰু এই প্ৰচেষ্টাত আগবাঢ়ি যোৱাৰ বাবে সমাজৰ সহযোগিতা আছে। আমি অন্য বাসস্থানত জীৱনৰ







চিত্ৰ ২ঃ

এৰেচিব ৰেডিঅ দূৰবীণৰ সহায়ত M 13 নক্ষত্ৰপুঞ্জৰ ফাললৈ পঠিওৱা বাৰ্ত্তাৰ এটা চিত্ৰৰূপ। A - বাৰ্ত্তা আৰু তাৰ ইংৰাজী অনুবাদ। B - 1679 টা ক্ৰমিক চিনেৰে এই বাৰ্ত্তা পঠিওৱা হৈছে। L দুই ধৰণৰ ক নাংকৰ জড়িত চিন, ইয়াত ০ আৰু 1 ব্যৱহাৰ কৰি দেখুওৱা হৈছে।

সচাঁৰকাঠি বিচাৰিবলৈ সক্ষম হৈছো আৰু বিশ্বখন এক ভোতিক উপলব্ধিৰ বাদেও "জীৱনৰ বীজতলি" হিচাবে গণ্য কৰিবলৈ সমৰ্থ হৈছো। হেজাৰ বছৰ ধৰি আমি যি কথা মাথো চিন্তাহে কৰিব পাৰিছিলো তাক পৰীক্ষাৰ সহায়েৰে চাবলৈ যি প্ৰচেষ্টা কৰিছো সি আমাৰ বাবে নিঃসন্দেহে অতিশয় উত্তেজনাপূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিছে।

বিঃ দ্ৰঃ

সহায়ক ড° হীৰালাল দুৱৰাৰ দ্বাৰা ৰচিত বিজ্ঞান প্ৰৱন্ধ।

□□



# অংগীকাৰ

শ্ৰী তৰা প্ৰসাদ দিহীঙীয়া
*স্নাতক ১ম বৰ্ষ (কলা শাখা)*

নিশাৰ নিস্তব্ধ গহীন পৰিবেশ। সময় তেতিয়া প্ৰায় ৯ বাজিছে। সন্মুখত কাগজ-কলম লৈ মূৰে কপালে হাত দি বহি আছো টেবুলৰ কাষত। অৱশ্যে এনেয়ে বহি থকা নাই। শুনিছো আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী খন প্ৰকাশৰ যো-জা চলিছে। তাতে আলোচনী সম্পাদকদ্বয় ৰাহুল আৰু দ্বীপেনদাই লগ পালেই কয়, তৰা, আলোচনীখন প্ৰকাশ কৰিবলৈ লৈছো, তোৰ স্বৰচিত গল্প-চল্প কিবা এটা নিদিয়া নেকি ? ............। আচলতে এৰি অহা দিনবোৰত কেতিয়াবা সাহিত্য সাধনাৰ নামত দুই-এটা গল্প, কবিতা লিখাত ব্ৰতী হৈছিলো। সময়ৰ অভাৱ তথা মনৰ চুড়ান্ত অবহেলাৰ বাবে আজি-কালি প্ৰায় এৰি দিয়াৰ দৰেই হৈছে। তথাপি মহাবিদ্যালয়ৰ আলোচনী খনৰ বাবেই কিবা এটা লিখাৰ কথা মনতে পাঙিছো আৰু সেয়ে এনেদৰে চিন্তিত হৈ বহি আছো গল্প এটাৰ প্লট বিছাৰি।

টক্- টক্-টক্- টক্-টক্ ........।

দুৱাৰত একেধাৰে পৰা টোকৰ কেইটাই মোৰ চিন্তাৰ মাজত আউল লগাই দিলে। খং উঠি গল। কোন আহিব পাৰে বাৰু এই নিশাখন ? অনিচ্ছা সত্বেও বহাৰ পৰা উঠি দুৱাৰৰ হুকটো খুলি আগন্তকক মাতিলো, কোন হয় সোমায় আহক।

এইটো বাৰু তৰা দিহিঙীয়াৰ কোঠা নহয় নে ?

চিনাকী চিনাকী লগা মাত এষাৰেৰে এই বুলি প্ৰশ্ন কৰি ভিতৰলৈ সোমায় অহা যুৱক জনৰ মূখলৈ চকু দি থৰ লাগি ৰলো। আৰে, এইয়া মোৰ সনমুখত স্বয়ং অৰূপ ফুকন নহয় নে ? আচৰিত, দহ বছৰতে ইমান পৰিবৰ্ত্তন? এইবুলি চিঞৰি আগন্তক অৰূপৰ সোঁহাতখন মোৰ দুয়োহাতৰ মাজত' লৈ তাক শুধিলো, কচোন অৰূপ, কেনেকৈ আজি হৰ্থাতে মোলৈ মনত পৰিল? তোৰ একো খবৰেই মই বহুদিন পোৱা নাই - - - । "বহুত ভাগৰত আহিছো। ঠিয় কৰাই ৰাখিবি নে বহিবলৈও কবি।"

অৰূপৰ প্ৰশ্নত সঁচাগৈয়ে লাজ পালো। দুৱাৰ খন বন্ধ কৰি তাৰফালে চকী এখন আগবঢ়াই দি কলো, ইয়াতে বহ। হাতত অনা সৰু বেগটো কাষতে লৈ সি বহি পৰিল। ঠাণ্ডা পানী এগিলাচ তাৰ হাতত দি কলো, আচলতে কি বুজিছ অৰূপ, বহুদিনযে তোক লগ পোৱা নাই। আজি হঠাতে তোক দেখি অত্যন্ত আচৰিত হোৱাৰ

লগতে আবেগিক হৈ পৰিছিলো। আচ্ছা, এতিয়া কছোন, কি বুলি, কৰ পৰা আজি হৰ্থাতে এইখিনি পালিহি, আৰু মই ইয়াত থকাৰ কথা কেনেকৈ জানিব পাৰিলি? খুড়া, খুড়ী, ভন্তী হাস্না? তেওঁলোক সকলোৱে ভালনে? মই বুজিছিলো যে মই অৰূপক কৰা প্ৰশ্নৰ সংখ্যা বেছি হৈছে। সি ক্ষন্তেক নিৰৱে থাকি অকনমান হাঁহি মোক কলে, কৰ পৰা, কেনেদৰে, কি বুলি আহিলো ইত্যাদি ইত্যাদি তোৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ হলে ৰাতি পুৱাই বেৰি উলাব। প্ৰথমতে বেয়া নাপাৱ যদি ভাতৰ যোগাৰ কৰ। মোৰ অলপ বেছিকৈ ভোক লাগিছে। পাকঘৰত আহাৰৰ দিহা কৰি থকা ৰুমমেট্ দ্বিগন্তক অলপ সোনকাল কৰাৰ লগতে এজন আলহিৰ বাবেও দিহা কৰিবলৈ চিঞৰিলো। সি পাকঘৰৰ পৰাই চিঞৰিলে দহ বজাত ৰেডি হৈ যাব। অৰূপৰ মূখলৈ চালো। তাৰ এই আচৰিত পৰিবৰ্ত্তনৰ অন্তৰালত প্ৰকৃততে কি থাকিব পাৰে? সেই তেতিয়াৰ অৰূপ আৰু এতিয়াৰ অৰূপৰ মাজত যেন আকাশ পাতাল প্ৰভেদ। সি কিছুসময়ৰ আগতে কোৱা কথা বোৰে মোৰ মনত তাৰ প্ৰতি সন্দেহৰ ভাৱ জগাই তুলিলে। সি প্ৰকৃততে ঘৰৰ পৰা অহা নাই নেকি? নে সি কৰবাত কিবা বিপদত পৰিছে? প্ৰশ্নই মোৰ মনটোক হেঁচা মাৰি ধৰিলে। মনৰ সন্দেহবোৰ দমাব নোৱাৰি তাক কলো, অৰূপ তোৰ কথাবোৰ মই সহজ ভাবে লব পৰা নাই বুজিছ। তই যে অলপ আগতে কৈছিলি যে মোৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ হ'লে ৰাতিপুৱাই যাব। তোৰ কথাবোৰত যেন এটা ডাঙৰ ৰহস্য লুকাই আছে। অৰূপ, প্ৰয়োজন হলে এটা নিশা উজাগৰে কটাম। তথাপি তই মোৰ প্ৰশ্নবোৰৰ উত্তৰ দিবই লাগিব। অৰূপে কৈছিল, ইমানবোৰ কথা শুনিবলৈ ধৈৰ্য্য জানো তোৰ আছে? মই কলো, কিয় নেথাকিব আজি দহ বছৰ অন্তত তোক লগ পোৱাৰ সৌভাগ্য হৈছে আৰু তোৰ সৈতে কথা হোৱাৰ ধৈৰ্য্যকন মোৰ নেথাকিব নে? এইবোৰ কৈ লাজ দিছ কিন্তু। মুঠৰ ওপৰত তই আৰম্ভ কৰ। অৰূপে পানী এগিলাচ বিছাৰিলে। মই আনিদিয়া পানী গিলাচ একে উশাহতে পি সি কলে, আচলতে কি জান তৰা, মোৰ ব্যক্তিগত জীৱনৰ কথাবোৰ কাৰোবাৰ আগত ব্যক্ত কৰিব লাগিব বুলি ভবাই নাছিলো। এইবোৰ কথা কাৰোবাৰ আগত ব্যক্ত কৰিবলৈ নিজক প্ৰস্তুত কৰোতে বৰ কষ্ট হয়। তথাপিতো, তোৰ আগত বাৰু নোকোৱাকে ৰব পাৰো জানো? এটা হুমুনিয়াহ কাঢ়ি অৰূপে আৰম্ভ কৰিছিল। তৰা, সেইটো এটা অবিৰত যাত্ৰা। যত আছে সুখ হাঁহিৰে ভৰা এচোৱা ফুলাম পথ, দুখ-বেদনাৰে ভৰা এচোৱা কণ্টকময় পথ আৰু আশাৰ সপোন বোৰ বাস্তবায়িত কৰিবলৈ আগবঢ়া এচোৱা ওখ চাপৰ টিলাৰে ভৰা যাত্ৰাৰ কঠিন পথ ............ ।

সৰুৰে পৰা আমি দুয়োটাই নৱম শ্ৰেণীলৈকে একেলগে আছিলো, পঢ়িছিলো, খেলিছিলো। তোৰ হয়তো মনত আছে চৰকাৰী শাসন যন্ত্ৰৰ কোপ দৃষ্টিৰ লগতে, - সত্যৰ সদায় জয় - বাক্যটিৰ অনুপযুক্ত ব্যৱহাৰৰ বাবে মোৰ শিক্ষক দেউতা আৰু আমি সপৰিয়ালে ভাৰত ভূটান সীমান্তৰ এখন অতি ভিতৰুৱা গাঁৱলৈ বদলি হৈ যাব লগা হৈছিল। যিখন বিভিন্ন ধৰণৰ সমস্যাৰে জৰ্জৰিত এখন ঠাই। যত শিক্ষাৰ পোহৰ একেবাৰে নগন্য, অবস্থাহীন আলি-পদুলি, যাতায়তৰ সুব্যৱস্থা নাই, বিজুলী চাঁকিৰ ব্যৱস্থা নাই। মুঠৰ ওপৰত বিজ্ঞানে ঢুকি নোপোৱা এখন অতি অনুন্নত তথা দুখীয়া গাঁও। গাৱঁৰ মানুহবোৰ কিন্তু বৰ অমায়িক। শান্তিপ্ৰিয়। সকলো কৃষিজীবি। তেওঁলোকে আনকি এটা দিনতে আমি থকাৰ বাবে ঘৰটো মজবুটকৈ সাঁজি দিছিল। দিনবোৰ পাৰ হৈছিল। ছয় মাইল বাট



খোজ কাঢ়ি হাইস্কুলত পঢ়ি মেট্ৰিক প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলো। দেউতাৰ মাহিলি দৰমহাৰ সিংহ ভাগ ব্যয় কৰি গুৱাহাটীৰ এখন নামজ্বলা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নাম লগাওঁ। অতি কষ্টৰ মাজতে পঢ়ি মই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দুটা বিষয়ত লোটাৰ মাৰ্ক সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সেই মহাবিদ্যালয়তে স্নাতক পৰ্য্যায়ত পঢ়িবলৈ লওঁ। এদিনৰ কথা আমাৰ শিক্ষাগুৰু এজনে মোক আৰু মোৰ বন্ধু এজনক লগ কৰি কলে যে, গুৱাহাটীত বায়ুসেনাৰ চাকৰিত মকৰলৰ বাবে সাক্ষ্যাৎকাৰ লব। বন্ধুবৰ্গ তথা শিক্ষাগুৰু জনৰ কথা পেলাব নোৱাৰি অনিচ্ছা সত্বেও সাক্ষাৎকাৰত বহিছিলো। অপ্ৰত্যাশিত ভাবে বায়ু সেনাৰ মূখ্য কাৰ্য্যালয়ৰ পৰা মেধা বুলি পৰিচিত হৈ বায়ু সেনাৰ ইঞ্জিনিয়াৰিং শাখাত এটা চাকৰি পাঁও। বন্ধুজনে অবশ্যে নেপালে। ঘৰলৈ আহি মোৰ চাকৰিৰ খবৰটো দিছিলো। কিমান যে ফুৰ্তি কৰিছিল সকলোৱে। সকলোৰে পৰা আশীৰ্বাদ লৈ তামিলনাডুত গৈ চাকৰিত জইন কৰিলো। আৰু দুটা বছৰৰ পিছতে নিজক বায়ুসেনাৰ এজন জোৱান হিচাপে বিছাৰি পালো। মনত অপাৰ আনন্দ, সীমাহীন আশা লৈ চাকৰি জীৱনত খোজ দিছিলো। ঘৰলৈ তেনেকৈ চিঠি পত্ৰ দিয়াই নহয়। যিহে ভিতৰুৱা ঠাই, এখন চিঠি পাবলৈ দুমাহৰ কম নেলাগে। কেতিয়াবা আকৌ বাটতে কৰবাত হেৰাই থাকে। ঠিক তেনেকৈ এবছৰৰ অন্তত মাত্ৰ কেইদিন মানৰ চুটী লৈ ঘৰলৈ আহিছিলো। ঘৰত অবশ্যে দুটা ৰাতি কটোৱাৰ বাদে চুটীৰ বাকী থকা দিন কেইটা দীঘলীয়া বাটচোৱাৰ ট্ৰেইনতে শেষ হয়। এদিন নিজকে এজন জোৱান হিচাপে চিনি পোৱাৰ পিছত এবছৰৰ মুৰত ঘৰলৈ আহিছিলো। সেইবাৰ আমাৰ গাওঁ খনত সোমায়ে অলপ আচৰিত হোৱাৰ লগতে আনন্দিত হৈছিলো। কিয়নো আমাৰ গাঁওখনত চৰকাৰৰ সুদৃষ্টি পৰা যেন লাগিছিল। আলি-পদুলিবোৰ ভাল হৈছে, গাড়ী মটৰ চলিছে আনকি গাৱঁত বিভিন্ন পৰ্য্যায়ৰ কেইখন মান বিদ্যালয়ো স্থাপিত হৈছে। ঘৰলৈ আহি আৰু এটা সুখবৰে মোক বেছি আনন্দিত কৰিছিল। মায়ে ৰাতি মোক কৈছিল, ভন্তী হাস্নাৰ বিয়া ঠিক হৈছে। অহা বহাগৰ আঁঠ তাৰিখে। দৰা সিখন গাঁৱৰ, মাষ্টৰী কৰে। দেউতাই কৈছিল, ধন, হাস্নাৰ বিয়ালৈ কেবল দুটা মাহ বাকী। পাৰিলে টকা-পইছা অলপ যোগাৰ কৰিবি....। ঘৰৰ পৰা চাকৰিলৈ উভতিবৰ দিনা সকলোৰে আগত কৈছিলো, হাস্নাৰ বাবে সোনৰ সকলো অলংকাৰ, ভাল পাটৰ কাপোৰ এযোৰ আৰু বিয়াৰ খোৱা-বোৱাৰ সকলো খৰছ পাতি মইয়েই বহন কৰিম। তঁহতি চিন্তা নকৰিবি। সেইদিনা মায়ে কান্দিছিল। ভন্তী হাস্নাইও কান্দিছিল মোক সাবটি ধৰি। হয়তোবা আনন্দত নতুবা বিচ্ছেদ হোৱাৰ ভয়ত। মোৰো অন্তৰখনে কান্দি উঠিছিল সেইদিনা। ঠুকা-ঠুকি মাতেৰে হাস্নাক কৈছিলো, ধেৎ পাগলী কান্দিছ কিয়? চাওঁ চকু পানীবোৰ মচি দিওঁ। মাক কৈছিলো, যোৱাৰ পৰত মনটো মিছাতে কিয় বেয়া কৰিছ। সকলোৰে পৰা বিদায় লৈ বাটলৈ খোজ দিলো। দেউতাই শাকনি বাৰীৰ পৰাই সেমেকা মাতেৰে কৈছিল ধন, পাৰিলে দীঘলীয়া চুটী লৈ বিয়াৰ পোন্ধৰ দিন মানৰ আগতে আহিবি। মালৈ ঘূৰি চালো। পিৰালিতে বহি উচুপি আছে। মই চোৱা দেখি হাঁহিবৰ বৃথা চেষ্টা কৰিলে। ধৰা পৰি গল। ভগৱানক প্ৰণাম জনাই খৰ-খেদাকৈ গাড়ী ধৰিবৰ বাবে খোজ দিলো। হঠাৎ অৰূপ নিৰব হৈ গল। তাৰ মুখলৈ চালো, সি কলে, তৰা কথা কৈ কৈ ডিঙি শুকাই গৈছে। পানী এগিলাচকে আন। ইতিমধ্যে দ্বিগন্তই ও ভাত খাবলৈকে মাতিছিল। অৰূপক কলো, আহ ভাত বাঢ়িলে। বাকীখিনি খোৱাৰ পিছত শুনিম। দুয়োটাই পাকঘৰলৈ

আহি ভাত খাবলৈ আৰম্ভ কৰিলো। অৰূপলৈ চালো, তাৰ হয়তো ভোক অলপ বেছিকৈ লাগিছিল। একান্তমনে খোৱাত ব্যস্ত! তাৰ মুখলৈ চাই থাকোতে মোৰ মনটো হঠাৎ এৰি অহা লৰালিলৈ উভতি গল। মনত পৰিল তাৰ সতে কৰা ধেমালীবোৰ, সৰু সৰু কাজিয়াবোৰ। পঢ়াৰ ক্ষেত্ৰত দুয়োটাৰ মাজত সদায় প্ৰতিযোগিতা হৈছিল। মনত পৰিল অৰূপৰ ভন্টী হাস্নাৰ কথা। সেই দিনটোৰ কথা মোৰ মানস পটত আজিও জিলিকি আছে -

সেইদিনা অৰূপ দেউতাকৰ লগত ফুৰিবলৈ গৈছিল। প্ৰতিবেশী সমনীয়া ইন্দ্ৰজিৎ, হাস্না আৰু মই লুকা-চুৰি খেলিছিলো। এবাৰ ইন্দ্ৰজিৎৰ পাল পৰিল। মই লুকাবলৈ ঠাই বিছাৰিছো। দেখিলো হাস্নাও মোৰ পিছে পিছে। তাইক কওঁ সেইফালে যোৱা। তাই কয় তোমাৰ লগতে লুকাম। এবাৰ মনে মনে তাইৰ ওচৰৰ পৰা আঁতৰি আহি লুকাবলৈ বুলি সৰু ঠাই এডোখৰত শুই পৰিলো। দেখিলো হাস্নাও তাত হাজিৰ। তাইক আঁতৰি যাবলৈ কৈছিলো। তাই কিন্তু মোৰ লগতে লুকাবলৈ বুলি কাষতে শুই পৰিল।

তৰাদা, ভাত নেখাই কি ভাবি আছে? দিগন্তৰ মাততহে সম্বিৎ ঘূৰি আহিল। ধেৎ চালা, কিবোৰত যে তন্ময় হৈ আছিলো। অৰূপে ইতিমধ্যে খাই উঠিলেই। খৰ খেদাকৈ ভাত কেইটা নাকে-কানে ভৰাই হাত মুখ ধুই পুনৰ টেবুলৰ কাষলৈ আহিলো। অৰূপৰ হাতত শুকান শিলিখা এটা দি কলো, তাৰ পিছত কি হল অৰূপ? তই বাছ ধৰিবলৈ খোজ দিলি .......... । অৰূপে পুনৰ আৰম্ভ কৰিলে, নিৰ্দিষ্ট দিনত গৈ চাকৰিত জইন কৰিছিলো। সময় বোৰ প্ৰকৃতিৰ বুকুত হেৰাই গৈছে ঠিক বৰষুণৰ টোপালৰ দৰে। হাস্নাৰ বাবে সোনৰ অলংকাৰ গঢ়েৱা হৈ গৈছিল। টকা-পইচাও অলপ জমা কৰিছিলো। ছুটীৰ বাবে জনোৱা আবেদনো ইতিমধ্যে মঞ্জুৰ হৈ গৈছিল। বিয়ালৈ কেৱল পঁচিশ দিন বাকী। কিন্তু হঠাতে গাঁৱৰ মইনা খুড়াৰ পৰা পোৱা টেলিগ্ৰাম খনে মোক চিন্তাত পেলালে। তাত লিখা আছিল - "ধন আজিয়েই ঘৰলৈ আহ" - টেলিগ্ৰাম খনত মই বিপদৰ সংকেত পালো। চাৰক কাকুতি মিনতি কৰি ছুটীৰ দুটা দিনৰ আগতে ঘৰলৈ বুলি গাড়ীত উঠিলো। গাঁৱত সোমায়েই ঘৰলৈ বুলি খৰ-খেদাকৈ খোজ দিলো। পদুলি মুখ পাই মোৰ অতি আপোন ঘৰটিলৈ মূৰ ডাঙি চালো। কিন্তু মোৰ নিজৰ চকু দুটিৰ ওপৰতে বিশ্বাস হোৱা নাছিল। মই যেন ভ্ৰম দেখিছো। মই দেখিছিলো, মোৰ সন্মুখত পুৰি চাই হোৱা এটা কলা ভেটি আৰু অত-তত পৰি থকা কেইটামান অৰ্ধজ্বলিত বাঁহৰ টুকুৰা। দৌৰ মাৰি গৈ কলা ছাইৰ ওপৰতেই আঁঠুকাঢ়ি বহি চিঞৰিছো, দেউতা-মা, ভন্টী তহঁতি ক'ত আছ তহঁত অহা নাই কিয়? মই ধন আহিছো। কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শত পিছফালে ঘূৰি চালো। দেখিলো, মইনা খুড়া। ঠিয় হৈ মইনা খুড়াৰ দুবাহুত ধৰি চিঞৰি উঠিলো, এইবোৰ মই কি দেখিছো খুড়া? মা, দেউতা, ভন্টী ক'ত আছে সিহঁত যে অহা নাই? খুড়াই মোৰ চুলিখিনিত হাত ফুৰাই দি কৈছিল, অধৈৰ্য্য নহবি ধন। আহ, আমাৰ ঘৰলৈ। তাতে সকলোবোৰ গম পাবি। দুচকুত ধাৰাষাৰ চকুপানী, বুকুত এসোপামান দুঃচিন্তা, কান্ধত বেগটো লৈ খুড়াৰ ঘৰ পালোগৈ। খুড়ীয়ে আনি দিয়া পানী গিলাচ পি বেগটো মাটিত থৈছো এনেতে খুড়াই মোক কাগজ এখন দি কলে, এইখন পঢ়, সকলো গম পাবি। খৰ খেদাকৈ কাগজখন খুলি দেখিলো, দেউতাই মোলৈ লিখা এখন চিঠি। উৎকন্ঠাৰে পঢ়ি যাব ধৰিলো।



চেনেহৰ ধন,

পত্ৰে তোৰ দুৰ্ভগীয়া দেউতাৰৰ চেনেহ ও আশীৰ্বাদ শেষবাৰৰ বাবে গ্ৰহণ কৰিবি। ধন, আমাৰ সকলো শেষ হৈ গল আৰু অলপ সময়ৰ পিছতে মইও হয়তো শেষ হৈ যাম। তোৰ মা আৰু ভন্টীয়ে কিছুসময়ৰ আগতেই আমাক এৰি আঁতৰি গৈছে চিৰ কাললৈ। মাত্ৰ দুয়োজনীৰ নিঠৰ প্ৰাণহীন দেহ দুটা মোৰ সন্মুখত ঠিক চোতালৰ মাজত পৰি আছে অসহায় ভাৱে। ধন, কথাবোৰ তই ভালদৰে বুজি পোৱা নাই হবলা। শুন, যোৱকালি অৰ্থাৎ ১০ তাৰিখৰ দিনা অন্য দিনাৰ দৰে নিশা আমি নিদ্ৰামগ্ন। মাজনিশা আমি কাৰোবাৰ মাতত হঠাৎ সাৰ পাই গলো। কোনোবাই বাহিৰৰ পৰা হিন্দিতে মাতিছে, মাষ্টৰ বাবু দুৱাৰ খোলক। আপোনাৰ ঘৰত তালাচী চলাব লাগে। মা আৰু ভন্টীৰ বাধাৰ সত্বেও দুৱাৰখন খুলি দিলো। হুৰমুৰকৈ ভিতৰলৈ সোমাই আহিল উগ্ৰপন্থী বিচৰাৰ নামত অহা ৯ - ১০ টা মান চৰকাৰী পুহনীয়া গুণ্ডা। ইতিমধ্যে সিহঁতে মোক চকী এখনৰ সৈতে ৰচীৰে হাতে-ভৰিয়ে বান্ধি পেলাইছিল আৰু কৈছিল, চাল্লা, সিহঁতক থাকিবলৈ দিয়, খানা খাবলৈ দিয়। বন্দুকৰ কুণ্ডাৰে প্ৰচণ্ড কোব, চৰ, গোৰ লগতে অশ্লীল গালিৰে সিঁহতে প্ৰশ্ন কৰিছিল। এতিয়া সিঁহতক কত লুকুৱাই ৰাখিছ? কোনফালে গৈছে? মই মাথো নেজানো বুলি কৈছিলো। যিটো নেজানো সেইটো বাৰু কেনেকৈ জানো বুলি কঁও তয়েই কছোন ধন? গুণ্ডা খিনিয়ে মোক মাৰপিত কৰা দেখি তোৰ মা আৰু ভন্টীয়ে দৌৰি আহিছিল কাষলৈ। দুয়োজনীৰ শৰীৰতো পৰিছিল প্ৰচণ্ড চৰ গোৰ। ইমানতো ক্ষান্ত নাথাকি সিহঁতে দুযোজনীৰ গাৰ কাপোৰবোৰ ফালি চিৰা চিৰ কৰি পেলালে। আৰু তাৰ পিছত গোটেই নিশাটো দুয়োজনীকে বৰ্বৰহঁতে উপৰ্যোপৰি ধৰ্ষণ কৰিলে। মই একোকে কৰিব নোৱাৰিলো। মই যে নিঃসহায়। সিঁহতে আনকি দুয়োজনীৰ প্ৰাণহীন নিঠৰ দেহ দুটাৰ ওপৰটো বহুসময় অত্যাচাৰ চলালে। সিঁহতৰ বৰ্বৰতা দেখি মই হয়তো অজ্ঞান হৈ পৰিছিলো। এটা সময়ত জ্ঞান ঘূৰাই পাই নিজাকে মজিয়াত তেজোৰে তুম্ৰলি অৱস্থাত আৱিস্কাৰ কৰিছিলো। সৰ্বশৰীৰত অসহ্য বিষ। যেনেতেনে ঠিয়হৈ তোৰ মা আৰু ভন্টীৰ কাষত গৈ বহুসময় চিঞৰি আছিলো। সিহঁতে মোক এষাৰ মাত নিদিলে ধন। শুই আছিল চিৰ শান্তিত ....... ।

সিহঁতো গলগৈ বহু দূৰলৈ, মইও যাবলৈ ওলালো। সিঁহতক বিছাৰি। তই একেবাৰে দুখ নকৰিবি ধন। ধন, পিশাচ হতঁক মই তোৰ কথা কৈছিলো। সিহঁতে ক'লে, তইও বোলে তাত এনেকোৱাই কৰ। ধন মই কিন্তু একেবাৰে বিশ্বাস কৰা নাই বুজিছ। ধন, তই চাকৰি কৰিব নেলাগে। এৰি দিবি। যিখন দেশৰ ৰক্ষকে নিজ দেশৰ জনসাধাৰণৰ ওপৰত এনেকোৱা বৰ্বৰ অত্যাচাৰ চলাবলৈ কুণ্ঠাবোধ নকৰে, তই সেইখন দেশৰ ৰক্ষক হৈ থাকিব নেলাগে।

ইতি

তোৰ দেউতা

চিঠিখন পঢ়ি বাৰিষাৰ ঢলৰ দৰে ওলাই অহা চকু পানী খিনিক বাধা দিয়াৰ অপ্ৰাণ চেষ্টা কৰিলো। খুড়াই

কৈছিল, মা, ভন্তীৰ মৃতদেহ দুটা বাহিৰ লৈ উলিয়াই দেউতাৰে ঘৰটো জুই লগাই দিছিল। তাৰ পিছৰ দিনা সিখন গাঁৱৰ ৰাইজে নদীৰ পানীত দেউতাৰৰ মৃতদেহটো উদ্ধাৰ কৰিছিল। পুলিচ আহি মৃতদেহ কেইটা লৈ গৈছিল ডাক্টৰে কিবা পৰীক্ষা কৰিবলৈ। কেইবাদিনো মৃতদেহ কেইটা হস্পিতালত পৰিথকাৰ অন্তত ঘৰৰ মানুহ নোযোৱাত অন্য মানুহ লগাই শ্মশানত নি জ্বলাই পেলাইছিল। দেশখনত যে ন্যায় বুলিবলৈ একো নোহোৱা হল।

আমাৰ ঘৰটোক পুৰি চাই কৰা জুই খিনিক প্ৰতিহিংসাৰ জুই হিচাপে মনত সোমোৱাই লৈ খুড়াৰ ঘৰৰ পৰা উলাই আহিলো। তেতিয়া বহুত নিশা। নিশাৰ এন্ধাৰৰ মাজত পোহৰৰ উৎস বিছাৰি কেইবা ৰাতিও দিহিঙে-দিপাঙে ঘুৰি ফুৰিলো বলীয়াৰ দৰে। তাৰ পিছত হঠাৎ এদিন এটা বিপ্লবী সংগঠনৰ কেইজন মান সদস্যক লগ কৰি হাতত অস্ত্ৰ তুলি ললো। মোৰ এতিয়া প্ৰধান লক্ষ সিহঁত। মোৰ মাতৃহন্তা, ভন্তী হন্তা হঁত। অৰূপে হাতৰ ঘড়ীটো লৈ চায় কলে তৰা তিনি বাজিলে, ৰাতি পুৱাবৰে হল। মই যাঁও। তোৰ ওচৰলৈ মাত্ৰ কিছু সময় জিৰণি লবলৈ আহিছিলো। মোৰ আগত বহুত কাম আছে। যুদ্ধত নপৰিলে কেতিয়াবা আহিম। তেতিয়া আমাৰ সুখ-দুখৰ কথা আকৌ পাতিম। লগতে তোৰ কথা শুনিম। আজিলৈ বিদায় ............. । কান্ধত বেগটো লৈ, দুৱাৰৰ হুকটো খুলি অৰূপ খৰ-খেদাকৈ বহিৰলৈ ওলাই গল। তাক বাধা দিয়াৰ সাহস গোটাব নোৱাৰিলো। তাৰ আগত যে বহুত কাম। ভগৱানক খাটিলো "তাক যেন কুশলে ৰাখা"।

অৰূপৰ জলফাই ৰঙৰ চাৰ্টটো আৰু কলাৰঙৰ লংপেন্টটোৱে নিশাৰ এন্ধাৰৰ সৈতে বন্ধুত্ব গঢ়িলে। লোহাৰ জপনা খনৰ খট্ং কৰে এটা সৰু শব্দ, তাৰ পিছত নিশাচৰ কীট পতঙ্গৰ অবুজ ভাষাৰ সংমিশ্ৰণ সুৰ। অৰূপ এন্ধাৰৰ মাজত অদৃশ্য হৈ যোৱাৰ পিছত পিৰালিতে বহি পৰিলো। ভাৱ হল, এটা মহান অথচ কঠিন দায়িত্ব আগত লৈ মনৰ এলাহক আঁতৰত ৰাখি দুখ-কষ্ট সকলো নেওচি অৰূপৰ দৰে এটা লৰাই দেশ তথা জাতিৰ বাবে ইমান কষ্ট স্বীকাৰ কৰাৰ লগতে মৰণ পণ কৰিছে আৰু মই টেবুলৰ কাষত বহি কিবা এটা লিখাৰ বাবে এলাহ কৰিছো? মনতে পন কৰিলো, মই লিখিম নিঃসহায়, শোষিত, লাঞ্চিত সকলোৰে বাবে, অবিৰত ভাবে লিখিম।

মনত পৰিল মাষ্টৰ খুড়া, খুড়ীৰ কথা। ৰাংধালী হাস্নাজনীৰ কথা। দুচকুৰ পৰা উলাই অহা তপত চকুলো দুধাৰি মচি আকাশলৈ মূৰ তুলি চালো। মেঘাচন্ন আকাশ। তৰাবোৰ অস্পষ্টকৈ জ্বিলিকি আছে। জোনেও পোহৰ বিলাব পৰা নাই। প্ৰভাতী সূৰুযেহে যদি ধৰাৰ বুকুলৈ পোহৰ সিঁচিব পাৰে।

□□








# প্ৰেৰণা

*শ্ৰী মতী ভাৰ্জিনা হাজৰিকা*
স্নাতক দ্বিতীয় বাৰ্ষিক, ক'লা।

এই কেইদিন কলেজৰ পৰিবেশ উখল-মাখল। প্ৰতি বছৰে হোৱাৰ দৰে এইবাৰো কলেজৰ Election আৰম্ভ হৈছে। মোৰো এইকেইদিন তৰণি নাইকীয়া হৈছে। কাৰণ মোৰ দাদাৰ লগৰ মৃগাংক দাও আলোচনী বিভাগৰ সম্পাদক পদত প্ৰতিদন্দ্বতা কৰিছে। মোৰ বিশ্বাস মৃগাংকদা জিকিবই। এই কেইদিন যিমান পাৰিছো মৃগাংক দাক সহায় কৰিছো। লগৰ বোৰক কৈছো ভোট টি দিবলৈ, পাৰ্য্যমানে লগৰ বিলাকেও সহায় কৰিছে।

যোৱা সোমবাৰে Election হৈ গল মই ভবাৰ দৰেই মৃগাংক দাই ৫০ টা ভোট বেছি পাই জয়লাভ কৰিলে। চাৰিজন প্ৰতিদ্বন্দীৰ ভিতৰত মৃগাংক দাই যে নিৰ্বাচিত হল, আমাৰ বৰ ভাল লাগিল। আমাৰ বিশ্বাস মৃগাংক দাই এখন উচ্চ মানদণ্ডৰ আলোচনী উলিয়াবই। কলেজ নিৰ্বাচনৰ পাছতেই বাৰ্ষিক সপ্তাহ সুকলমেই পাৰ হৈগল। দুমাহ মানৰ পিছতেই পৰীক্ষা সমূহ হৈ গ'ল। পৰীক্ষাৰ ৰিজাল্ট ওলাল, পুনৰ ক্লাছবোৰ আৰম্ভ হ'ল। ভাবিছিলো কলেজত খোলাৰ লগে লগেই মৃগাংক দাৰ আলোচনী খন পঢ়িবলৈ পাম। মই আশা ৰাখিছো মোৰ প্ৰৱন্ধ আৰু কবিতা প্ৰকাশ পাব। মোৰ লগৰ বহুতে গল্প, কবিতা, প্ৰৱন্ধ আদি লিখিছে - সকলোৰে এটাই কথা কেতিয়া আলোচনী খন পঢ়িবলৈ পাওঁ। বহুত আশাৰে বাট চাই আছে এইবাৰৰ আলোচনী খনলৈ। কাৰণ যোৱাবাৰৰ খন উলিওৱাই নহল।

কিন্তু আমাৰ আশাত চেঁচা পানী ঢালিছিল মৃগাংক দাই। জানিব পাৰিলো মৃগাংক দাই হেনো আলোচনী খন উলিয়াব নোৱাৰে। মোৰ দাদাৰ মুখে জানিব পাৰিলো মৃগাংক দাই আলোচনীৰ কাৰণে ৫০ হাজাৰ টকা উলিয়াই আজিলৈকে কলেজলৈকে অহা নাই। শুনি আচৰিত হলো। মৃগাংক দা বাৰু ইমান তললৈ নামিব পাৰিলেনে? কিয়, মৃগাংক দাই মাত্ৰ টকাৰ কাৰণেই প্ৰতিদ্বন্দিতা কৰিছিল নেকি? যদি মৃগাংক দাৰ এখন আলোচনী উলিওৱাৰ সামৰ্থ্যই নাছিল তেন্তে প্ৰতিদ্বন্দিতা কৰিছিল কিয়? এজন ছাত্ৰৰ কৰ্তব্য? মোৰ খং উঠিছিল, খং উঠিছিল নিজৰ

দায়িত্বক অৱহেলা কৰাৰ বাবে। সচাঁকৈয়ে এখন আলোচনী সময়মতে উলিয়াব নোৱাৰাটো বৰ পৰিতাপৰ বিষয়। আজিৰ দিনত এজন মানুহে কিতাপ লিখি উলিয়াইছে। কিন্তু কলেজৰ এজন শিক্ষিত লৰাই এখন আলোচনী উলিয়াবলৈ অক্ষম।

এদিন মৃগাংক দা আমাৰ ঘৰলৈ আহিছিল মই কৈয়েই পেলালো 'তোমাৰ যদি এখন আলোচনী উলিওৱাৰ যোগ্যতাই নাছিল তেন্তে তুমি প্ৰতিদ্বন্দিতা কৰিছিলা কিয়? প্ৰতিদ্বন্দিতা কৰাৰ আগত এবাৰ তুমি নিজক ভাবি চোৱা উচিত আছিল তুমি এই কামটো সমাধা কৰিব পাৰিবানে নোৱাৰা। অকল সামৰ্থ্য থাকিলেই নহব মৃগাংক দা থাকিব লাগিব জ্ঞানৰ ভঁৰাল। আজি অকল তোমাৰ বদনাম নহয়, এখন কলেজৰো বদনাম। সেইদিনা মোৰ কথাবোৰ মৃগাংক দাই একান্ত ভাৱে শুনি গৈছিল। মোৰ কথাৰ মাজত মৃগাংক দাই কোনো মন্তব্য দিয়া নাছিল। হঠাৎ মৃগাংক দা বহাৰ পৰা উঠিল। ভাবিছিলো মোক গালি পাৰিব। কিবা কিবি কব। কিন্তু আচৰিত; মৃগাংক দাই একো মুখৰ মাত নিদিয়াকৈ গুছি গৈছিল। মই মৃগাংক দাৰ মত ধৰিব নোৱাৰি মাথো যোৱাৰ ফালে চাই ৰলো।

সেইদিন ধৰি মৃগাংক দাক পাচঁমাহ লগ পোৱা নাছিলো। এদিন হঠাৎ মৃগাংক দাক লগ পাই গলো। ভাবিলো মাতিম নে নেমাতিম। মৃগাংক দাৰ মুখলৈ চালো। যেন আজিও মোৰ ওপৰত খং উঠিয়েই আছে। মোৰ বুকু খন দুৰু দুৰু কপিঁছিল। কোনো মাত নমতাকৈ মৃগাংক দাই মোৰ হাতত এখন আলোচনী দিছিল। মই একো নুবুজি কিতাপখন মেলি চালো। মোৰ বুকুৰ পৰা অলপ ভয় আঁতৰিল। কিতাপ খন চাই দেখিলো এইয়া দেখোন কলেজৰ আলোচনী। মই আচৰিত হৈ সুধিলো, মৃগাংকদা এইয়া দেখোন তোমাৰেই আলোচনী। তেন্তে তুমি আলোচনী খন উলিয়াবলৈ সমৰ্থ হলা। মৃগাংক দাই কলে অ ভন্টী এই আলোচনী খন আজি তোমাৰ উৎসাহ আৰু প্ৰেৰণাত উলিয়াবলৈ সমৰ্থ হৈছো। পাঁচমাহৰ আগতে তুমি কোৱা কথা খিনিয়ে সঁচাকৈয়ে মোৰ চকু মেল খুৱালে। সেই দিনা মই প্ৰতিজ্ঞা কৰিছিলো যেতিয়ালৈকে তোমাৰ হাতত মই এখন আলোচনী দিব নোৱাৰো তোমাৰ আগত মুখ কেতিয়াও নেদেখুৱাও। সচাঁ কথা কবলৈ গলে মই সচাঁকৈয়ে হাৰ মানিছিলো। মোৰ বাবে যেন অসম্ভৱ। মই কলো - বাঃ মৃগাংক দা আজি তেন্তে তুমি অসম্ভৱক সম্ভৱ কৰি প্ৰমাণ কৰি দেখুৱালে যে পৃথিৱীত কৰিব নোৱাৰা কাম একো নাই নহয়নে? আচলতে আগ্ৰহ, একাগ্ৰতা থাকিলে সকলো কামেই কৰিব পাৰি। লাগে মাথো ধৈৰ্য্য আৰু সাহস নহয়নে মৃগাংক দা। আজিৰ মানুহে সৃজনৰ আবেগত হাবি কাটি নগৰ সাজিছে।

*জীৱনৰ মৃত্যুদীপ্ত তীব্ৰ প্ৰেৰণাত*
*পাইছে গভীৰ অৰণ্য*
*দীপ্তময় ভাৰত গঢ়িছে, কম্বোজত সাজিছে ওংকাৰধাম,*
*তেন্তে আমি কিয় নোৱাৰিম নহয়নে ?*

❑❑



# 'সোনমইনা'

*মিছ পাপৰি চেতিয়া*
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

মৰমৰ *'সোনমইনা'*,

*'মৰমজান'*ৰ পৰা মৰমবোৰ ল'বা। তুমি বহুদিনৰে পৰা গল্প এটা বিচাৰি আছা বুলি মই *মা'*ৰ পৰা গম পালো। ভাবিলো *'অগ্নিস্নান'* চাই ভাগৰত টোপনি যোৱাত কৈ *'মন অৰন্যৰ'* পৰা এটা গল্পকে উপহাৰ দিও তোমাক। জানা গল্পটো শেষ কৰো বুলি ভাবি থাকোতেই *'হৃদয়ৰ আঁৰে আৰে'* ভুমুকি মাৰিলেহি *'চিক মিক বিজুলীৰ'* দৰেই এছাটি *'নতুন আশাই'*। কি কৰিম কোৱা *'যৌৱনে আমনি কৰে'*ই। *'সোনৰ হৰিন'* চোৱাৰ লোভটোওতো সামৰিব নোৱাৰো। সেয়ে ভাবিলো গল্পটোৰ শেষ ডোখৰ দেৰীকৈ লিখি হলেও কাঁচঘৰৰৰ সপোন টো চাই লওঁ। চোৱাচোন *'এন্টণি মোৰ নাম'* বুলি জানিও *'আজলী নবৌ'* জনীয়ে মানি লব নোখোজে। *'চিৰাজ'* কাইটিয়ে বিশেষ একো কোৱা নাই অৱশ্যে তথাপিও কেতিয়াবা *'লটি ঘটি'* লগাব যেন অনুমান এটা হয়। মোৰ আক কি জানা সদায়েই *'ৰাংঢালী'* হৈ থাকিবৰ মন। *'সাগৰলৈ বহুদূৰ'* যদি হয় জীৱনৰ বাটত খোজকেনেকৈ পেলাম বাৰু? চাওঁতে চাওঁতে সময় বোৰ *'ইটো সিটো বহুতো'* কৰি থাকোতে *'বৰদৈচিলা'*ই *'বহাগৰ দুপৰীয়া'*ক আদৰনি জনালেহি। ইফালে *'পিতা পুত্ৰ'* মিলি *'বৃকোদৰ বৰুৱাৰ বিয়া'* পাতিবৰ ইচ্ছা। পিছে এই যে *'ধৰ্মকাই'* সি আছে বুলিহে ৰক্ষা। সি ইমানদিনে বুজাই মেলি নোথোৱা হলে *'অপৰূপা'* জনী *'সেন্দুৰ'* লৈ *'আজলী নবৌ'* হলে গৈহেতেঁন। *'শ্ৰীমতী মহিমাময়ী'*ৰ কৃপাত স্বাস্থ্যও ভালে ৰাখিছে। তাৰোপৰি *'ড° বেজবৰুৱা'* আংকলে চাইমেলি থাকেহি বুলিহে। দ্বীপ-জ্যোতি হঁতক সুধিলো মই কি কৰিম বুলি? বিশেষ ভাল পৰামৰ্শ দি মোৰ অশান্তমন শান্ত কৰি তেওঁলোকৰ অন্তৰত *'আশ্ৰয়'* দিব নোৱাৰিলে। *'দূৰনিৰ ৰং'* দেখি ভয়ো লাগিছে জানা। কবতো নোৱাৰি *'সংগ্ৰাম'* আৰু *'সংঘাতে'* যদি আৱৰি ধৰি মোৰ মনৰ *'পাপৰি'* খিনি সিঁচৰিত কৰি পেলায় সন্তাপ দিয়ে। মোৰ *'পুতলা ঘৰ'* সদৃশ *'মন মন্দিৰ'* টো যদি ভাগি চূড়মাৰ হয়। ভগৱানক প্ৰাৰ্থনা কৰো *'পাহাৰী কন্যা'* নিজৰা, বনানী হঁতৰ দৰে মোৰ জীৱনলৈ *'অশান্ত প্ৰহৰ'*ৰ বামাৰলি যাতে নাহে। *'ফাগুনী'* হঁতৰে ভাল *'হৃদয়ৰ আহ্বান'*ত *'প্ৰেম জনমে জনমে'* কৰি *'কল্লোলৰ'* সৃষ্টি কৰিব পাৰিছে। অৱশ্যে আমাৰ ঘৰত *'ভাই ভাই'* মিলি *'ঘৰ সংসাৰ'* এখন হৈছে যেতিয়া সিহঁতে মোৰ কথাটোত গুৰুত্ব দিব। *'অজলাককাই'* য়ে মোৰ ঘৰখনক সৈমান কৰাব পাৰিম বুলি গাত লৈছে। তথাপিও কথাটোৰ শান্তিপূৰ্ণ সমাধান এটা নাপালে মোৰ *'অবুজ বেদনা'* উথলি উঠিব।

*'জয়মতী' 'ইন্দ্ৰমালতী'* হঁতক বহুদিন লগপোৱা নাই। *'মধুছন্দাক'* সিদিনা কলেজৰ পৰা আহোতে বাটতে লগ পালো। তাইৰ বোলে *'দেৱতা'* সদৃশ মানুহৰ *'নয়নমণি'* হবৰ মন। *'৩১ জুন'* ৰ দিনা তাই আমাৰ ঘৰলৈ আহিব। অ *'সোনমইনা' 'জীৱন সুৰভি'* ৰ *'এৰা বাটৰ সুৰ'* আৰু কিমান শুনাম? জানা নে সোনমইনা, এইবাৰ *'ককাদেউতা নাতি আৰু হাতী'* মিলি *'বহাগৰ দুপৰীয়া'*ত বোলে এখন যুজ কৰিব। হে ভগৱান ককা দেউতাই বন্দুক উলিয়াই *'আই কিল্ড হিম চাৰ'* বুলি চিঞৰি নামাৰিলেই হল আৰু ভাবাচোন, ককা দেউতাই এনে কৰিব গৈ যদি *'ৰঙা পুলিচ'*ৰ ঘৰৰ ভাত খাব লগা হয়? ইচ তেতিয়া তেওঁৰ *'সন্তান'*য়ে মনোকষ্ট পাব। *'বঙ্কিমান'*, *'সূৰ্য্য তেজৰ অন্য নাম'*ৰ দৰেই জিলিকি থাকিব। নহয়নে?

গল্পটোৰ শেষ ডোখৰ চাগৈ আজিও লিখা নহব। *'মন প্ৰজাপতি'* ঠিক নহলে লিখিবও নোৱাৰি দিয়া। আধা লিখা বেজৰ দৰেই দস্তা যদি গল্প লিখাত *'ৰাগবিৰাগ'* দেখুৱাওঁ তেন্তে *'ৰনাংগিনিৰ'* পৰিচয় কেনেকৈ দিম? *'ময়ুৰী' 'নিজৰা' 'ভাইটী'* হঁতে মোক বৰ লাজ দিব।

শেষত, *'পোনাকন' 'শ্ৰীমান মাইমন'* হঁতৰ ভালেই। সিহঁতৰ অভিমান বোৰ দুষ্টালিভৰা। *'ৰিক্সাৱালা'*ৰ পৰা ৰিক্সাকাঢ়ি চলায়। *'অৰন্যত'*' অভিমান চলায়। চাহ-বাগানৰ *'চামেলি মেহচাহৰ'*হঁতক জোকায়। পিছে, *'শকুন্তলা, শংকৰ যোচেফ আলি'*হঁতে সিহঁতক বৰ মৰম কৰে।

আদাহৎ মৰমেৰে আজিলৈ আহোঁ।

□□

*যাৰ আনৰ দুখত দুখী হব পৰা অন্তৰ এখন*
*আছে সেইজন ব্যক্তি বহুতো তথাকথিত জ্ঞানী*
*জনতকৈ অধিক জ্ঞানী।*

- হেম বৰুৱা



# ইউৰেনিয়াম

*শ্ৰী খেমা জ্যোতি বৰুৱা*
স্নাতক ২য় বৰ্ষ

কেইমাহমানৰ আগৰ কথা। ককাদেউতা গৈছিল ডিফুলৈ। সৰু খুড়াদেউ তাৰে কলেজৰ অধ্যাপক। তেওঁৰ তাত কেইদিনমান কটাই আহিবলৈ ককাদেউতা তালৈ গল।তাতো সেই একেকথা-ককাদেউতাৰ ৰেষ্ট নাই। আজি ইয়ালৈ, কালি তালৈ, বাটে বাটে পাহাৰৰ চুড়াই সন্ধানী দৃষ্টি লৈ ঘূৰি ফুৰিলে আৰু ডিফুতো এদিন সাংঘাটিক বস্ত এটা আৱিষ্কাৰ কৰি পেলালে। টিলা এটাৰপৰা নামি অহা লুংলুঙীয়া বাট। এটাৰে আহি থাকোঁতে হঠাৎ এটুকুৰা শিল ককাদেউতাৰ চকুত পৰিল।ককাদেউতাই শিলটুকুৰা হাতত লৈ কি কৰিব কি নকৰিব এনে লাগিল।ককাদেউতাৰ দুচকু জ্বলি উঠিল।গোটেই বিশ্বৰ সমস্ত শক্তিৰ উৎস যেন ককাদেউতাৰ হাতত। কেতিয়া কেনেকৈ আহি যে ককাদেউতা ঘৰ পালেহি, তেওঁ নিজেই কব নোৱাৰিলে। সেই সময়ত আকৌ খুড়াদেউ ঘৰত নাই। ককাদেউতাও ৰোৱাত নাই। ইমান ডাঙৰ খবৰ এটা লৈ ককাদেউতা যেন পাগল হৈ গৈছে। এইবিলাক বৰ ডাঙৰ ৰিক্স, দেশৰ নিৰাপত্তাৰ কথা। গতিকে ককাদেউতা পোনচাতেই ওলালগৈ জিলা কাউন্সিলৰ কাৰ্য্যলয়। তেওঁ বিশেষ জৰুৰী কথা এটাৰ বাবে চীফ একজিকিউটিভ কাউন্সিলাৰক লগ পাব খোজে। বহুসময় অপেক্ষাৰ পাছত ককাদেউতাই সাক্ষাতৰ অনুমতি পালে। নিজকে এজন বিচক্ষণ আবিষ্কাৰক বুলি পৰিচয় দি ককাদেউতাই ক'লে যে, তেওঁ এটা সাংঘাটিক বস্ত আৱিষ্কাৰ কৰিছে। চীফ একজিকিউটিভে টেবুলৰ পৰা মূৰ নোতোলাকৈ সুধিলে -

চীফ - 'কি হল? কি বস্ত'?

ককা - 'অতি মূল্যবান বস্ত! ইউৰেনিয়াম'।

ককাদেউতাৰ মূল্যবান আৱিষ্কাৰক মুঠেই মূল্য নিদি চীফে পুণৰ সুধিলে ক'ত?

ককা - 'ইয়াতে ডিফুত'।

চীফ - 'খালি চকুৰে দেখা পালে'?

ককা - 'হয়'

আপোনাৰ দৃষ্টিশক্তিক ধন্যবাদ নিদি নোৱাৰিলোঁ।

ডিফুৰ আকাশত সাধাৰণতে মেঘ ভৰি থাকে। আজিকালি অলপ বেচিকৈ মেঘ থাকে। তাৰ মাজতো আপুনি যদি দূৰবীণৰ সহায় নোলোৱাকৈ 'ইউৰেনিয়াম' দেখিছে, তেনেহলে সচাঁকৈ আপোনাৰ চকু দুৰবীণৰদৰে। আকাশ ফৰকাল থাকিলে, নেপচুন, প্লুটোও আপুনি দেখেযেন পাওঁ। ইমান কষ্ট কৰি মোক এই খবৰটো দিবলৈ অহাৰ বাবে ধন্যবাদ। এতিয়া

যাওঁক। এটি তাচ্ছিল্যৰ হাঁহি মাৰি চীফে পুনৰ ফাইলত মনোযোগ দিলে।

শেনটোৰদৰে গৈ ফেঁচাটোৰদৰে উভতি আহিল ককাদেউতা। ইমান ডাঙৰ বস্তু এটা আৱিষ্কাৰ কৰিছে অথচ কবলৈ কোনো মানুহ নাই। কলেও কোনেও নুবুজে। কথাটো কাক কব পৰি ভাবি গৈ থাকোঁতে বাটত এজন কনিষ্টবলৰ লগত খুন্দা-খাই ককাদেউতাৰ হাতত থকা ইউৰেনিয়াম টুকুৰা ছিটিকি পৰিল। পৰি যোৱা টুকুৰাটো ততাতৈয়াকৈ জেপত ভৰাই ললে। কিবা এটা জেপত ভৰাই লোৱা যেন পাই কনিষ্টবল জন আহি ককাদেউতাক ধৰি পেলালে।

–'এই কি ভৰালি'।

– 'ইউৰনিয়াম'

অ'বিদেশী মাল, চোৰাংমাল, টকা দহটা দে। মই কাৰো আগত নকওঁ।

নহয়, মই কথাটো ক'বলৈ মানুহ বিচাৰি ফুৰিছোঁ।

অ তই তাৰ মানে, দাগী। ভাল কলে বেয়া শুন। বল তেনে বৰ চাহাবৰ আগত কবি, এই বুলি টানিনি ককাক থানাৰ ডাৰোগাৰ আগত হাজিৰ কৰালে।

ছাৰ - ইয়াৰ পকেটত চোৰাংমাল আছে।

কনিষ্টবল জনে ডাৰোগাক উদ্দেশ্যি কলে।

ককা - চুৰকৰানাই, মই পাইছো।

ডাৰোগা - 'চাওঁ কি বস্তু'?

ককা - ইউৰেনিয়াম ছাৰ, জেপৰপৰা উলিয়াই শিল ডোখৰ ডাৰোগাৰ টেবুলত থ'লে।

শিলটুকুৰা লিৰিকিবিদাৰি চাই ডাৰোগাই তাচ্ছিল্যৰ হাঁহি মাৰি কলে সাংঘাটিক মূল্যবান বস্তু। ভালদৰে ৰাখিবা! এতিয়া যোৱা। ডাৰোগাই কনিষ্টবলটোক কলে এই বুঢ়াক ডাক্তৰৰ ওচৰলৈ লৈ যোৱা। মূৰৰ গোলমাল হৈছে।

পুলিছজনে এইবাৰ ককাক ওচৰতে থকা ডাক্তৰৰ চেম্বাৰত থৈ আহিল। ককাৰ মনত ফুৰ্তি। হেজাৰ হওঁক এইবাৰ এজন বিজ্ঞানৰ মানুহ পাইছে। কথাটো মন খুলি কব পাৰিব। অলপ সময়ৰ পাছত বুঢ়া ডাক্তৰজনে ককাক চেম্বাৰৰ ভিতৰলৈ মাতি লৈ গৈ বিচনাত শুবলৈ দিলে। ককাই কিবা ক'ব বিচাৰিছিল। ডাক্তৰে বাধা দি ককাদেউতাৰ পেট-মূৰ পৰীক্ষা কৰি প্ৰশ্ন কৰিলে।

- কি হৈছে?

- ইউৰেনিয়াম — ককাৰ অসমাপ্ত বাক্যটো সমাপ্ত কৰিবলৈ নিদি ডাক্তৰে সুধিলে - 'জ্বলা পুৰা কৰে নেকি'?

- নহয় মানে — ককা মস্কিলত পৰিল।

হব হব, এতিয়াই মই ইউৰিন পৰীক্ষা কৰি দিম। আপুনি এই পানী দুগিলাচ খাওক। অলপ পাছতে আপোনাৰ প্ৰসাৰ হব। সৌ তাতে কম্পাউণ্ডৰ আছে। এইটো বটল, লগে লগে ৰিজাল্ট পাই যাব।



জোৰপূৰ্বক পানী খুওৱাই প্ৰসাৰ সংগ্ৰহ কৰি ককাদেউতাৰ প্ৰসাৰ পৰীক্ষা কৰি ৰিজাল্ট দিলে - সকলো ঠিক আছে। চিন্তাৰ কোনো কাৰণ নাই। তথাপি পিকচনেৰি মেজাৰ হিচাপে দুটামান টেবলেট খোৱা ভাল বুলি দুটামান টেবলেট ককাৰহাতত দিলে। টেবলেট লৈ ককা আহিব খোজোতেই ডাক্তৰে মাত লগালে - হেৰি কি মানুহহে আপুনি! ইমান দৌৰাদৌৰিকৈ চব পৰীক্ষা কৰি দিলোঁ আৰু এতিয়া ফিজ নিদিয়াকৈ যাবলৈ ওলাইছে। ফিজ দহটকা আৰু ইউৰিন টেষ্ট কৰা ৫ টকা মুঠ ১৫ টকা দি যাওক। টেবলেটৰ দামটো বাৰু নালাগে। বাক্যব্যয় নকৰি দুখমনে ১৫ টকা দি ককাই পুণৰ বাট ললে।

ককাৰ দুখৰ সীমা নাই। ইমান ডাঙৰ বস্তু এটা আৱিষ্কাৰ কৰি কবলৈ মানুহ নাপায়। পৃথিৱীৰ চব মানুহ পাগল হৈ গল নেকি? কোনেও কাৰো কথা নুবুজে। অলপো বিজ্ঞান সাচেতনতা নাই। চব মূৰ্খ - এইবাৰ পাইছো। মুখৰ ভিতৰতে ককাই উচ্চাৰণ কৰি আহিছে। কলেজীয়া ল'ৰা এজনে ৰাষ্টাই ৰাষ্টাই কিতাপ এখন পঢ়ি আহিছে। নিশ্চয় মেধাবী ল'ৰা। বিজ্ঞানৰ ল'ৰা খুউব ভালদৰে বুজিব! লৰাটোৰ ওচৰলৈ গৈ ককাই সুধিলে তুমি বিজ্ঞানৰ ছাত্ৰ নেকি ?

- নহয় ৰাজনীতি বিজ্ঞানৰহে।

হওঁক হওঁক কথা নাই। বিজ্ঞানতকৈ ৰাজনীতিজ্ঞসকলৰ মাজতহে এই লৈ টনা টনি। ৰাজনীতি তল ওপৰ কৰা পদাৰ্থ এইবিধ। ককাই নিজে নিজে কলে।

ল'ৰা - কি হল? কি হল নকয় কিয় ?

ককা - ইউৰেনিয়াম —।

ল'ৰা - অৰুণিমা? কত দেখিছে অৰুণিমাক? মইতো তাইকেই বিচাৰি আছো। জানে-এইখন মই অৰুণিমালৈ চিঠি লিখি আনিছো। আজি তাইক জনাই দিম মই তাইক কিমান ভাল পাওঁ। অৰুণিমা, অৰুণিমা নহলে মোৰ জীৱন ব্যৰ্থ।কওঁক কত দেখিলে তাইক ?

ককাদেউতা যেন এইবাৰহে আচল বিপদত পৰিল। মানুহবোৰ পাগল হৈ গল নেকি বাৰু? মানুহবোৰৰ মূৰ্খামিৰ বাবে খঙো উঠিল। খঙৰ ভমকত ইউৰেনিয়ামৰ টুকুৰাটো এই লোৱা তোমাৰ অৰুণিমা বুলি লৰাজনৰ হাতত গুজি দি গুচি গ'ল।

শিলটুকুৰা হাতত লৈ ল'ৰাটোৱে বুৰ্বকৰদৰে ককাদেউতা যোৱালৈ চাই থাকিল। মুখেৰে ভোৰভোৰাই কলে - এওঁ অৰুণিমাৰ বাপেকেই আছিল নেকি?

□□

# সাক্ষাৎ কাৰ

*সাক্ষাৎ গ্ৰহণঃ- শ্ৰী অনুপম শইকীয়া*
*ডিব্ৰু মহাবিদ্যালয়*

মহাবিদ্যালয়ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীলৈ যুৱ মানসিকতা, ধৰ্মান্ধতা আৰু মহাবিদ্যালয়ৰ ভিতৰ চৰাৰ সম্পৰ্কে আমাৰ কেইটামান প্ৰশ্ন -

**প্ৰশ্ন নং ১ : মহাবিদ্যালয়ৰ শিক্ষাত আপোনাৰ জীৱনৰ উদ্দেশ্য সফল হৈছে বুলি ভাবেনে?**

**প্ৰশ্ন নং ২ : ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে আপুনি সুখীনে?**

**প্ৰশ্ন নং ৩ : বৰ্তমান যুৱ শক্তিৰ মাজত যি উশৃংখল মনোভাৱ পৰিলক্ষিত হৈছে তাৰ কাৰণ আপুনি কি বুলি ভাবে আৰু এই উশৃংখলতা প্ৰতিৰোধ কৰিবৰ বাবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে সুফল পোৱা যাব বুলি আপুনি ভাবে?**

**প্ৰশ্ন নং ৪ : সম্প্ৰতি ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে যি ধৰ্ম্মীয় বিভেদকামি মনোভাব এটাই মূৰ দাঙি উঠিছে সেই সংক্ৰান্তত এজন ছাত্ৰ হিচাপে আপোনাৰ মনৰ প্ৰতিক্ৰিয়া কেনে?**

*শ্ৰী মতী পৰিস্মৃতা বৰুৱা* **স্নাতক প্ৰথম বাৰ্ষিক (কলা শাখা)**

**উত্তৰ নং ১ ঃ** নিশ্চয় ভাবো।

**উত্তৰ নং ২ ঃ** সুখী বুলি একেষাৰে কব নোৱাৰো।কাৰণ বৰ্তমানৰ যি শিক্ষা ব্যৱস্থা, এই ব্যৱস্থাই ভৱিষ্যতৰ বাবে জীৱন নিৰ্বাহৰ কোনো নিশ্চিন্ত পথ দেখুৱাব নোৱাৰে। ডিব্ৰু কলেজো তাৰ ব্যতিক্ৰম নহয় বুলি ভাবো। ঘৰৰ পৰা ৪ বা ৫ টা ক্লাচ কৰিবলৈ আহি ক্লাচ বোৰ নহলে ক্লাচ কৰাৰ মানসিক প্ৰস্তুতিয়ে কমি যায়। ইয়াৰ বাবে শিক্ষক নে ছাত্ৰ-ছাত্ৰী সকল দায়ী তাক বিশ্লেষণ কৰা অতি আৱশ্যক।সম্পূৰ্ণ ক্লাচ কেইটা কৰিবলৈ পালে সুখী নোহোৱাৰ কথা নাই।

উত্তৰ নং ৩ ঃ বৰ্তমান যুৱ উশৃংখলতাৰ কাৰণ ইমান কম পৰিসৰত কব নোৱাৰি তথাপিও



মই তলৰ কথা কেইটালৈ আঙুলিয়াব খুজো —

(১) বিভিন্ন প্ৰচাৰ মাধ্যমৰ দ্বাৰা উপভোগ কৰা সস্তীয়া মনোৰঞ্জন।
(২) নিচাযুক্ত দ্ৰব্য সেৱন।
(৩) ঘৰুৱা পৰিবেশত নীতিশিক্ষাৰ অভাৱ।
(৪) সন্তানৰ দুখ দেখি গান্ধাৰীৰ ভাও ধৰা সমাজ ব্যৱস্থা।
(৫) সামাজিক দ্ৰুত পৰিবৰ্তন।
(৬) অৰ্থনৈতিক বৈষম্য, নিবনুৱা আৰু কৰ্মহীন পৰিবেশ।
(৭) উৎপাদনত কৈ সহজতে উপাৰ্জন কৰাৰ মনোবৃত্তি
(৮) আধুনিক পৰিবৰ্তনৰ লগত খাপ খুৱাব নোৱাৰা অপৰিপক্ক চিন্তা দ্বাৰা ইত্যাদি এনে আৰু বহুত কাৰণ আছে।

এই উশৃংখলতা প্ৰতিৰোধ কৰিবৰ বাবে কেইটামান ব্যৱস্থাৰ কথাও উল্লখ কৰিব খুজো –

ক) সুস্থচিন্তা কৰাৰ প্ৰতি পৰিবেশ গঢ়ি তোলা।
খ) পিতৃ-মাতৃ আৰু গুৰুজনে সন্তানৰ ব্যক্তিত্ব গঠনৰ দিশত চকু দিয়া।
গ) মানসিক ভাৰসাম্য সুষ্ঠ ৰাখি নিচাযুক্ত দ্ৰব্য যাতে সেৱন কৰিব নোৱাৰে তাৰ প্ৰতি সজাগ দৃষ্টি ৰখা আৰু লগতে সজগুণৰ অধিকাৰী হবলৈ সৰুৰে পৰাই লৰাছোৱালীক নীতিশিক্ষা দিয়া প্ৰয়োজন।
ঘ) নিবনুৱা সমস্যা, কৰ্মহীনতা দুৰীকৰণৰ ব্যৱস্থা, চাকৰি মুখী মনোভাৱ ত্যাগ কৰি কৰ্মমুখী স্বনিয়োজন প্ৰৱনতা গঢ়ি তোলা।
ঙ) জাতীয় সংস্কৃতিৰ প্ৰতি সজাগতা গঢ়ি তোলাৰ লগতে গুৰজনক সন্মান জনোৱাৰ শিক্ষা দিব লাগিব।

ইয়াৰোপৰি প্ৰধান ব্যৱস্থা হল মনোৰঞ্জনৰ যি বিলাক বাহক যেনে চিনেমা, ত.দ. আদিত প্ৰচাৰিত যুৱসমাজক অনিষ্ট কৰা যিবোৰ অশ্লীল বিজ্ঞাপন, সেইবোৰ বন্ধ কৰিবলৈ কাগজ, ৰেডিঅ, ত.দ. আদিৰ যোগিদি জনমত গঢ়ি তুলিব লাগে। ইয়াৰ দ্বাৰা এখন সুন্দৰ সমাজ গঢ়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি ভাবো। আৰু ইয়াক গঢ়ি তোলাৰ চৰম মূহূৰ্ত আহি পৰিছে।

**উত্তৰ নং ৪ ঃ** চন্দ্ৰত মানুহৰ খোজ পৰাৰ দিনতো যেতিয়া আমি জোনাটোক সেৱা কৰো এনে মানসিকতা দুৰ নোহোৱালৈকে ধৰ্মীয় বিভেদকামী মনোভাৱ আঁতৰাবলৈ নিশ্চয় কিছু সময় লাগিব। খৰালি বাটে পোৱালী মেলাৰ দৰে ভগৱানক পাবলৈ বিভিন্ন ধৰ্মান্ধতা গঢ়ি উঠিছে। এই প্ৰচলিত সমাজ ব্যৱস্থাৰ ব্যক্তি যেতিয়া নিশ্চয় ময়ো এই ক্ষেত্ৰত ব্যতিক্ৰম হব নোৱাৰো। কিন্ত ধৰ্মশাস্ত্ৰত কোৱাৰ দৰে ময়ো কওঁ, 'কৰ্মই ধৰ্ম'। গতিকে নিজ কৰ্ম কৰি গলে ধৰ্মই আপোনা আপুনি মূৰ দোঁৱাব।

শ্ৰীমতী পাহাৰী দাস উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (বিজ্ঞান শাখা)

উত্তৰ নং - ১) জীৱনৰ উদ্দেশ্য এতিয়াই সফল হৈছে বুলি কেনেকৈ কব পাৰো? যিহেতু জীৱণৰ উদ্দেশ্য সফল কৰাতো ইমান সহজ নহয়। হাইস্কুলৰ দেওনা পাৰহৈ মহাবিদ্যালয়ত শিক্ষা আৰম্ভ কৰাৰ লগে লগে জীৱণৰ উদ্দেশ্য সফল কৰি তোলাত এটা নতুন চেষ্টাৰ আৱশ্যক। পোন প্ৰথমে ভাবিছিলো যিটো উদ্দেশ্য লৈ মই আহিছিলো সি নিশ্চয় সফল হ'ব। কিন্তু দিনচেৰেকৰ পাছত পাঠদান অনিয়মিত হ'বলৈ ধৰাত মোৰ মন কিছু সেমেকি গ'ল। ছাত্ৰ-ছাত্ৰীৰ জীৱণৰ উদ্দেশ্য সফল ৰূপায়নৰ বাবে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ কিছু উন্নত কৰাৰ নিতান্তই প্ৰয়োজনীয়।

উত্তৰ নং - ২) মোটামুটি ভাৱে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰী হিচাবে মই সুখী।

উত্তৰ নং - ৩) বৰ্তমান সমগ্ৰ বিশ্বতে উশৃংখল যুৱ মানসিকতাই গা কৰি উঠিছে। সমগ্ৰ মানৱ সমাজৰ চিন্তাজগতত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰা উশৃংখল যুৱ মানসিকতাৰ প্ৰাৰ্দুভাৱ বিশ্বৰ বাবে এক মাৰাত্মক ব্যধি। মই ভাবো এই উশৃংখলতাৰ গুৰিতে হ'ল আমাৰ সমাজ ব্যৱস্থা। আমি দৈনদিন জীৱণ নিৰ্বাহ কৰাৰ অৰ্থে যি সমাজ ব্যৱস্থাৰ মাজেৰে গতি কৰিছো সেই ব্যৱস্থাই কোনো যুৱকৰ সুভৱিৰ্ষ্যত নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। পৰিয়ালৰ শাসনৰ শিথিলতা, আদৰ্শ বা সৎ পথৰ নিৰ্দেশৰ অভাৱৰ কথাও উল্লেখ কৰিব লাগিব। আমাৰ সমাজৰ অৰ্থনৈতিক অৱস্থা আৰু নিৱণুৱা অৱস্থাও উশৃংখল যুৱ মানসিকতাৰ কাৰণ বুলি মই ধাৰণা কৰো যদিও ইয়াৰ প্ৰকৃত কাৰণ সমূহ ফঁহিয়াই চোৱাতো আৱশ্যক।

যুৱ উশৃংখলতাৰ সমস্যা সম্পৰ্কে আলোচনা কৰিলে প্ৰায়েই দেখা যায় যে ইয়াক থোৰতে আৰু ছালে বেৰে কোবোৱা ধৰণেই সামৰি থোৱা হয়। এনে অসম্পূৰ্ণ আলোচনাই সমস্যাটোৰ গভীৰতা অনুধাৱণ কৰিব আৰু মূল কাৰণসমূহ চিহ্নিত কৰি দেখুওৱাব নোৱাৰে। প্ৰকৃত কাৰণসমূহ ফহিয়াই আলোচনা কৰা আতি প্ৰয়োজনীয়। কাৰণ সমাজত বিশেষকৈ যুৱ সমাজৰ মাজত এই সম্পৰ্কে সঠিককৈ সজাগতা বৃদ্ধি কৰিলেহে অন্ততঃ উত্তৰ পুৰষে এখন সুস্থ সমাজ আশা কৰিব পাৰিব।

উত্তৰ নং - ৪) বৰ্তমান সমগ্ৰ বিশ্বতে মূৰ ভাঙি উঠা — ধৰ্মীয় গোড়ামী আচলতে পৰিবৰ্ত্তিত বিশ্বৰ মানৱ সমাজত ক্ৰমশঃ গঢ়লৈ উঠা অতি কেন্দ্ৰিকতা। ই মানুহৰ সামাজিক, নৈতিক চৰিত্ৰ অধঃপতিত কৰিছে। ধৰ্ম মানুহৰ জীৱণৰ লগত জড়িত এটা স্পৰ্শকাতৰ বিষয়। সেয়ে ধৰ্মৰ গইনা লৈ বিশেষ ধৰ্মীয় সম্প্ৰদায়ক ক্ষমতা লিপ্সু ধৰ্মীয় তথা ৰাজনৈতিক শক্তিবোৰে নিজা অসৎ উদ্দেশ্যত সহজে পৰিচালিত কৰিব পাৰে। বিশেষকৈ অশিক্ষিত আৰু গোড়া ধৰ্মীয় মনোভাৱৰ লোক সকলৰ প্ৰতি সহাঁৰিয়ে এনে শক্তিক উৎসাহিত কৰে। ফলত



তেওঁলোকে এনে অশুভ কাৰ্য্যক প্ৰচাৰ কৰে।

ধৰ্মীয় গোড়ামী তথা বিভেদকামী মনোভাৱে মানৱ সভ্যতাৰ উত্তৰনত বাধাৰ প্ৰাচীৰ হৈ থিয় দিয়ে — যিদৰে মধ্যযুগত ধৰ্মীয় গোড়ামীৰ বাবেই কেইবা শতিকা জুৰি সভ্যতাৰ উত্তৰণ স্তব্ধ হৈ ৰৈছিল। অতি গোড়ামীয়ে মানুহৰ নৈতিক চৰিত্ৰ এনেকৈ অধঃপতিত কৰে যে ই সামাজিক শৃংখলতা ভংগ কৰে। ধৰ্ম হৈ পৰে ধ্বংসৰ বাহক। কিন্তু ধৰ্মৰ প্ৰকৃত উদ্দেশ্য হল মানুহৰ আধ্যত্মিক চৰিত্ৰৰ উন্নতি সাধন কৰি সমগ্ৰ বিশ্ব সমাজক শৃংখলিত কৰি ৰখা। ছাত্ৰী হিচাপে মই অনুভৱ কৰো যে শিক্ষিত সকলে ধৰ্মৰ প্ৰকৃত উদ্দেশ্যক অনুধাবন কৰি তাক ধৰি ৰাখিব লাগে যাতে অন্য প্ৰচাৰে সুৰুঙা নেপায়। কাৰণ যিয়েই নহওক ধৰ্মহি মানৱ সমাজৰ শৃংখলতা ৰক্ষণ কৰি ৰাখে।

❑❑



## কৌতুক

◆ শিক্ষকে এজন ছাত্ৰক উদ্দেশ্যি সুধিলে,

শিক্ষক ঃ ঐ বিজিত, 'গাইবাই চা' তো বাক্য ৰচনা কৰ।

বিজিত ঃ ছাৰ বিনয়হঁতৰ হাল বাবলৈ মতা গৰু নোহোৱাত সিহঁতৰ গাইজনীকে বাই চালে।



# কুইজ



শ্ৰীমতী পাহাৰী দাস
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (বিজ্ঞান শাখা)
ডিব্ৰু মহাবিদ্যালয়।

১) প্ৰশ্ন : বিশ্বৰ কোন দেশৰ পতাকাত এছ-৪৭ এছাল্ট ৰাইফলচৰ ছবি অকাঁ আছে?
উত্তৰ : মোজাম্বিক। (ঝটফত্ৰঝত্ৰৈডড্থক)

২) প্ৰশ্ন : বিশ্বৰ চিগাৰেট সেৱনকাৰী দেশখনৰ নাম কি?
উত্তৰ : কুৱেইট।

৩) প্ৰশ্ন : ভাৰত আৰু পাকিস্তানক ভাগ কৰা সীমাৰেখা ডালৰ নাম কি, এই ৰেখাডাল কোনে নিৰ্দ্ধাৰিত কৰিছিল?
উত্তৰ : চাৰ ক্ৰাইল্ ৰেডক্লিফৰ দ্বাৰা নিৰ্ধাৰিত ৰেডক্লিফ্লাইন।

৪) প্ৰশ্ন : দূৰদৰ্শনত প্ৰচাৰিত 'মিল্ সুৰ মেৰা তুমহাৰা' নামৰ ১৪ টা ভাষাত প্ৰচাৰিত গীতটোৰ সংগীতকাৰ কোন?
উত্তৰ : সুৰেশ মল্লিক আৰু কৈলাশ সুৰেন্দ্ৰ নাথ।

৫) প্ৰশ্ন : কোন পিতা-পুত্ৰই একেলগে পদাৰ্থ বিজ্ঞানত নোবেল বঁটা পাইছিল?
উত্তৰ : ১৯৯৫ চনত বৃটোইনৰ উইলিয়াম ব্ৰেগ আৰু পুত্ৰ লৰেন্স ব্ৰেগ।

৬) প্ৰশ্ন : ভাৰতৰ প্ৰথম ইংলিচ চেনেল সাতুৰি পাৰ হোৱা ব্যক্তি জন কোন?
উত্তৰ : মিহিৰ সেন (২৭ চেপ্তেম্বৰ ১৯৫৮ চন)।

৭) প্ৰশ্ন : ভাৰতৰ আটাইতকৈ কম বয়সত হোৱা ৰাষ্ট্ৰপতিজন কোন?
উত্তৰ : নীলম সঞ্জীৱ ৰেড্ডী। (৬৪ বছৰ ২ মাহ ৬ দিন)



# শ্বায়েৰী

- ৰামানন্দ পেগু
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

জৱ যাদ আতী হ্যায় তুম্হাৰী,
তো দিল থাম লেতা হুঁ।
আছু টপক কে পৰতে হ্যায়,
জৱ তুম্হাৰা নাম লেতা হুঁ।
(তোমাৰ কথা মনত পৰে যেতিয়া
অন্তৰক দমন কৰি থওঁ।
চকুৰ পানী টপ টপকৈ সৰে
যেতিয়া তোমাৰ নাম লওঁ।)

পহল মহব্বত, কিতনে ৰহমত,
হুৱা কিতনে ফজুল,
দম দম মে এহী জিন্দেগী
হুৱা আজ যে 'গজল'।
(প্ৰথম প্ৰেম, কিমান কৰুনা,
হলো মই কিমান সফল,
নিশ্বাসে নিশ্বাসে এয়েতো জীৱন
সৃষ্টি হল প্ৰেম-গীতি 'গজল'।)

অৱ জীনা ভী ক্যা
মৌত ভী মুঝে মঞ্জুৰ হে,
খুদা কো অগৰ মঞ্জুৰ নহী তো ক্যা
যে দিল ভীতো তেৰে আশিক হে।
(এতিয়া জীয়াই থকাটোনো কি।
মৃত্যু লৈও মই প্ৰস্তুত,
ভগৱানৰ দ্বাৰা স্বীকৃত্ব নহলে কি হল
এই হৃদয়খনতো তোমাৰেই প্ৰেমিক।)

তু হো মেৰি বাঁসুৰী জিচমে মেৰি তান হো,
দিল কি বাত ক্যা কহুঁ? তুহি মেৰি জান হো।
(তুমিয়েই মোৰ বাঁহী য'ত সুৰ বিদ্যমান
মনৰ কথানো কি কম? (সোণজনী) তুমিয়েই মোৰ জীৱন।)

ঔৰ ক্যা দেখনে কো ৰাকী হ্যায়
আপসে দিল লগাকে দেখ লিয়া।
(আৰু কি চাবলৈ বাকী আছে
দুয়োৰে হৃদয়চোন মিলি গৈছে।)




# কবিতা

## ঃ সংগ্ৰাম ঃ

মিচ্ ৰ'জী চেতিয়া
দ্বাদশ শ্ৰেণী
( কলা শাখা )

সংগ্ৰাম যদি জীৱন হয়
তেন্তে সংগ্ৰাম মোৰ প্ৰিয় ।
দুবাহুত অসীম সাহস লৈ আগবাঢ়ি যাম
যদি আঘাতে মোৰ জীৱন পথত
নিতে নিতে সহচৰ হয়,
বেদনাই যদি নিষ্ঠুৰভাৱে
তথাপি আনে পৰাজয়
সংগ্ৰাম কৰি কৰি
পৃথিৱীৰ বুকুত থিয় হম মই—
চহৰে - নগৰে মোৰ দৰে হাজাৰজনে
চিঞৰি চিঞৰি কব—
বন্ধু এয়া যে সংগ্ৰামৰ সময় ।
আহা আগবাঢ়ি ।

~০~

## সময়ৰ লগত পৰিচয়

শ্ৰীসত্যজিৎ আৰন্ধৰা
স্নাতক প্ৰথম বাৰ্ষিক ।

হে সময়,
মোৰ ঘৰত আহি মোকেই সুধিছা
মই কোন ?
মোৰ ঘৰৰ পেৰাত সোঁৱৰণীত,
মোৰ জন্মৰ চিনাকি পাবি,
স্মৃতিৰ মোৰ চোতালত পাবি বহুতো খোজ ।
মোৰ চিনাকি !
মোৰ জন্ম সৌ জোপা আমৰ তলত
উৰঁলি যোৱা তাহানিৰ জপুৰিত,
মোৰ নামটো চাচোন অলিখিত বুৰঞ্জীত ।
১৯৭৭ চনৰ চেপ্তেম্বৰ মাহৰ
কোনোবা এটা দিনত ।
হে সময়—প্ৰশ্ন নকৰিবি আৰু মই কোন ।
মইছোন তোৰেই বুকুৰ আপোন
হেপাহেৰে ভৰা আৰ্তনাদে জন্ম দিয়া,
তোৰ বুকুত তোৰেই সপোন
তইছোন জানই মোৰ পিতৃ - মাতৃ কোন ।

—×—

# স্বাগতম

ৰমানন্দ পেগু
স্নাতক দ্বিতীয় বৰ্ষ ( বিজ্ঞান )

হে 'ডিব্ৰুৱান'
তোমাৰ কাপত ফুলি উঠক
বুকুৰ মাজৰ শিলনি পথাৰ

হে 'ডিব্ৰুৱান'
তুমি গৈ থাকা
জনজীৱনৰ বহল বুকুৱেদি
মোৰ, তেওঁৰ যেন গোপন পৃথিৱী চুই।

হে 'ডিব্ৰুৱান'
তোমাক স্বাগতম
তোমাৰ সুগন্ধি কাপত
মইও আপ্লুত !

# "বিপন্ন সময়"

শ্ৰীমতী ৰ'জী চেতিয়া
স্নাতক ১ম বাৰ্ষিক ( কলা )

চকু মূদিলেই দেখা পাওঁ
মোৰ শ্যামলী আইৰ
হাজাৰ হাজাৰ ক্ষুধাতুৰ সন্তানৰ মিছিল
আইৰ চকুত চকুলো দেখিলেই
সাৰ পাই উঠিব খোজে
মোৰ উন্মুক্ত দুই হাত
বুকুৰ শোণিতেৰে খুলিব খোঁজো
লৌহদ্বাৰৰ শৃংখল
মোৰ আইৰ
সংস্কৃতিৰ পথাৰখনৰ
চাৰিওফালে কেৱল
বোমা বন্দুক - বাৰুদৰ গোন্ধ ॥
শত জন শোষিতৰ
মুক্তিৰ বাবে
কৰি যাওঁ মই সংগ্ৰাম
জাগ্ৰত প্ৰহৰীৰ দৰে
মাথো সংগ্ৰাম ।
কাৰণ —
এয়া যে সমাগত
বিপন্ন সময় ॥



# শান্তিৰ সন্ধানত

মোহিনী মোহন লিগিৰা
প্ৰাক্তন ছাত্ৰ

বতাহ জাকৰ সতে
মই উৰি গলো,
দূৰ দিগন্তলৈ।
শান্তিৰ অকনমান আশ্ৰয় বিচাৰি।
ইঠাইৰ পৰা সিঠাই লৈ,
পৃথিবী ভ্ৰমি ফুৰিলো শান্তিৰ সন্ধানত।
কিন্তু মই য'তেই জিৰণি লব বিচাৰো,
তাতেই সন্ত্ৰাস।
মানুহে মানুহৰ ওপৰত কৰা
অত্যাচাৰ, দুৰ্নীতি, নিপীড়ন।
মানবতা হীনতাত প্ৰকৃতিয়েও যেন
বিদ্ৰোহ কৰিব।
চিৰাচৰিত প্ৰকৃতিৰ আহ্বানত
পৰিশ্ৰান্ত হৈ,
নিস্ফল মনোৰথ লৈ
মই পুণৰ ঘূৰি আহিলো
মৃত্যুৰ চিৰ শান্তিৰ কোলালৈ।

# লুইত পৰীয়া ডেকা

শ্ৰী হেমন্ত শইকীয়া
প্ৰাক্তন ছাত্ৰ

মই লুইত পৰীয়া ডেকা
মই নহওঁ একোতে বেকাঁ।
মোৰ বাহুত আছে লাচিতৰ বল,
দৃষ্টিত অগনি শিখা,
মই লুইত পৰীয়া ডেকা।
মই সত্যক সন্ধান কৰো
মই দুৰ্নীতিক গছকি ফুৰো
নিতে ঈশ চৰণত নতশিৰ হৈ
সুন্দৰক আৰতি কৰো।
মই দুৰ্মদ সাহসী বীৰ
মই নকৰো কালৈকো ভয়,
মোক কৰিব নোৱাৰে কোনেও জয়।
মই দুৰ্মদ সাহসী বীৰ।
মই নকৰো কালৈকো ভয়
মই নামানো বাধাৰ প্ৰাচীৰ।
'হিমাদ্ৰী 'ৰ দৰে মোৰ শিৰ উচ্চ;
মই নহওঁ নতশিৰ।
মই লুইত পৰীয়া ডেকা
ধ্বংস কৰিম জনগণৰ বিভীষীকা
ব্যক্তি পূজাৰিক ৰক্তিম
লাগিলে দেহৰ ৰক্তেৰে ধুই
কৰিম সকলো নিকা
মই লুইত পৰীয়া ডেকা।

# নবাগত সকলক সোঁৱৰী

শ্ৰীকৃষ্ণ চুতীয়া
স্নাতক দ্বিতীয় বৰ্ষ



নবাগতা বন্ধু তোমালৈ
মোৰ গীতেৰে জনাওঁ তোমাক
স্বাগতম ...........................।
নতুন যুগৰ এজন হবা
নতুন দিনৰ পোহৰ
ৰাখি যাবা দেশৰেই মান
গাব সকলোৱে তোমাৰেই গান।
নবাগতা বন্ধু তোমালৈ ...............................।
জাতিৰ বাবেই দেশৰ বাবেই
ওলাবৰ হ'ল আমাৰ
আইৰ কোলাত বোৱাই যাম
কেচাঁ তেজৰেই চেকা॥
নবাগতা বন্ধু তোমালৈ
মোৰ গীতেৰে
জনাওঁ তোমাক
স্বাগতম ———॥

❀ ❀

# বিদ্ৰোহ

গিৰীন্দ্ৰ কুমাৰ লাহন
প্ৰাক্তন ছাত্ৰ

মই কথা কলেই
সিহঁতে ধৰফৰাই মৰে
চাৰিওফালে মাথো
বন্দুক, বেয়নেট আৰু জেইল !
গণতন্ত্ৰৰ ফটাজাল ক'ত
য'ত মেৰিয়াই থব পাৰি
(বিবেক আৰু ন্যায়)
সত্য মানেই দেশদ্ৰোহ
চকু মেলিলেই বুকুত বুট জোতাৰ গচক
কন্ঠত ................ বেয়নেটৰ খোঁচ।
সন্মুখত অজস্ৰ প্ৰহৰী
হৃদয়ত তুমুল সংগ্ৰাম।
এনেকৈয়ে যদি মৃত্যু হয় সত্যৰ
গান্ধীৰ কবচ পিন্ধা
ভণ্ড ন্যায়লব্ধ গণতন্ত্ৰৰ হাতত
তেনেহলে ...........................
স্মৰণ কৰা বন্ধু
অতীত শৌৰ্য্য সোঁৱৰাই দিয়া বন্ধু !

❀ ❀



# উপলব্ধি

শ্ৰী দ্বীপেন সন্দিকৈ
স্নাতক ক'লা (তৃতীয় বাৰ্ষিক।)

নৈকে আগমন হোৱা শিশুৰ ক্ৰন্দনত
থৰ থৰ কৈ কপিছে ৰাজধানী
সিহঁত বোৰে মুখা পিন্ধি হাঁহিছে
ধুমুহাৰ গতিৰে আহিছে দুৰ্ভিক্ষ।
এতিয়া কেৱল পলায়ন কাল
কেচা তেজৰ উমান পায়
আন্ধাৰতো উৰিছে শগুন বোৰ
বলিছে অপমৃত্যুৰ চল।
বুকুৰ মাজত ফুল গুজি লৈ
অনিদ্ৰিত দিন কটাইছে হাজাৰ মাতৃয়ে
বেৰি ধৰিছে বিষাদৰ ছাঁই
জন্ত বোৰেও যেন কিবা বুজিছে।
এইয়া এক ব্যৰ্থ বিপ্লৱীৰ পলায়ন
তোমাৰ মৌনতা আমাৰ চকুলো
ভয়ত কপাই তুলিছে মোৰ প্ৰতিটো সন্ধি
সৃষ্টি নৌ-হওঁতে ধ্বংস
এইয়া জানো তোমাৰেই প্ৰতিশ্ৰুতি
এতিয়া কেৱল পলোৱাৰ সময়
কেৱল পলোৱাৰ সময় ...............................।

❀ ❀

# স্নেহ



আজি মোৰ মনৰ কথা কেনৈকে কম
তোমাৰে মনৰ কথা নাপালো যে গম
আচিনাকি ভাৰত তোমাৰে সতে বন্ধুত্ব গঢ়িলোঁ
তোমাৰ সচাঁ মৰম আজিও নাপালো।
দিবা জানো মৰম তোমাৰ
অজানিতে সপোন ৰূপত
চৰণৰ নিজৰা পাৰত।
বোৱতী মৰমৰ ধাৰাতে
ফাগুনৰ ৰূপালী জোনাকত
কল্পনাৰ নাওঁখনি বাই যাবলৈ
বহু দূৰ এক অচিন দেশলৈ
জীৱন মৃত্যুৰ মধ্যাহ্নৰ পৰত
নিদিবা নিদিবা মোক
প্ৰান পূৰ্ণ কৰি
তোমাৰ কলিজাৰ মৰম
প্ৰানৰ সখী মোৰ
চকুলোৰে সাগৰ ৰচিব।

❀ ❀

# সোণালী দিনৰ আশাৰে

শ্ৰীমতী জ্যোতি বৰগোঁহাই
প্ৰৱক্তা, অসমীয়া বিভাগ।

এতিয়া ..............................
সময়বোৰ দুঃসময়
পুৱাৰ বাতৰি নতুবা খবৰ কাগজ মেলিলেই
তুমি শুনিবা, দেখবা
বিপন্ন সময়ৰ অশান্ত খবৰ।
'উগ্ৰপন্থীৰ নৃশংস আক্ৰমনত
শিশুসহ দহ জন নিহত'
' আৰক্ষীৰে সংঘৰ্ষত বিদ্ৰোহীৰ
কমাণ্ডাৰ নিহত '
আৰু ............................
'কলাবৰী গাৱঁত
ধৰ্ষিতা সোণপাহিৰ আত্মহত্যা '
আৰু ..........................
' উজনি-নামনিত বানৰ তাণ্ডৱলীলা
দেশৰবো অধিক লোকৰ মৃত্যু '
' বানপীড়িতৰ চাউলৰ হৰলুকি '
আৰু জানিবা
' কেৰাচিন আৰু পেট্ৰলৰ ড্ৰামত
ভেজাল মিঠাতেলৰ সৰবৰাহ।
ড্ৰপচি, ডায়েৰিয়াত বহু জনৰ মৃত্যু '
সময় যে এতিয়া দুঃ সময়।



তথাপি আমি জীয়াই আছো
সোণালী, সুদিনৰ আশাত।
সোণালী, সুদিন আহিব
অস্ত্ৰৰ ঝণ-ঝণনি আৰু
বন্দুকৰ আৱাজ থামিব।
সুদিন আহিব, সুখ আহিব
বিহুগীত, ঐণিতমৰ সুৰে সুৰে
ঝুমুৰৰ তালে তালে
মাদলৰ ছেৱে ছেৱে।
কাৰণ, সুখৰ দৰে
দুখৰো আছে নিজস্ব ভাগৰ
হাৰি যাব দুখ, আহিব
সুদিন সবত্ৰতে।

❊❊





# মোৰ দেশ

মিচ মামণি টায়ে।
স্নাতক প্ৰথম বাৰ্ষিক

মোৰ আই, মোৰ স্বদেশ, মোৰ দেশৰ
ধূলি বালিতে মোৰ ভৱিষ্যতৰ সপোন ৰচিলোঁ
এই দেশৰ নৈৰ পাৰতে মই জন্ম হ'লো
লগৰীয়াৰ সতে কত হেতালি খেলিলো।
ক'ত এই নদীৰ পাৰতে বহি ক'ত ৰাতি
কবিতা ৰচিলোঁ নদীৰ সতে কথা পাতিলোঁ
এই দেশৰ হাবি ভাঙি বনৰীয়া ম'হ খেদি
শইচ সোণালী ধান চপালোঁ॥
ফাগুনৰ মলয়াত। দুম দুম "পেপাৰ" তালেতালে
কনেংৰ সতে গুম ৰাগ নৃত্য কৰিছোঁ।
চঞ্চলা নদীৰ পাৰতে কনেংৰ সতে কত দিন
প্ৰাণ খুলি কথা পাতিছোঁ।
এইদেশ, এই দেশৰ মাটিতে, নদীৰ পাৰতে
মই শান্তিৰ সৰগ ৰচিছোঁ।
এই দেশৰ শোষণৰ দল, দেশৰ শত্ৰুৰ সতে
লৌনং বজাই ঘোষণা কৰিছোঁ।
সাৱধান। এই দেশৰ মাটি, প্ৰতিটো সম্পদ
এই দেশৰ মানুহৰ বাবে, দেশৰ সন্তানৰ বাবে।
এই দেশৰ ঐশ্বৰ্য্য, ঐক্য, সংহতি, সংস্কৃতি
বুকুত লৈ জীয়াই থাকিবলৈ মৰণ পণ কৰিছোঁ॥

❊❊

# আৱাহন

শ্ৰী দেৱজিৎ দিহিঙ্গিয়া
বি.এচ.চি ৩য় বৰ্ষ

যেন আজীৱন জীয়াই থকাৰ আশাত
মৰহা এপাহি ফুল,
বেটুপাতেদি বৈ আহিছে
এসোঁতা লোতক;
হয় কপিছে, নিৰৱে
কিন্তু নিৰৱে .........
গুপুত বেদনাত আজি জ্বলিছে
হৃদয়ৰ কোণে কোণে,
ঠেকা খোৱা প্ৰতিধ্বনিয়ে
চিঞৰি চিঞৰি যেন কৈছে
তুমি নাযাবা ..............
নাযাবা,
মোৰ কাষৰ পৰা ............

❊❊

## মাতৃ

শ্ৰীমতী অংকিতা শইকীয়া
বি.এ. ২য় বৰ্ষ



আই তোমাক শতকোটি নমস্কাৰ
দেশ ৰক্ষাৰ বাবে জন্ম দিলা
মাতৃ তুমি শ্বহীদ সন্তানৰ —।
যুগে যুগে জন্ম হোৱা
মাতৃ তুমি
অন্যায়ৰ বিৰুদ্ধে থিয় দিব
দেশ মাতৃক ৰক্ষা কৰিব
ত্যাগ কৰিবলৈ কুণ্ঠবোধ নকৰা
এই ক্ষুদ্ৰ জীৱনৰ —।
মৰিও তুমি অমৰ হবা
তোমাৰ সন্তান অমৰ হব
ধ্বংস হব মাত্ৰ.............
বিশ্বাসঘাতক সকলৰ
ত্যাগৰ অৰ্থ নুবুজা
দেশৰ প্ৰতি ভক্তি নথকা
(মাতৃ) অভিশাপ দিয়া সেই সকলক —
যাতে মানুহ ৰূপে জন্ম নহয়
সিহঁতৰ এই পৃথিৱীত।

❊❊

## প্ৰাচীৰ

শ্ৰীমতী অংকিতা শইকীয়া
বি.এ. ২য় বৰ্ষ

এফালে
মই থিয় হৈ আছোঁ
আনফালে
তুমি,
মাজত সুবৃহৎ
এখন প্ৰাচীৰ,
মোৰ অনুভৱে অনুভৱে
তোমাৰ বুকুৰ
তপত নিশ্বাস।
এতিয়া
প্ৰাচীৰ খন ডাঙৰ
বৰ প্ৰয়োজন
তোমাৰ হাতত
মোৰ হাত থবলৈ
এটা জনমতৰ
বিস্ফোৰণত
প্ৰাচীৰ খন
ভগ্ন হলে
ভাল আছিলে ..............।

❊❊



## ইপ্সিত প্ৰত্যাক্ষাৰ সন্ধানত

মিচ পাপৰি চেতিয়া
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান শাখা)



কিবা পোৱাৰ হেপাহেৰে গৈ থকা মনটোৱে
হঠাতে থমকি ৰ'ব খোজে
কাৰ বাবে মোৰ বুকুৰ সেউজীয়াখিনিত
সেউজ শস্য ফুলিব খোজে?
তুমি ? বুজিও নুবুজাৰ দৰেই গৈ থাকা
অবিৰাম গতিৰে
নিষ্কলুষ অন্তৰত প্ৰজ্জ্বলিত হৈ থকা
হাহাকাৰখিনিয়ে
থপিয়াই আঁতৰাব বিচাৰে মোৰ বুকুৰ বিষ
অন্ধকাৰত নিমজ্জিত ৰঙা কলিজাটোৱে
পোহৰ বিচাৰি বগুৱা বায় বায়
থমকি ৰোৱা মনৰ গোপন স্থানত
আকৌ অনুৰণিত হয় "থমকি নৰ'বা আগবাঢ়ি যোৱা"
আকৌ, কিবা পোৱাৰ হেঁপাহেৰে আগুৱাব খোজেমন
তথাপিও সংঘাতে আগচিব খোজে বাট
এদিন, তোমাৰ হাতত ধৰি সংঘাতৰ শেষ সীমান্তত
থিয় হৈ উদাত্ত কণ্ঠে চিঞঁৰিম
ইপ্সিত প্ৰতীক্ষাৰ শেষ সীমান্তত
"এয়ামই বিজয়ী সত্তা।"

❊❊

## মোৰ সীমাবদ্ধতা

শ্ৰীজয়ন্ত টায়ে
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

(১)
শুকান ডালত বহি কিয়
গীত জোৰোঁ উলাহত মই?
নাজানো।
কিন্তু মই জানো
ডাল ভাগিলেই সৰি পৰিম তললৈ।

(২)
বৰশীত
বৰলৰ টোপ দি বহি আছিলোঁ
হঠাৎ পছোৱাঁ বতাহে উৰুৱাই নিলে নদীৰ গভীলৈ
কিন্তু মই যে সাঁতুৰিব নাজানো।

(৩)
জোনটো
কিমানো আহে
ৰূপালী আভা লৈ
মোৰ হৃদয়ৰ টোবোৰ জিলিকি উঠে।

(৪)
মোৰ মন যায় কেতিয়াবা
নিস্তব্ধতাৰ বুকুত
হেৰাই যাওঁ —।
কিন্তু
মই নোৱাৰোঁ।
জীৱনটো ইমান কোলাহল পূৰ্ণ।
ভিতৰত জেট ইঞ্জিনটোৰ
গৰ্ গৰণিত
কাণৰ পৰ্দা ফাটিব খোজে।

❊❊

# এনিশা

শ্ৰীসীমান্ত দাস
স্নাতক প্ৰথম বাৰ্ষিক (কলা বিভাগ )

আগুৰাই গৈ আছো
কেৱল পাইছো অন্ধকাৰ
চৌদিশে আন্ধাৰেই আন্ধাৰ
যত কেৱল আছে ভয় আৰু মৃত্যু।
ক'ৰবাত শুনিছোঁ দূৰণিৰ পাহাৰৰ
কাৰোবাৰ ৰিণিকি ৰিণিকি কৰুণ সুৰ
ক'ৰবাত শুনিছো সহস্ৰ নিশাৰ
বাদুলীৰ ভোকৰ বিপ্লৱ।
ক'ৰবাত শুনিছো দিখৌ নৈৰ পানীৰ খলকণি
আৰু কুকুৰৰ বিনঁনি।
আগুৰাই গৈ আছোঁ
কেৱল পাইছোঁ আন্ধাৰ
জয়াল নিশাৰ ফাগুনৰ মলয়া বতাহজাকে
চাৰিওফালে ধৰিছে আগুৰি
যেন সকলোৰে চিনাকি এটি মিশ্ৰিত সুৰ।
কি লাগে নাজানো নিজেই
দিশহাৰা এক প্ৰাণ
পোৱা নোপোৱাৰ মাজত দেখিছোঁ
কেৱল ভয় আৰু মৃত্যু
হঠাৎ সাৰ পাই দেখিছোঁ
চাৰিও ফালে পোহৰেই পোহৰ।

❀ ❀

# আইৰ বেদনা

শ্ৰীমতী জিনুমণী ভূঞা
স্নাতক প্ৰথম বৰ্ষ কলা

যিদিনা জনম লভিছিলোঁ আইৰ
চেনেহী কোলাত
আইয়ে কান্দিছিল
প্ৰসৱ যন্ত্ৰণাত ছটফটাইছিল,
তথাপি মোৰ মুখলৈ চাই
আইয়ে এবাৰে হাঁহিছিল
নাজানো সেই হাঁহিত আছিল
ক'তযে ভাললগা কল্পনা ..............................
জানো মাথো সেই হাঁহিৰ ঠাইত
নিঃসৃত হৈছিল এদিন
বহুতো হৃদয়ভঙা কৰুণ যন্ত্ৰনা।
উৎকন্ঠিত কলিজাৰ ধপ্‌ধপনিত
হৈ পৰিছিল আই বাক্‌ৰুদ্ধ,
কিয়নো ——
চৌদিশে দেখিছিল মাথো
ধ্বংসৰ তাণ্ডৱ লীলা,
মৃত্যুৰ বিভীষিকা।
চিপাহীৰ বুটৰ তলত
পৰিৰল আইৰ
প্ৰজ্বলিত প্ৰদীপ শিখা।

❀ ❀



# কবিতাৰ ছন্দ

শ্ৰী ৰমানন্দ পেগু
স্নাতক দ্বিতীয় বৰ্ষ(বিজ্ঞান)

(১)
তুমি চকুত চকু থোৱাৰ কথা ক'লা
মই তোমাৰ বুকুত হাত থলো
উশাহত থহি পৰিল
তৰাৰ সুগন্ধি
তুমি শব্দৰে চিনাকি কৰি দিলা
মোৰ আঙুলিৰে
নিগৰি আহিল কবিতা।

(২)
তোমাৰ দৰেই হোৱা হ'লে
নদীয়াল গোলাপৰ এযুৰি সজল নয়ন
কিম্বা
গাভৰু তৰাৰ উমাল কোলা
ইমান আমনি নিদিলোহেঁতেন
মোৰ কবিতা।

(৩)
বুকুত বগাই কিবা জানো পালা
তোমাকতো কৈছিলোৱেই মই
শিলৰ হৃদয়
ইয়াত কোনো নৈ নবয়

(৪)
অঁপইতা আশা
জাক দিলেও নপকে সপোন
বহুতেই কয়
শুকান মৰুৰ তপ্ত বুকুলৈও
আহে হেনো এপাহৰ এছাটি বৰষুন

(৫)
এদিন আবেলি আহিবাচোন
ন-সাজেৰে
কবিতাৰ পৰী হৈ,
কিম্বা
দবাপিতা বৰষুন এজাক হৈ
মাতাল হ'ব পৰাকৈ
হৃদয় মৰুৰ সুৰাগমণি কঠীয়া।

❀ ❀

# প্ৰতিবেদন

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সম্পাদক - শ্ৰীদ্বীপেন সন্দিকৈ

প্ৰতিবেদনৰ আৰম্ভনিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা জনাই যি সকল বন্ধু বান্ধৱী, ভাইটি-ভন্টিয়ে অকৃত্ৰিম মৰমেৰে মোক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৬-৯৭ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে নিবাচিত কৰি এই সেৱা আগবঢ়াবলৈ সুবিধা দিলে সেই সকলো বন্ধু-বান্ধৱী, ভাইটি-ভন্টিলৈ আন্তৰিক মৰম যাচিলো।

১৯৯৬ চনৰ ১১ নবেম্বৰ সোমবাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা হয়। ২৬-১১-৯৬ তাৰিখে এখনি সাধাৰণ সভাৰ যোগেদি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা শপত গ্ৰহণ কৰা হয়। ২২-১১-৯৬ তাৰিখে ছাত্ৰ একতা সভাৰ বিষয় ববীয়া আৰু সম্পাদক সকলৰ ভাৰপ্ৰাপ্ত অধ্যাপক সকলৰ লগত এখনি কাৰ্য্যনিবাহক সভা আহবান কৰা হয়। উক্ত সভাত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহ পাতিবৰ বাবে ২৬ ডিচেম্বৰ তাৰিখৰ পৰা ৩১ ডিচেম্বৰ তাৰিখলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ সপ্তাহ শুভাৰম্ভ কৰা হয়।সেই দিনাৰ পৰাই বিভিন্ন প্ৰতিযোগিতা সমুহ আৰম্ভ হয়। প্ৰতিযোগিতা সমুহৰ শেষৰ দিনা ৩১ ডিচেম্বৰ ৯৬ তাৰিখে বটা বিতৰণী সভা অনুষ্ঠিত কৰা হয। উক্ত সভাত নৱনিৰ্বাচিত অসম সহিত্য সভাৰ সভাপতি ড০ নগেন শইকীয়া দেব আৰু মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ভৰত নাৰায়ন জামুৱাৰ চাৰো উপস্থিত আছিল। সেইধৰণে ১৫ তাৰিখ ৯৬ তাৰিখে ভাৰতীয় সেনাৰ দ্বাৰা নিয্যাতিতা হোৱা ডিব্ৰুগড় বাম কলাখোৱাত এখনি ৰাজহুৱা সভাত মহাবিদ্যালয় ৫ জনীয়া দল এটিয়ে যোগদান কৰা হয়। ২৬-১২-৯৬ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ীত্ৰী সকলৰ মাজত এখনি সাধাৰণ সভা আহবান কৰা হয়। উক্ত সভাত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ ওপৰত গুৰত্ব দিয়া হয়, আৰু মহাবিদ্যালয়ৰ গাতে লাগি থকা মহাদেউ জালানৰ মাটিডোখৰ আলোচনাৰে মীমাংসা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১১ ফেব্ৰুৱাৰী ৯৭ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন উপসভাপতি ঁ মাধুৰ্য্য গোহাঁইক ভাৰতীয় সেনাই নৃসংগ ভাবে গুলিয়াই হত্যা কৰা বাবে মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শোক প্ৰস্তাৱ লোৱা হয়। সেইধৰণে মহাবিদ্যালয়ত সদৌ অসম কৰ্মচাৰী সন্থাৰ ৩৬ তম্ অধিবেশন খনি আমাৰ মহাবিদ্যালয়ত হোৱা বাবে আমাৰ ছাত্ৰ একতা সভাৰ



তৰফৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা হয়। ২০-৬-৯৭ তাৰিখে ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলৰ মাজত এখনি কায্যনিবাহক সভা আহবান কৰা হয়। উক্ত সভাত কনভয় ৰাষ্টাৰ কাষত মহাবিদ্যালয়ৰ নামত এখনি তোৰণ সাজি উলিয়াবৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ ছাত্ৰীৰ পৰা ২০ টকাকৈ বৰঙনি তুলিবৰ বাবে সিদ্ধান্ত লোৱা হয়। সেই সিদ্ধান্ত অনুসৰি মহাবিদ্যালয়ৰ নামত কনভয় ৰাষ্টাৰ কাষত যোৱা ইং ৭ নবেম্বৰ ৯৭ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰী মহেন্দ্ৰ নাথ গগৈৰ দ্বাৰা মুকলি কৰা হয়। মহাবিদ্যালয়ৰ লগত থকা ৰুম এটা ছাত্ৰী জিৰণি কোঠা হিচাপে দিয়া হয়, আৰু ছাত্ৰী সকলৰ বাবে কিছুমান খেলৰ সামগ্ৰী আনি দিয়া হয়। যোৱা ইং ৬-৮-৯৭ তাৰিখে স্বনাম ধন্য সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ মৃত্যুতে এটি শোক প্ৰস্তাব লোৱা হয়। সেইধৰণে ৬-৯-৯৭ তাৰিখে ভাৰত ৰত্ন মাদাৰ টেৰেছাৰ বিয়োগত এটি শোক প্ৰস্তাব লোৱা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধান নোহোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত এখনি সাধাৰণ সভাৰ যোগেদি ৬-১০-৯৭ তাৰিখে সংবিধান খনি গৃহীত কৰা হয়। ১২-৯-৯৭ তাৰিখে মহাবিদ্যালয়ৰ খনলৈ অহা নবাগত সতীৰ্থ বৃন্দলৈ আনুষ্ঠানিক ভাবে আদৰণি সম্ভাষণ জনোৱা হয়। উক্ত আদৰণি সভাত ডিব্ৰুগড় জিলাৰ উপায়ুক্ত এম শ্ৰী নিভাস ৰাও, আৰু ডিব্ৰুগড় সমষ্টিৰ বিধায়ক ড০ কল্যাণ কুমাৰ গগৈ উপস্থিত আছিল।

৭-১১-৯৭ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰী মহেন্দ্ৰ নাথ গগৈ দেৱৰ অৱসৰ প্ৰাপ্তি হোৱাত আনুষ্ঠানিক ভাবে বিদায় সম্ভাষণ জনোৱা হয়।

মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে সন্মুখীন হোৱা সমস্যা ৰাজিৰ লগত আমি বিশেষ ভাবে জড়িত হৈ পৰিছিলো। এই এশ এবুৰি সমস্যাৰে জৰিত মহাবিদ্যালয়ৰ উন্নতি সাধানৰ অৰ্থে মহাবিদ্যালয়ৰ পৰিচালনা সমিতি লৈ এলানী দাবী প্ৰস্তত কৰি উস্থাপন কৰিলো। পৰিচালনা সমিতিয়ে সমস্যা সমুহৰ গুৰুত্ব বুজি কিছুমান উন্নয়ণ মূলক কাম তৎকালীন ভাবে কৰি দিব বুলি প্ৰতিশ্ৰুতি দিয়ে। যিহেতু, মহাবিদ্যালয়খনৰ আৰ্থিক অৱস্থা বৰ ভাল নহয়। গতিকে সমস্যা সমাধান কালক্ৰমে পূৰণৰ প্ৰতিশ্ৰুতি দিয়ে। যেনে- মহাবিদ্যালয় খনৰ সীমানিদ্ধাৰণ কৰি পকী বেৰ দিয়া, অধনিমিত পেক্ষাগৃহটো সম্পূৰ্ণ কৰা, ছাত্ৰী নিবাসটো অতি সোনকালে বাসোপযোগী কৰা, ছাত্ৰ-ছাত্ৰী জিৰণি কোঠা আৰু ইংলিছ আৰু হিচাপ বিদ্যা বিষয়ৰ শিক্ষক নিযুক্তি আদি কালক্ৰমে দাবী সমূহ সফল নহল কিয়নো মহাবিদ্যালয়ৰ পৰচালনা সমিতি খন ভংগ হৈ থকাত কিছু অসুবিধা হল।

ৰেগিং বন্ধ –

নৱাগত ছাত্ৰ-ছাত্ৰী সকলক পুৰণি মানসিক ভাবে বিকৃত এচাম ছাত্ৰই সাধাৰণ চা-চিনাকিৰ বিভিন্ন ধৰণে অত্যাচাৰ চলোৱাটো বৰ্তমান ছাত্ৰ সমাজৰ বাবে প্ৰবল সমস্যাই নহয় ই এক সামাজিক ব্যাধিও। এই সমস্যা দুৰ কৰিবলৈ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিৰ, সহযোগত বিভিন্ন প্ৰচেষ্ঠা চলোৱা হৈছিল। সেই ধৰণে আমি ছাত্ৰ একতা সভাই উল্লেখ যোগ্য সফলতা লাভ কৰিছিলো। এই বৰ বিঁহ স্বৰূপ ৰেগিংৰ বিৰুদ্ধে ভৰিষ্যতে যদি সচেতন ছাত্ৰ-ছাত্ৰীয়ে বলিষ্ঠ পদক্ষেপ লৈ

আগবাঢ়ে তেনে হলে ডিব্রু মহাবিদ্যালয়েই নহয় সমগ্ৰ ছাত্ৰ সমাজৰ পৰাই ৰেগিং আঁতৰিব বুলি আশা কৰিব পাৰি।

ক্ষমা ভিক্ষা –

মোৰ এই বছৰেকীয়া কাৰ্য্য কালছোৱাত মহাবিদ্যালয় খনৰ বিভিন্ন দিশত উন্নতি সাধন কৰিবলৈ যৎপৰোনাষ্টি চেষ্টা চলোৱা হৈছিল। কিন্তু কিমান খিনি আগুৱাই নিবলৈ সক্ষম হলো সেইকন বিচাৰৰ বাবে আপোনালোকলৈ এৰিলো। জীৱনত প্ৰথম বাৰলৈ এই গধুৰ দায়িত্ব বহন কৰিছিলো। সুস্থ বিবেচনাৰে আগবাঢ়ি যাওঁতেও কিছু ক্ষেত্ৰত সফল আৰু কিছুক্ষেত্ৰত বিফল হৈছিলো। কাৰ্য্য কালছোৱাৰ ভিতৰত অথবা মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ যি কোনো সময়তে মোৰ অজ্ঞাতে যদি কেতিয়াবা শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত দোষ কৰিছিলো তেন্তে এই চমু প্ৰতিবেদনৰ যোগেদি ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

কৃতজ্ঞতা স্বীকাৰ –

মোৰ কাৰ্য্য কালছোৱাত বিভিন্ন দিশত সু-পৰামৰ্শ তথা উপদেশ দি বিশেষ ভাৱে সহায় কৰা অধ্যক্ষ মহোদয়, অধ্যাপক শ্ৰীযুত হেম চুতীয়া, সূৰ্য্য কুমাৰ দাস, বীৰেণ বৰুৱা, প্ৰদীপ চেতিয়া ফুকন, মহেশ কুমাৰ জৈন চাৰ সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

ইয়াৰ উপৰিও প্ৰতিটো পদক্ষেপতে বিশেষ ভাৱে সহায় কৰা বিনোদ ভাই, পতুল,ৰাজ কুমাৰ , দিগন্ত, বাবুল, ৰাহুল, খেমাজ্যোতি , উপাসনা, সুনীতা, ভাইটি বলীন, কুমুদ, উপেন, পেল, ভন্টি লনিমা, মনিষা, বাবলী, গীতাঞ্জলী, মনিমালা, জ্যোতিমালা, শান্তনা, নিতু মনি হতঁলৈ মোৰ আন্তৰিক মৰম জ্ঞাপন কৰিলো।

শেষত ডিব্রু মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনা কৰিলো।

*জয়তু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।*

## সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন



*সম্পাদক - শ্ৰীচিন্টু সোনোৱাল।*

প্ৰতিবেদনৰ আৰম্ভণিৰ প্ৰথমতে ডিব্রু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰনাথ গগৈ চাৰ তথা অধ্যাপক অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

দ্বিতীয়তে, দেশৰ আৰু জাতিৰ হকে যি সকলে যুজিছিল, স্বদেশৰ বাবে নিজৰ বুকু পাতি দিছিল, যি সকল নিজ মাতৃভূমিৰ বাবে আগবাঢ়ি গৈ জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পবিত্ৰ আত্মাৰ হকে শ্ৰদ্ধাৰে সুঁৱৰিছো।





তৃতীয়তে, ডিব্রু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে মোৰ এবছৰীয়া কাৰ্য্যকালত প্ৰতিটো পদক্ষীপতে সহায় সহযোগিতা তথা পৰামৰ্শ আগবঢ়াই যোৱা মোৰ মাননীয় অধ্যাপক শ্ৰীযুত ৰঞ্জিত সিংহ চাৰ আৰু অধ্যাপক শ্ৰীযুত ৰূপজ্যোতি হাজৰীকা চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ আৰু লগতে মৰমৰ বন্ধু দ্বীপেন, লিপিকা, ভাৰতী, মিন্টু, দিগন্ত, বাণি, সৌৰভ, ত্ৰৈলোক্য, খেমা, কহিনুৰ, পিন্পু, ভাস্কৰ আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ ও হিয়াভৰা কৃতজ্ঞতা প্ৰকাশ কৰিলো।

ডিব্রু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ১৯৯৬-৯৭ বৰ্ষৰ সাংস্কৃতিক সম্পাদক হিচাপে মই প্ৰতিদন্দিতাৰে নিৰ্বাচনীত জয়যুক্ত হৈ ১১-১১-৯৭ তাৰিখে নব নিৰ্ব্বাচিত ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে দায়িত্বভাৰ হাতত লওঁ। তাৰ পিছতে আন বছৰৰ দৰে 'মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহ' যিদৰে আয়োজন কৰি আহিছে, ঠিক সেইদৰে এইবাৰ ও বাৰ্ষিক ক্ৰিয়া সপ্তাহ ২৬-১২-৯৬ তাৰিখৰ পৰা ৩১-১২-৯৬ লৈকে আয়োজন কৰা হয়। এই ৩২ তম মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ কাৰ্য্যসূচী ২৮-১২-৯৬ আৰু ২৯-১২-৯৬ এই দুটা দিনত অনুষ্ঠিত কৰা হয়। ২৮-১২-৯৬ তাৰিখৰ দিনা পুৱা ৯ বজাৰ পৰা কবিতা আবৃত্তি প্ৰতিযোগিতা, ১২ বজাৰ পৰা ভেশচন প্ৰতিযোগিতা,

